● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

পিতৃ-মাতৃয়ে সন্তানক সুপৰামৰ্শ দিব পাৰে আৰু শুদ্ধ পথ দেখুৱাব পাৰে; কিন্তু এজন ব্যক্তিৰ চৰিত্ৰ নিৰ্মাণ তেওঁৰ নিজৰ হাতত‌ে থাকে।

এন ফ্ৰাংক



www.dainikagradoot.in

৫ চতুৰ্থ ঢৌৰ শংকা, দৈনিক সংক্ৰমণ ১৮ হেজাৰলৈ
১৫ আজিৰে পৰা ভাৰত-ইংলণ্ডৰ টেষ্ট
৪ আমেৰিকা ঃ প্ৰাক্ ইতিহাসৰ উজ্জ্বল স্বাক্ষৰ-মায়া সভ্যতা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬১তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৬ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 1 July 2022 মূল্য ঃ ৯.০০ টকা

■ এক কিলোমিটাৰ অঞ্চলজুৰি দীঘলীয়া সময় ভূমিস্খলন ■ ৰেলপথ নিৰ্মাণ শিবিৰৰ ওপৰতে খহি পৰিল পাহাৰ ■ ৰেল কৰ্মচাৰী-শ্ৰমিকসহ আঠজনৰ মৃতদেহ উদ্ধাৰ-কমেও ৮০ সন্ধানহীন

# মণিপুৰৰ ভূমিস্খলনত মৃত অসমৰ কমেও ২০



■ প্ৰকৃতিৰ ওপৰত মানৱ জাতিৰ অত্যাচাৰৰ পৰিণতি!

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জুন ঃ** মণিপুৰৰ ননে জিলাৰ টুপুলত যোৱা নিশা সংঘটিত এক ভয়াৱহ ভূমিস্খলনৰ ঘটনাই সমগ্ৰ দেশক জোকাৰি গৈছে। এই ভূমিস্খলন ইমানে ভয়াৱহ আছিল যে সেনা, সাধাৰণ লোক, শ্ৰমিক আদিকে ধৰি এই ঘটনাত কিমানজন লোকে প্ৰাণ হেৰুৱালে, কিমানজন সন্ধানহীন হৈ আছে তাৰ নিশ্চিত তথ্য নিৰূপণ কৰাটো আজি নিশা পৰ্যন্ত সম্ভৱ হোৱা নাই। এই ঘটনাত অসমৰ কমেও ২০ জন লোকৰ প্ৰাণহানিৰ আশংকা কৰা হৈছে। চৰকাৰীভাৱে আঠজন লোকৰ মৃতদেহ উদ্ধাৰ হৈছে। আনহাতে, কমেও ৮০ জন লোক সন্ধানহীন হৈ থকা বুলি আশংকা কৰা হৈছে। মৃত্যু নিশ্চিত ১০ পৃষ্ঠাত চাওক

অনিচ্ছা সত্ত্বেও প্ৰাক্তন মুখ্যমন্ত্ৰী ফড়নবিচ উপ-মুখ্যমন্ত্ৰীৰ দায়িত্বত

## মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ শিণ্ডেৰ



■ নিউজ ব্যুৰ'

**মুম্বাই, ৩০ জুন ঃ** উদ্ধৱ থাকৰেক ওফৰাই অৱশেষত অনুগতৰ জৰিয়তে মহাৰাষ্ট্ৰৰ শাসনভাৰ পৰিকল্পিতভাৱেই নিজৰ হাতলৈ অনাত সফল হ'ল ভাৰতীয় জনতা পাৰ্টি (বিজেপি)। বিগত প্ৰায় ১০ দিন ধৰি ৰাজ্যখনত একনাথ শিণ্ডেৰ নেতৃত্বত বিসম্বাদী ৰাজনীতিক তুংগলৈ নি বিজেপিয়ে কালি থাকৰেক মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিবলৈ বাধ্য কৰায়। তাৰ পাছত আজি সন্ধিয়া মহাৰাষ্ট্ৰৰ নতুন মুখ্যমন্ত্ৰীৰূপে নাটকীয়ভাৱে শপত ১০ পৃষ্ঠাত চাওক

## শিক্ষাৰ নতুন বজাৰ

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য



**এইবাৰ** স্কুলীয়া শিক্ষান্ত পৰীক্ষা এটাত এগৰাকী পৰীক্ষাৰ্থীয়ে ভাষা বিষয়ক পৰীক্ষাত এশৰ ভিতৰত এশ নম্বৰ পালে। এশৰ ভিতৰত এশ নম্বৰ দিয়া এগৰাকী শিক্ষকে ৰাজহুৱাভাৱে ক'লে আচলতে পৰীক্ষাৰ্থীগৰাকীয়ে ইমান ভাল লিখিছে যে তেওঁক এশৰ বেছিহে দিব লাগিছিল। আগতে ভাষা বিষয়ৰ পৰীক্ষাত এশৰ ভিতৰত ১০ পৃষ্ঠাত চাওক

## বাংলাদেশলৈ প্ৰেৰণ কৰা এক লাখ নিচাযুক্ত টেবলেট জব্দ মহানগৰীত

মণিপুৰৰ পৰা ডাম্পাৰৰে প্ৰেৰণ য়াবা

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জুন ঃ** দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ পৰা প্ৰেৰণ কৰা ড্ৰাগছসহ বিভিন্ন নিচাজাতীয় সামগ্ৰী অসমৰ পৰা বাংলাদেশলৈ প্ৰেৰণ চলি আহিছে। তেনেদৰে প্ৰেৰণ কৰা এক ১০ পৃষ্ঠাত চাওক

■ বস্ত্ৰ-ঘৰুৱা আচবাবৰ বাবদ ৩৮শ টকাকৈ পাব ক্ষতিপূৰণ
■ শিক্ষাৰ্থীলৈ এহেজাৰ-ক্ষতিগ্ৰস্ত গৃহৰ গৰাকীলৈও ক্ষতিপূৰণ

## মুখ্যমন্ত্ৰীয়েই উদঙালে বান সাহায্যৰ নামত সংঘটিত ব্যাপক কেলেংকাৰি

উপায়ুক্তক ভৰ্ৎসনা ঃ অতিৰিক্ত মুখ্য সচিব পৰ্যায়ত হ'ব তদন্ত



স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জুন ঃ** ৰাজ্যত বান সাহায্য প্ৰদানৰ নামত ব্যাপক অনিয়ম সংঘটিত হৈছে। স্বয়ং মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উপায়ুক্তসকলৰ লগত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে বান পৰিস্থিতি আৰু সাহায্য প্ৰদানৰ বিষয়ক লৈ ১০ পৃষ্ঠাত চাওক

## সাংবিধানিক সীমাৰ আধাৰত অসম-মেঘালয়ৰ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া আৰম্ভ

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জুন ঃ** অসম আৰু মেঘালয়ৰ মাজত থকা সীমা বিবাদৰ ১২টা স্থানৰ ভিতৰৰ ছটাৰ সাংবিধানিক সীমাৰ ভিত্তিত জৰীপ আৰম্ভ কৰিলে ভাৰতীয় জৰীপ বিভাগে। উক্ত স্থানকেইটা হ'ল ৰাতাচেৰা, তাৰাবাৰী, গিজাং, হাঁহিম, বকলাপাৰা আৰু ১০ পৃষ্ঠাত চাওক

■ চাহ জনগোষ্ঠীৰ লগত একাকাৰ কৰাৰ বিৰোধিতা হুল দিৱসত

## জনজাতিৰ মৰ্যাদাৰ দাবীত সৰৱ চাওতাল



স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা মহানগৰীত সমবেত হোৱা চাওতালসকলৰ ব্যাপক অংশগ্ৰহণৰে আজি সদৌ চাওতাল ছাত্ৰ সন্থাৰ উদ্যোগত উদ্‌যাপন কৰা হয় হুল দিৱস। চাওতাল জাতীয় সংহতি দিৱস উপলক্ষে অনুষ্ঠিত মুকলি সভাত ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্রদূত
গুৱাহাটী, ১ জুলাই, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

## বিল্যসন্দন চ'ৰা




# গণতন্ত্ৰৰ মাৰ্কেটিং

**দিল্লীৰ** বাদশ্বাহৰ মুখত আজিহে হাঁহি ফুটিছে। তেওঁ আগতেই সভাসদসকলক কৈ লৈছে— 'আজি কিন্তু ৰাজনীতিৰ কথা নপাতো দেই।'
ঃ কিয় নাপাতে জাহাপনা?
ঃ একেখিনি কথানো কিমান পাতি থাকিবা?
ঃ হয় জাহাপনা?
ঃ আজি অলপ বেলেগ কথা পাতো।
ঃ কি কথা জাহাপনা?
ঃ বাল্যকালৰ কথাই পাতো।
ঃ হ'ব দিয়ক জাহাপনা।
ঃ তাৰ মাজত কিন্তু কোনেও ৰাজনীতিৰ কথা উলিয়াব নোৱাৰিব।
ঃ হ'ব জাহাপনা।
ঃ ৰাজনীতিৰ কথা যিয়ে উলিয়াব, তাকেই ৰাজসভাৰ পৰা বাহিৰ কৰি দিয়া হ'ব।
ঃ হ'ব জাহাপনা?
ঃ এতিয়া শুনা...
ঃ কওক জাহাপনা!
ঃ মই সৰুতে চাহ বেচিছিলো।
ঃ হয় জাহাপনা।
ঃ ৰেল ষ্টেছনত চাহ বেচিছিলো।
ঃ হয় জাহাপনা।
ঃ ৰেলযাত্ৰীবোৰে পইচা দিছিল, মই চাহ দিছিলো।
ঃ হয় জাহাপনা।
ঃ শুদ্ধ গাখীৰৰ চাহ বুলি মাৰ্কেটিং কৰিছিলো।
ঃ হয় জাহাপনা।
ঃ ৰেলযাত্ৰীবোৰেও শুদ্ধ গাখীৰৰ চাহ বুলিয়ে খাইছিল।
ঃ শুদ্ধ গাখীৰ নাছিল নেকি?
ঃ ক'ৰ পৰা শুদ্ধ গাখীৰ দিবাহে? সৰ পাউদাৰ মিক্স কৰিছিলো।
ঃ বাঃ জাহাপনাৰ বেলেগ বুদ্ধি দেই!
ঃ মই আকৌ এই বুলিও মাৰ্কেটিং



কৰিছিলো যে মই একেবাৰে নতুন নতুন চাহ বনাই দিওঁ। বাকীবোৰ চায়েৱালাৰ দৰে পুৱাতে বনোৱা চাহ দিনটো বেচি নাথাকো।
ঃ বাঃ জাহাপনাৰ বেলেগ বুদ্ধি দেই!
ঃ কিন্তু সঁচা কথাটো কি জানা?
ঃ কি জাহাপনা?
ঃ বেলেগ চায়েৱালাৰ দৰে ময়ো পুৱা ৰাতিয়ে দিনটোৰ চাহখিনি বনাই থৈ দিওঁ আৰু দিনটো বেচি থাকো।
ঃ হয় নেকি জাহাপনা?
ঃ কিন্তু মই মাৰ্কেটিংটো অলপ বেলেগ ধৰণে কৰো।
ঃ হয় জাহাপনা।
ঃ তেতিয়াই মই বুজি গৈছিলো যে ভালকৈ মাৰ্কেটিং কৰিব পাৰিলে মিছাটোও সঁচা হৈ যায়।
ঃ হয় জাহাপনা।
ঃ মাৰ্কেটিঙত গুৰুত্ব দি দিয়ে আজি মই এইখিনি পাইছো।
ঃ হয় জাহাপনা।
ঃ কষ্ট কৰা মাক বহুত আছে।
ঃ হয় জাহাপনা?
ঃ মই কিন্তু তাকে লৈ মাৰ্কেটিং কৰিছো।
ঃ ঠিকেই জাহাপনা।
ঃ মোতকৈ বহল বুকু বহুতৰ আছে।
ঃ হয় জাহাপনা।
ঃ কিন্তু মোৰ চাপ্পন্ন ইঞ্চিৰ বুকুখনক লৈ মাৰ্কেটিং কৰিছো।
ঃ হয় জাহাপনা।
ঃ ব্লেকমানিৰ কথা বহুতে কৈ আহিছে।
ঃ হয় জাহাপনা।
ঃ মই একাউণ্টে একাউণ্টে পোন্ধৰ লাখকৈ সোমাব বুলি মাৰ্কেটিং কৰি দিছো।
ঃ হয় জাহাপনা?
ঃ নেহৰুক পোনপটীয়াকৈ গালি পাৰিলে বেয়া শুনি কাৰণে পেটেলৰ মাৰ্কেটিং কৰি দিছো।
ঃ হয় জাহাপনা?
ঃ মাৰ্কেটিং কৰোতে কৰোতে কেতিয়াবা সীমা চেৰায়ো যায়। তেতিয়া আকৌ বেলেগ কিহবাৰ মাৰ্কেটিং জোৰদাৰকৈ কৰিব লগা হয়।

সেই সময়তে এজনে আহি খবৰ দিলে— 'থাকৰেই ৰিজাইন দিলে।' বাদশ্বাহে সভাসদসকললৈ চাই মিচিকিয়া হাঁহি এটা মাৰি কয়— 'গণতন্ত্ৰক লৈ কিন্তু মাৰ্কেটিং কৰিবৰ দৰকাৰ নাই দেই! অলপ মাথা খটালেই গণতন্ত্ৰ প্ৰতিষ্ঠা হয়।'

## লাহৰীঘাটত বৃহৎ পৰিমাণৰ বগা চাউল উদ্ধাৰ

অগ্রদূত বাৰ্তা
**লাহৰীঘাট, ৩০ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ বগা চাউল উদ্ধাৰ কৰে। মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই প্ৰায় ৫০ কুইণ্টল চাউল জব্দ কৰে। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰখাৰল গাঁৱৰ হাবিবুৰ ৰহমানৰ বাসগৃহত ছয় পৃষ্ঠাত চাওক

### শোণিতপুৰৰ নাহৰবাৰী পঞ্চায়ত কাৰ্যালয় ঘেৰাও কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ

# পঞ্চায়তত দুৰ্নীতিৰ মুকলি বজাৰৰ অভিযোগ

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৩০ জুন ঃ** শোণিতপুৰ জিলাৰ ৭১ নম্বৰ ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা ঠেলামৰা ৰাজহ চক্ৰৰ অন্তৰ্গত নাহৰবাৰী গাঁও পঞ্চায়তৰ কাৰ্যালয় আজি ঘেৰাও কৰে কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে। বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত পঞ্চায়ত প্ৰতিনিধিসকলে ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ বাবেই এই ঘেৰাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে নাহৰবাৰী গাঁও পঞ্চায়তত দীৰ্ঘদিনৰে পৰা বিভিন্ন চৰকাৰী আঁচনিত চলাই থকা সীমাহীন দুৰ্নীতিৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবীত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি আৰু সংগঠনটোৰ ভগ্নী সংগঠন নাৰী সুৰক্ষা সংগ্ৰাম সমিতিয়ে ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ অধীনস্থ নাহৰবাৰী পঞ্চায়তৰ কাৰ্যালয়টো ঘেৰাও কৰে। আজি দিনৰ প্ৰায় ১১.৩০ বজাত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যৰ নেতৃত্বত সংগঠনটোৰ প্ৰায় দুই শতাধিক কৰ্মকৰ্তা আৰু ক্ষুব্ধ লোকসকলে হাতে হাতে বেনাৰ প্লেকাৰ্ড লৈ 'নাহৰবাৰী গাঁও পঞ্চায়তত চলি থকা দুৰ্নীতিৰ উচ্চ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা কৰক, দৰিদ্ৰ ৰাইজৰ পইচা আত্মসাৎ কৰা বিষয়া-কৰ্মচাৰীসকল হুঁচিয়াৰ, নাহৰবাৰী গাঁও পঞ্চায়তৰ দুৰ্নীতিপৰায়ণ প্ৰতিনিধিসকল হুঁচিয়াৰ, জবকাৰ্ড শ্ৰমিকক বছৰেকত এশ দিনৰ শ্ৰমদান প্ৰদান ছয় পৃষ্ঠাত চাওক



গহপুৰৰ ছত্ৰং নদীৰ ভঙা মথাউৰিৰ একাংশ, বৃহস্পতিবাৰে।

### নেলী, বৰখাল, পলাহগুৰিত খবৰ ল'লে বানাক্ৰান্তৰ

## জাগীৰোডত বানপীড়িত অঞ্চল পৰিভ্ৰমণ মন্ত্ৰী হাজৰিকাৰ

অগ্রদূত বাৰ্তা
**জাগীৰোড, ৩০ জুন ঃ** অসম চৰকাৰৰ জলসম্পদ, তথ্য জনসংযোগ আৰু লেখন মুদ্ৰণ, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি আবেলি জাগীৰোডৰ বানপীড়িতসকলৰ অৱস্থাৰ বুজ লয়। আজি বিয়লি নেলী, বৰখাল, পলাহগুৰি, কুমাৰবড়ী, ধৰমতুল আদি বিভিন্ন অঞ্চলৰ বন্যাৰ্তৰ দুখ-দুৰ্দশাৰ বুজ লয় মন্ত্ৰী হাজৰিকাই। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আশ্ৰয় গ্ৰহণ কৰি থকা বানপীড়িতৰ লগত মত বিনিময় কৰাৰ লগতে উপযুক্ত পৰিমাণে বান সাহায্য সময়মতে পাইছে নে নাই তাৰো খতিয়ান লয়। উল্লেখ্য যে চৰকাৰ তথা প্ৰশাসনৰ লগতে মন্ত্ৰী হাজৰিকা আৰু তেওঁৰ পত্নী আইমী বৰুৱাই ব্যক্তিগতভাৱে সাহায্য আগবঢ়াই আহিছে জাগীৰোড সমষ্টিৰ বন্যাৰ্তসকলক।

### জবকাৰ্ড শ্ৰমিকৰ পৰা পাঁচশ টকাকৈ সংগ্ৰহৰ অভিযোগ

## বিটিচিৰ শ্ৰীৰামপুৰ সমষ্টিৰ হাউৰীয়াপেটা ভিচিডিচিত অনিয়ম

অগ্রদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ৩০ জুন ঃ** বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ সমষ্টিৰ হাউৰীয়াপেটা ভিচিডিচিত উন্নয়নৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি অভিযোগ উঠিছে। উত্থাপিত অভিযোগ মতে, হাউৰীয়াপেটা ভিচিডিচিৰ সভাপতি তথা ইউপিপিএলৰ সদস্য মোজাম্মিল হক আৰু ভিচিডিচিৰ একাংশ সদস্যই জবকাৰ্ড থকা শ্ৰমিকৰ পৰা আগতীয়াকৈ পাঁচশ টকাকৈ উপঢৌকন লোৱাৰ অভিযোগ ৰাইজৰ। টকা নিদিলে জবকাৰ্ডত অন্তৰ্ভুক্ত নকৰে। ইতিমধ্যে উক্ত ভিচিডিচিত ১০টাকৈ মাটি পেলোৱাৰ কাম চলি আহিছে। লাখ লাখ টকা ব্যয়ৰ উক্ত কামবোৰত জবকাৰ্ড থকা স্থানীয় সকলো শ্ৰমিকৰ কাম পাব লাগে যদিও যিসকলে পাঁচ টকাকৈ ঘোচ দিয়া নাই, সেইসকলে কাম কৰাৰ সুযোগ পোৱা নাই। যিসকল শ্ৰমিকে আগতীয়াকৈ পাঁচশ টকা জমা কৰিছে কেৱল তেওঁলোকৰ পৰিয়াল আৰু ভিচিডিচিৰ কৰ্মকৰ্তাসকলৰ আত্মীয়-পৰিজনেই জবকাৰ্ডৰ কাম কৰি আহিছে। ভিচিডিচিৰ একাংশ সদস্য সাধাৰণ ৰাইজৰ পৰা জবকাৰ্ডৰ কাম দিয়াৰ নামত এই অবৈধ ধন সংগ্ৰহত জড়িত হৈ আছে বুলি ৰাইজে অভিযোগ কৰিছে। একো একোটা ছয় পৃষ্ঠাত চাওক

## সমূহীয়া কঠীয়াতলিত ধানৰ বীজ সিঁচিলে মন্ত্ৰী অতুল বৰাই



বিশেষ সংবাদদাতা
**নগাঁও, ৩০ জুন ঃ** আজি নগাঁও জিলাৰ লাওখোৱা চৰকাৰী বীজপামত জিলা কৃষি বিভাগৰ উদ্যোগত আৰু ব্ৰহ্মপুত্ৰ কৃষক উৎপাদক সংস্থাৰ সহযোগত আয়োজিত সমূহীয়া বীজ সিঁচা পৰ্বত অংশগ্ৰহণ কৰে ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই। মন্ত্ৰী বৰাই কৃষকক উৎসাহিত কৰাৰ নিমিত্তে নিজেই কৃষকৰ স'তে ট্ৰেক্টৰ চলাই কঠিয়াতলি বোকা দিয়াৰ লগতে বোকা মাটিত নামি ধানৰ বীজ সিঁচা পৰিলক্ষিত হয়। সমূহীয়া বীজ সিঁচা পৰ্বত কৃষিমন্ত্ৰী বৰাই অংশ লৈ কয়, 'ৰাজ্যখনৰ ৩২ খন জিলাৰ ৭,২৬২ খন গাঁৱৰ ৬,৮৩,৭৮৫ টা কৃষক পৰিয়াল শেহতীয়া বানত ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ১,৪৩,০০০ হেক্টৰৰো অধিক কৃষিভূমি জলমগ্ন হৈছে। নগাঁও জিলাখনৰো ৩,৩৩৮ খন গাঁৱৰ ৩৫,০০০ৰো অধিক কৃষক পৰিয়াল ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ১৯,০০০ হেক্টৰৰো অধিক কৃষিভূমি জলমগ্ন হৈছে।' আজি নগাঁও জিলাৰ লাওখোৱাত ছয় হেক্টৰ ভূমিত সিঁচা বাহাদুৰ চাব-১ শীৰ্ষক বানপানী সহনশীল তথা কম সময়ৰ ভিতৰতে ছয় পৃষ্ঠাত চাওক

## লেখক গোপাল জালানৰ গ্ৰন্থ 'ইতিবাচক' উন্মোচন



**গুৱাহাটী, ৩০ জুন ঃ** অগ্রদূত ভৱনৰ সভাকক্ষত বিশাল প্ৰকাশনৰ পৰা প্ৰকাশিত গোপাল জালানৰ দশমখন গ্ৰন্থ 'ইতিবাচক' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, সাংবাদিক কনকসেন ডেকাই। গ্ৰন্থ উন্মোচন কৰি ডেকাই কয় যে গোপাল জালানে অসমীয়া ভাষা সাহিত্যলৈ যথেষ্ট বৰঙণি আগবঢ়াই আহিছে। জালানৰ লেখাসমূহ চুটি আৰু সহজ-সৰল ভাষাত লিখা বাবে সকলো ধৰণৰ পঢ়ুৱৈয়ে আঁকোৱালি ল'ব পাৰে। ইতিবাচক গ্ৰন্থখনত যিবোৰ বিষয় বিশ্লেষণ কৰা হৈছে প্ৰতিটো প্ৰবন্ধ সাম্প্ৰতিক সমাজত বহলভাৱে প্ৰচাৰ হৈ থকা ঘটনাৰাজিৰ ওপৰত সামাজিক, শৈক্ষিক, ৰাজনৈতিক, ন্যায়িক আদিৰ ওপৰত সুন্দৰভাৱে উপস্থাপন কৰিছে। ছয় পৃষ্ঠাত চাওক

## নগাঁও-গোৱালপাৰাত বিশ্ব হিন্দু পৰিষদ-বজৰং দলৰ জেহাদীৰ প্ৰতিকৃতি দাহ

বিশেষ সংবাদদাতা/অগ্রদূত বাৰ্তা
**নগাঁও/মাটিয়া/কৃষ্ণাই, ৩০ জুন ঃ** দুদিনমানৰ পূৰ্বে ৰাজস্থানৰ উদয়পুৰত এজন লোকক মৌলবাদী জেহাদীয়ে নৃশংসভাৱে হত্যা কৰাৰ প্ৰতিবাদত আজি বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলৰ নগাঁও জিলা সমিতিয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠন দুটাৰ সদস্যসকলে নগাঁও চহৰত সমদল উলিয়াই ছয় পৃষ্ঠাত চাওক



## বানাক্ৰান্তক পৰ্যাপ্ত সাহায্য প্ৰদানৰ দাবীত নলবাৰীত আছুৰ বিক্ষোভ




অগ্রদূত বাৰ্তা
**নলবাৰী, ৩০ জুন ঃ** বানপানী আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰ স্বীকৃতি প্ৰদান আৰু স্থায়ী সমাধানৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই বছৰ বছৰ ধৰি দাবী জনাই আহিছে যদিও গা লৰাব পৰা নাই কেন্দ্ৰীয় চৰকাৰৰ। এইবাৰৰ সংহাৰৰূপী বানপানীয়ে ৰাজ্যখনৰ প্ৰায় সকলোবোৰ অঞ্চলৰ ৰাইজকে দুৰ্দশাগ্ৰস্ত কৰি তোলাৰ পাছতো এই পৰ্যন্ত কেন্দ্ৰীয় চৰকাৰে বিশেষ পেকেজ ঘোষণা কৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ এনে স্থিতিৰ বিৰুদ্ধে আজি পুনৰ বিক্ষোভত নামে সদৌ অসম ছাত্ৰ সন্থা। সন্থাৰ আহ্বান মৰ্মে আজি নলবাৰীতো বন্যাৰ্তক উপযুক্ত সাহায্য প্ৰদান, পুনৰ সংস্থাপন, ছয় পৃষ্ঠাত চাওক

### শিক্ষা সঞ্চালকলৈ প্ৰতিবেদন প্ৰেৰণ

## পৰীক্ষা ব্যৱস্থাৰ গোপনীয়তা ভংগ

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৩০ জুন ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত প্ৰথম স্থান অধিকাৰ কৰা সাধনা দেৱীক অসমীয়া বিষয়ত এশৰ ভিতৰত ১০৫ নম্বৰ দিব বিচৰাৰ লগতে এই বহীখনত অধিক নম্বৰ দিয়াৰ এক প্ৰস্তাৱো অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদলৈ প্ৰেৰণ কৰাৰ কথা ভাবিছিল বুলি একাংশ সংবাদ মাধ্যমৰ আগত অত্যুৎসাহী মন্তব্য কৰা শিক্ষক-শিক্ষয়িত্ৰী আৰু সহকাৰী মাণ্ডলিক বিষয়াক জবাবদিহি কৰিছে শিক্ষা বিভাগে। উল্লেখ্য যে উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতে এই বিষয়টো ৰাজহুৱা হোৱাত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সংবাদ মাধ্যমৰ আগত সাধনাৰ বহীখন ছাত্ৰ-ছাত্ৰীক সহায়ক হোৱাকৈ প্ৰচাৰ কৰাৰ আহ্বান জনোৱা তথা এনে এখন বহী চোৱাৰ সৌভাগ্য বিগত ১০-১২ বছৰে হোৱা নাছিল আদি মন্তব্য কৰাৰ পাছত সম্প্ৰতি পৰীক্ষা ব্যৱস্থাৰ গোপনীয়তা ভংগ কৰাৰ বিষয়টো দৃষ্টিগোচৰ হৈছে শিক্ষা বিভাগ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ। ইয়াৰ পৰিপ্ৰেক্ষিতত এই তিনি শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী বৰ্ণালী শইকীয়া, একেখন বিদ্যালয়ৰে শিক্ষক তথা সহকাৰী মাণ্ডলিক বিষয়া শুভ্ৰজ্যোতি শৰ্মাৰ লগতে তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী বাসন্তী বৰ্মন পাঠকক আজি তলব কৰে শোণিতপুৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত দাসে। বিষয়টো ছয় পৃষ্ঠাত চাওক

## নলবাৰীত অচিনাক্ত লোকৰ ছাত্ৰীক অশ্লীল ইংগিত


### আৰক্ষী অধীক্ষকলৈ আছুৰ স্মাৰকপত্ৰ

অগ্রদূত বাৰ্তা
**নলবাৰী, ৩০ জুন ঃ** নলবাৰী চহৰত বিগত কেইদিনমানৰ পৰা পুৱা-গধূলি অসৎ চৰিত্ৰৰ লোক এজনে বৰষুণ বতৰত ৰাস্তাত কোনো মানুহ নথকাৰ সুযোগত যুৱতী-মহিলাক হাৰাশাস্তি কৰাৰ ঘটনা সংঘটিত হৈছে। বিশেষকৈ কলেজীয়া অথবা হাইস্কুলত পঢ়া ছাত্ৰীয়ে টিউছন কৰিবলৈ অহা সময়ত এই অসৎ প্ৰবৃত্তিৰ লোকজনে অশ্লীল ইংগিত দিয়াৰ লগতে নিজৰ গুপ্তাংগ দেখুৱাই অসৎ প্ৰস্তাৱ দি অহা ঘটনাই নলবাৰী চহৰৰ মাজমজিয়াত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, এই লোকজনে নিজৰ পৰিচয় লুকুৱাবলৈ ৰেইনকোট পিন্ধি আহে আৰু নিজৰ মটৰ চাইকেলখনৰ নম্বৰপ্লেট ঢাকি ৰাখে। এই ঘটনাই নলবাৰীৰ সচেতন মহলৰ মাজত এক আতংকৰ সৃষ্টি কৰিছে। ছয় পৃষ্ঠাত চাওক

## বানৰ স'তে মোকাবিলা কৰাত বৰপেটা প্ৰশাসন ব্যৰ্থ ঃ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ স্বীকাৰ

বিশেষ সংবাদদাতা
**বৰপেটা, ৩০ জুন ঃ** বৰপেটা জিলাৰ বান পৰিস্থিতি অধ্যয়ন কৰিবলৈ আজি পুনৰ চৰকাৰী কাৰ্যসূচী লৈ বৰপেটাত উপস্থিত হয় ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। বৰপেটাত উপস্থিত হৈ বৰপেটা জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূযালৰ স'তে জিলাখনৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে মন্ত্ৰীজনে। উল্লেখ্য যে চৰকাৰে কেবিনেট সিদ্ধান্তযোগে বৰপেটা জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শনৰ দায়িত্ব দিয়াৰ পিছত আজি দ্বিতীয় দিনৰ বাবে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু বৰপেটালৈ আহে। মন্ত্ৰীজনে আজি জিলাখনৰ অন্যান্য অঞ্চলৰ লগতে বৰপেটা চহৰৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। মন্ত্ৰীজনে বৰপেটা চহৰৰ মাজেৰে প্ৰৱাহিত হাৰিজানৰ দক্ষিণহাটীৰ উত্তৰ দিশৰ ছিগা মথাউৰি পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। শেহতীয়া বানত মথাউৰিটোৰ প্ৰায় ২৫ মিটাৰ অংশ ছিগি যোৱাত অভূতপূৰ্ব জল প্ৰলয়ৰ সৃষ্টি হৈছিল বৰপেটা চহৰত। এইবাৰ বানত মহাপুৰুষ শ্ৰীশ্ৰী মাধবদেৱৰ স্থাপিত বৰপেটা সত্ৰকে ধৰি জলমগ্ন হৈ পৰিছিল সমগ্ৰ চহৰখন। মন্ত্ৰীজনে মথাউৰিটোৰ ভগ্ন অংশটো পৰিদৰ্শন কৰি মেৰামতি ছয় পৃষ্ঠাত চাওক

## নগাঁৱত বাঢ়নী পানীত উটি গ'ল ছাত্ৰী



বিশেষ সংবাদদাতা
**নগাঁও, ৩০ জুন ঃ** আজি সন্ধিয়া নগাঁৱত পানীত পৰি এগৰাকী ছাত্ৰী সন্ধানহীন হয়। নগাঁও চহৰৰ এটা বান শিবিৰৰ পৰা ঘৰলৈ যোৱাৰ পথত পানীত পৰি সন্ধানহীন হোৱা ছাত্ৰীগৰাকী হ'ল শিয়ালমাৰীৰ জেচমিনা বেগম। ঘৰত পানী উঠাত শিয়ালমাৰীৰ ৰেলআলিৰ কাষত ছাত্ৰীগৰাকীৰ পৰিয়ালটোৱে আশ্ৰয় লৈ আছিল। সন্ধিয়া প্ৰায় ছয় বজাত পানী ভাঙি ঘৰলৈ গৈ থকা অৱস্থাত ছাত্ৰীগৰাকীক বাঢ়নী পানীয়ে উটুৱাই লৈ যায়। ছাত্ৰীগৰাকীৰ সন্ধানত এছডিআৰএফৰ দলে অভিযান চলায় যদিও এতিয়ালৈকে সন্ধান ওলোৱা নাই।

## নয়াহাটত নজন জুৱাৰীক আটক

বিশেষ সংবাদদাতা
**বিলাসীপাৰা, ৩০ জুন ঃ** বিলাসীপাৰা মহকুমাৰ নয়াহাট আৰক্ষী চকীৰ অন্তৰ্গত তুষপাৰাত নজনকৈ জুৱাৰীক বুধবাৰে হাতে-লোটে আটক কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। নয়াহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতুমণি বৈশ্যৰ নেতৃত্বত যোৱা আৰক্ষীৰ দল এটাই জুৱা খেলি থকা অৱস্থাত আটক কৰে। এক গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে ছয় পৃষ্ঠাত চাওক

## জেংখা বজাৰত বিধ্বংসী অগ্নিকাণ্ডত ভস্মীভূত হ'ল ২০ খনৰো অধিক দোকান



অগ্রদূত বাৰ্তা
**ডংকামোকাম, ৩০ জুন ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি আৰক্ষী থানাৰ অন্তৰ্গত জেংখা বজাৰত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। বুধবাৰে নিশা প্ৰায় ৯.৩০ বজাত সংঘটিত অগ্নিকাণ্ডত বজাৰখনৰ ২০ টাৰো অধিক সৰু-বৰ দোকান-পোহাৰ জুইত জাহ যায়। ভস্মীভূত দোকান-পোহাৰৰ ক্ষয়-ক্ষতি প্ৰায় ৫০ লক্ষাধিক টকা হ'ব বুলি সূত্ৰই জনাইছে। ইপিনে, জুই নুমুৱাৰ বাবে দুখনকৈ অগ্নি নিৰ্বাপক বাহনে আপ্ৰাণ চেষ্টা কৰে যদিও অৱশেষত ২০ টাৰো অধিক দোকান-পোহাৰ সম্পূৰ্ণৰূপে জুইত ভস্মীভূত হয়। নিশাত সংঘটিত বিধ্বংসী জুই ক'ৰ পৰা কেনেকৈ নিৰ্গত হ'ল সেয়া প্ৰকৃততে জানিব পৰা নাই যদিও বৈদ্যুতিক শ্বট ছাৰ্কিটৰ বাবেই এই বিধ্বংসী জুইৰ সূত্ৰপাত হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ কৰা হৈছে।

## ৰাইজৰ উগ্ৰমূৰ্তি দেখি পলায়ন বিধায়ক ছিৰাজ উদ্দিন আজমলৰ

অগ্রদূত বাৰ্তা
**যমুনামুখ, ৩০ জুন ঃ** যমুনামুখ বিধানসভা সমষ্টিৰ বিধায়ক ছিৰাজ উদ্দিন আজমল আজি ৰাইজৰ তীব্ৰ ক্ষোভৰ সন্মুখীন হোৱা ঘটনাই সমষ্টি জুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মোৰাঝাৰত দলীয় কৰ্মীৰ স'তে সাক্ষাৎ কৰি চৌধুৰী বজাৰলৈ যোৱাৰ পথত পীৰ বজাৰত স্থানীয় ৰাইজ আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে বিধায়কক বাট আগচি ধৰে। ৰাইজৰ ৰুদ্ৰমূৰ্তি ছয় পৃষ্ঠাত চাওক

## পুৰণিগুদাম চলচলিৰ এটা মছজিদ নিৰ্মাণত হাতে কামে লাগিল ২০টা হিন্দু পৰিয়াল

### সম্প্ৰীতিৰ অনন্য নিদৰ্শন

বিশেষ সংবাদদাতা
**নগাঁও, ৩০ জুন ঃ** ধৰ্মীয় অসহিষ্ণুতাই ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সময়তে নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ অন্তৰ্গত চলচলি ৰামটিলা আটি গাঁৱত হিন্দু-মুছলিম উভয় ধৰ্মাৱলম্বী লোকে দাঙি ধৰিছে অনন্য নিদৰ্শন। চলিৰ ৰামটিলাআটি গাঁৱত থকা বৰ মছজিদটো আটকধুনীয়াকৈ পুনৰ নিৰ্মাণৰ কাম চলাই আছে গাঁওখনৰ ৯০ টাকৈ মুছলিম সম্প্ৰদায়ৰ পৰিয়ালে। মুছলমান সম্প্ৰদায়ৰ ৰাইজে দান-বৰঙণি আগবঢ়াই মছজিদটো আটকধুনীয়াকৈ নিৰ্মাণৰ ক্ষেত্ৰত বহু হিন্দু পৰিয়ালেও আৰ্থিকভাৱে সহযোগিতা আগবঢ়াইছে। কেৱল আৰ্থিক সাহায্যই নহয় গাঁওখনত বাস কৰি থকা ২০টাকৈ হিন্দু পৰিয়ালৰ পুৰুষসকলে এই মছজিদ নিৰ্মাণত নিজে হাতে কামে লাগি সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছে। উল্লেখ্য যে সৰহ সংখ্যক মুছলিম সম্প্ৰদায়ৰ পৰিয়ালে বসবাস কৰা গাঁওখনত থকা হিন্দু পৰিয়ালকেইটাৰ সকলো বিপদত বা বিভিন্ন সময়ত মুছলিম সম্প্ৰদায়ৰ লোকসকলে সহায়ৰ হাত আগবঢ়াই আহিছে। ধৰ্ম বেলেগ হ'লেও মুছলিম লোকৰ উপসনাস্থলী বৰ মছজিদটো পূৰ্বতে থকা স্থানতে আৰচিচি আৰ্হিত দুমহলীয়াকৈ নিৰ্মাণৰ ক্ষেত্ৰত হিন্দু পৰিয়ালকেইটায়ো এনেদৰে সহযোগিতা আগবঢ়োৱা কাৰ্যক সচেতন মহলে প্ৰশংসাও কৰিছে। ধৰ্মীয় উপাসনাস্থলী আটকধুনীয়া হ'লে গাঁওখনৰ পৰিৱেশ উন্নত হ'ব আৰু সকলোৰে মন পবিত্ৰ হৈ থাকিব। ছয় পৃষ্ঠাত চাওক

## অমৰনাথ যাত্ৰাৰ নিৰাপত্তাত এইবাৰ চাৰিগুণ অধিক নিৰাপত্তাৰক্ষী নিয়োগ




**নিউজ ব্যুৰ', ডেৰাডুন, ৩০ জুন ঃ** পবিত্ৰ অমৰনাথ গুহা দৰ্শনৰ বাবে আজি পুৱাৰে পৰা তীৰ্থযাত্ৰীয়ে কঠোৰ নিৰাপত্তাৰ মাজৰে তীৰ্থযাত্ৰা আৰম্ভ কৰে। আধাৰ শিবিৰৰ পৰা ৰাওনা হোৱা প্ৰতিটো গোটত কমেও ১০,০০০ তীৰ্থযাত্ৰীয়ে অংশ লৈছে। এইবাৰৰ অমৰনাথ যাত্ৰাৰ বাবে তিনি লাখ তীৰ্থযাত্ৰীয়ে নিজৰ নাম পঞ্জীয়ন কৰিছে। ক'ভিড অতিমাৰীৰ কাৰণত বিগত দুবছৰ ধৰি অমৰনাথ তীৰ্থযাত্ৰা বন্ধ ৰখা হৈছিল। এইবাৰ তীৰ্থযাত্ৰীসকলৰ নিৰাপত্তাৰ দিশত বিশেষ গুৰুত্ব দিয়া হৈছে। এই তীৰ্থযাত্ৰাৰ আয়োজকে প্ৰকাশ কৰা অনুসৰি, তীৰ্থযাত্ৰীসকলৰ নিৰাপত্তা পূৰ্বৰ তুলনাত চাৰিগুণ এইবেলি বৃদ্ধি কৰা হৈছে।

## ৰাম মন্দিৰৰ বাবে ডেৰ মাহত ৩৪০০ কোটি টকাৰ বৰঙণি, মুঠ ৫৫০০ কোটি টকা হ'ল সংগ্ৰহ



নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩০ জুন ঃ অযোধ্যাত নিৰ্মাণকাৰ্য অব্যাহত থকা ৰাম মন্দিৰৰ বাবে যথেষ্ট সংখ্যক দান-বৰঙণি লাভ কৰা হৈছে। বিগত ডেৰ মাহত ৰাম মন্দিৰ নিৰ্মাণৰ বাবে ৩৪০০ কোটি টকাৰ বৰঙণি সংগ্ৰহ কৰা হৈছে। বৰ্তমানলৈকে ৰাম মন্দিৰ নিৰ্মাণৰ বাবে মুঠ ৫৫০০ কোটি টকাৰ চান্দা সংগ্ৰহ কৰা হ'ল। শ্ৰীৰাম জনমভূমি তীৰ্থক্ষেত্ৰ ন্যাসে প্ৰকাশ কৰা অনুসৰি চলিত বৰ্ষৰ ১৫ জানুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীৰ সময়ছোৱাত এক বিশেষ অভিযানৰ জৰিয়তে অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণৰ বাবে ৩৪০০ কোটি টকাৰ চান্দা সংগ্ৰহ কৰা হ'ল। একাংশ ভক্তই এই মন্দিৰটো নিৰ্মাণৰ বাবে ৫০ হেজাৰ টকাৰ পৰা এক লাখ টকালৈকে বৰঙণি আগবঢ়াইছে। উল্লেখ্য যে মন্দিৰটোৰ নিৰ্মাণত মুঠ ১,১০০ কোটি টকা ব্যয় কৰা হ'ব।

## ইজৰাইলৰ আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে প্ৰধানমন্ত্ৰী বেনেটে



**নিউজ ব্যুৰ', জেৰুজালেম, ৩০ জুন ঃ** ইজৰাইলত চাৰি বছৰৰ পঞ্চমবাৰৰ বাবে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনৰ পূৰ্বে দেশখনৰ প্ৰধানমন্ত্ৰী নাফতালি বেনেটে ঘোষণা কৰি কয় যে আগন্তুক নিৰ্বাচনত তেওঁ প্ৰাৰ্থী হিচাপে থিয় নিদিয়ে। অৱশ্যে ইজৰাইলৰ বিশ্বস্ত সৈনিক হিচাপে আজীৱন কাম কৰি যাব বুলি বেনেটে প্ৰতিশ্ৰুতি দিয়ে। কিছুদিন পূৰ্বে দেশৰ সংসদ ভংগ কৰিবলৈ বেনেট চৰকাৰে বিধেয়ক দাখিল কৰিছিল। অহা অক্টোবৰত দেশখনত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। নিৰ্বাচনৰ দিন ঘোষণাৰ পূৰ্বে হঠাতে বেনেটে ঘোষণা কৰি কয়, 'কিছুদিনৰ ভিতৰতে প্ৰধানমন্ত্ৰী হিচাপে মোৰ কাৰ্যকালৰ অন্ত পৰিব। আগন্তুক নিৰ্বাচনত পুনৰ প্ৰতিদ্বন্দ্বিতা কৰিব নিবিচাৰো। অৱশ্যে ইজৰাইলৰ বিশ্বস্ত সৈনিক হিচাপে সকলো সময়তে কাম কৰি যাম।'

## অগ্নিপথ আঁচনিৰ বিৰুদ্ধে পঞ্জাৱ বিধানসভাত গৃহীত প্ৰস্তাৱ



**নিউজ ব্যুৰ', চণ্ডীগড়, ৩০ জুন ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে আজি বিধানসভাত কেন্দ্ৰৰ অগ্নিপথ নিযুক্তি আঁচনিৰ বিৰুদ্ধে এক প্ৰস্তাৱ দাখিল কৰে। বিধানসভাৰ বাজেট অধিবেশনৰ মাজতে মুখ্যমন্ত্ৰীজনে এই প্ৰস্তাৱ উত্থাপন কৰে। এই প্ৰস্তাৱৰ জৰিয়তে ৰাজ্য চৰকাৰখনে কেন্দ্ৰীয় চৰকাৰক ততালিকে অগ্নিপথ আঁচনি প্ৰত্যাহাৰ কৰাৰ দাবী জনাইছিল। মুখ্যমন্ত্ৰী মানে অগ্নিপথ আঁচনি দেশৰ হিতবিৰোধী বুলি অভিহিত কৰে। পাছত বিধানসভাত এই প্ৰস্তাৱ গৃহীত হয়।

## দুবছৰ পাছত চীনৰ বাহিৰলৈ ভ্ৰমণ ৰাষ্ট্ৰপতি জিনপিং



**নিউজ ব্যুৰ', বেইজিং, ৩০ জুন ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণ বিশ্বৰ ভিতৰতে প্ৰথমে চীনত ধৰা পৰিছিল। ইয়াৰ পাছতে সমগ্ৰ বিশ্বতে এই মাৰাত্মক ভাইৰাছে ভয়াৱহ আতংকৰ সৃষ্টি কৰিছিল।

ক'ভিড কালত বিগত দুবছৰ ধৰি নিজ দেশৰ বাহিৰলৈ ওলোৱা নাছিল চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং। ২০২০ বৰ্ষৰ পাছত প্ৰথমবাৰলৈ চীনৰ বাহিৰত প্ৰত্যক্ষ হ'ল জিনপিঙক। দৰাচলতে জিনপিঙে হংকঙৰ বাৰ্ষিক সমাৰোহত অংশ ল'বলৈ অৱশেষত বেইজিঙৰ বাহিৰ ওলাবলৈ বাধ্য হ'ল। চীনৰ ৰাষ্ট্ৰপতিয়ে ব্ৰিটেইনে হংকঙক চীনক অৰ্পণ কৰাৰ ২৫ সংখ্যক বৰ্ষপূৰ্তিত অংশ ল'বলৈ দুবছৰ বিৰতিৰ পাছত দেশৰ বাহিৰলৈ ভ্ৰমণসূচী গ্ৰহণ কৰিলে।

**২০৩০ বৰ্ষত চীনৰ চহৰীয়া জনসংখ্যা ১.০৫ বিলিয়ন হ'ব ঃ ২০৫০ত বিশ্বত চহৰৰ জনসংখ্যা ২.২ বিলিয়ন বৃদ্ধি পাব**

# ২০৩৫ বৰ্ষলৈ ৬৭.৫ কোটিলৈ বৃদ্ধি পাব ভাৰতৰ চহৰীয়া জনসংখ্যা

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ জুন ঃ** ভাৰতৰ চহৰত বাস কৰা জনসংখ্যা ২০৩৫ বৰ্ষলৈকে ৬৭.৫ কোটিলৈ বৃদ্ধিৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদনত এই তথ্য উল্লেখ কৰা হৈছে। এই প্ৰতিবেদনৰ তথ্য অনুসৰি ক'ভিড-১৯ৰ আগমনৰ পাছত বিশ্বত চহৰত বাস কৰা জনসংখ্যা কিছু হ্ৰাস পাইছিল যদিও ২০৫০ বৰ্ষলৈকে চহৰীয়া জনসংখ্যা ২.২ বিলিয়ন বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰসংঘৰ এই প্ৰতিবেদনত বিশেষজ্ঞই কয় যে ক'ভিড অতিমাৰীয়ে চহৰীকৰণ প্ৰক্ৰিয়াটোক অস্থায়ীভাৱে প্ৰভাৱিত কৰিছিল যদিও ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাৰ লগে লগে পুনৰ চহৰ অঞ্চলত বাস কৰা লোকৰ সংখ্যা ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। বৰ্তমানে যি হাৰত চহৰৰ জনসংখ্যা বৃদ্ধি অব্যাহত আছে সেই ধাৰা বাহাল থাকিলে ২০৫০ বৰ্ষত বিশ্বত চহৰত বাস কৰা জনসংখ্যা ২.২ বিলিয়ন বৃদ্ধি পাব।



ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনৰ তথ্য অনুসৰি ২০৩৫ বৰ্ষত ভাৰতত চহৰত বাস কৰা লোকৰ সংখ্যা ৬৭,৫৪,৫৬,০০০ জনলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে ২০২০ বৰ্ষত ভাৰতত চহৰত বাস কৰা জনসংখ্যা আছিল ৪৮,৩০,৯৯,০০০ জন। দেশৰ চহৰীয়া লোকৰ সংখ্যা ২০২৫ বৰ্ষত ৫৪,২৭,৪৩,০০০ আৰু ২০৩০ বৰ্ষলৈকে ৬০,৭৩,৪২,০০০ জনলৈ বৃদ্ধিৰ সম্ভাৱনা আছে বুলি প্ৰতিবেদনত উল্লেখ কৰিছে। ২০৩৫ বৰ্ষলৈ ভাৰতত চহৰত বাস কৰা লোকৰ সংখ্যা মুঠ জনসংখ্যাৰ ৪৩.২ শতাংশ হ'ব।

ৰাষ্ট্ৰসংঘৰ এই প্ৰতিবেদনত প্ৰকাশ পোৱা মতে, ২০৩০ বৰ্ষত চীনৰ চহৰীয়া জনসংখ্যা ১.০৫ বিলিয়নলৈ বৃদ্ধি পাব। একেদৰে উক্ত বৰ্ষত এছিয়াৰ চহৰত বাস কৰা জনসংখ্যা ২.৯৯ বিলিয়ন হোৱাৰ সম্ভাৱনা আছে। দক্ষিণ এছিয়াত ২০৩০ বৰ্ষত চহৰীয়া জনসংখ্যা ৯৮.৭৬ জনলৈ বৃদ্ধিৰ সম্ভাৱনা আছে। একেখন প্ৰতিবেদনত কোৱা হৈছে যে এছিয়াত বিগত দুই দশকত চীন আৰু ভাৰতত আৰ্থিক বিকাশ আৰু চহৰীকৰণ প্ৰক্ৰিয়া দ্ৰুত গতিৰে বৃদ্ধি পাইছে। এই দুই দেশত দৰিদ্ৰ লোকৰ সংখ্যা ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে বুলিও ৰাষ্ট্ৰসংঘৰ উক্ত প্ৰতিবেদনত প্ৰকাশ। ২০৫০ বৰ্ষলৈকে বিশ্বৰ মুঠ জনসংখ্যাৰ ৬৮ শতাংশ চহৰবাসী হোৱাৰ সম্ভাৱনা আছে। বৰ্তমানে বিশ্বৰ মুঠ জনসংখ্যাৰ ৫৬ শতাংশই চহৰত বাস কৰে। চহৰত বাস কৰিলেও অৱশ্যে বৰ্তমানেও বিশ্বৰ এক বৃহৎ সংখ্যক জনসংখ্যাই দাৰিদ্ৰ আৰু বৈষম্যৰ মাজত জীৱন অতিবাহিত কৰিছে।

## তালিবানৰ সভাত মহিলাক প্ৰতিনিধিত্ব কৰিলে পুৰুষে



**নিউজ ব্যুৰ' কাবুল, ৩০ জুন ঃ** চৰিত্ৰ সলনি হোৱা নাই আফগানিস্তানৰ শাসক তালিবানৰ। কাবুল দখলৰ পাছত নৰমপন্থী নীতিৰে চৰকাৰ পৰিচালনা কৰিব বুলি তালিবানে ঘোষণা কৰিছিল যদিও বাস্তৱত চৰমপন্থী নীতিয়ে অৱলম্বন অব্যাহত ৰাখিছে তালিবানে। বিশেষকৈ মহিলাক ঘৰতে বন্দী কৰি ৰখাৰ ক্ষেত্ৰত যথেষ্ট তৎপৰ হৈছে তালিবান শাসক। এইবাৰ আফগান জাতীয় ঐক্য সভাত মহিলাৰ প্ৰতিনিধিত্ব পুৰুষে কৰিব বুলি ঘোষণা কৰিলে তালিবানৰ উপপ্ৰধানমন্ত্ৰী মৌলাই আব্দুল ছালাম হানাফিয়ে। আজি কাবুলৰ লয়া জিয়গা প্ৰেক্ষাগৃহত জাতীয় ঐক্য সভা অনুষ্ঠিত হৈছে আৰু এই সভাত দেশখনৰ কমেও তিনি হেজাৰ মুছলমান ধৰ্মগুৰু আৰু আদিবাসী গোষ্ঠীৰ জ্যেষ্ঠ নাগৰিক উপস্থিত আছিল। এই সভাতে পুৰুষে মহিলাৰ হৈ প্ৰতিনিধিত্ব কৰিলে।

## অন্তিম দিনলৈকে ক্ষমতাৰ মোহ এৰিব নোৱাৰিলে থাকৰেয়ে ঃ নৱনীতৰ কটাক্ষ



**নিউজ ব্যুৰ', মুম্বাই, ৩০ জুন ঃ** আঢ়ৈ বছৰ ধৰি মহাৰাষ্ট্ৰত চৰকাৰ পৰিচালনা কৰাৰ পাছত উদ্ধৱ থাকৰেয়ে যোৱা নিশা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী পদ ত্যাগ কৰে। ইয়াৰ পাছৰে পৰা প্ৰাক্তন মুখ্যমন্ত্ৰীজনক বিৰোধীৰ লগতে আন বহু লোকে সামাজিক মাধ্যমত তীব্ৰ কটাক্ষ কৰিছে। অমৰাৱতীৰ নিৰ্দলীয় সাংসদ নৱনীত ৰাণাই থাকৰেক ক্ষমতালোভী বুলি অভিহিত কৰি কয় যে চৰকাৰৰ পতন নিশ্চিত বুলি বহু আগেয়ে জনাৰ পাছতো অন্তিম মুহূৰ্তলৈকে থাকৰেয়ে মুখ্যমন্ত্ৰী পদৰ প্ৰতি মোহ এৰিব নোৱাৰিলে। এটা টিভি চেনেলৰ সাক্ষাৎকাৰত সাংসদ নৱনীতে মন্তব্য কৰি কয়, 'তেওঁ পদত্যাগ কৰোতে পলম কৰিলে। যিদিনা তেওঁৰ দলৰ ৪০ সদস্যই ঘৰ ত্যাগ কৰি বাহিৰলৈ গৈছিল, সেইদিনাই তেওঁ ইস্তফা দিব লাগিছিল। অন্তিম দিনলৈকে পদৰ প্ৰতি যি লোভ তেওঁ প্ৰদৰ্শন কৰিলে, তাৰ বাবে তেওঁ জবাবদিহি হ'ব লাগিব।' উল্লেখ্য যে নৱনীত আৰু তেওঁৰ স্বামী ৰবি ৰাণাই লাউড স্পীকাৰ বিতৰ্কৰ সময়ত থাকৰেৰ বাসগৃহৰ বাহিৰত হনুমান চালিচা পাঠ কৰিবলৈ গৈ আৰক্ষীৰ দ্বাৰা গ্ৰেপ্তাৰ হৈছিল আৰু পাছত কাৰাগাৰলৈও গৈছিল।

## ইমৰানে বিদেশী নেতাৰ পৰা উপহাৰত লাভ কৰা ঘড়ী বিক্ৰী কৰিলে ৩.৬ কোটি টকাত

**নিউজ ব্যুৰ' ইছলামাবাদ, ৩০ জুন ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা পাকিস্তান তেহৰিক এ ইনছাফৰ মুৰব্বী ইমৰান খানে বিদেশী নেতাৰ পৰা উপহাৰ হিচাপে লাভ কৰা তিনিটা বিলাসী ব্ৰেণ্ডৰ ঘড়ী অবৈধভাৱে বিক্ৰী কৰি ৩.৬ কোটি টকা উপাৰ্জন কৰিলে। পাকিস্তানৰ সংবাদ মাধ্যমত শেহতীয়াভাৱে এই তথ্য প্ৰকাশ পালে। ইমৰানে পাকিস্তানৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ছোৱাত বিদেশৰ ৰাষ্ট্ৰনেতাৰ পৰা ৰত্নখচিত মূল্যবান ঘড়ী উপহাৰ লাভ কৰিছিল আৰু এই ঘড়ীৰ মুঠ মূল্য আছিল ১৫.৪ কোটি টকা। ইয়াৰে সবাতোকৈ অধিক মূল্যৰ ঘড়ীটোৰ মূল্য আছিল ১০.১ কোটি টকা। প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে ৰাজকোষৰ নিয়ম সলনি কৰি এই বিলাসী ঘড়ীটো মাত্ৰ ২০ শতাংশ মূল্য আদায় দি নিজৰ লগত ৰাখিলে। নিজৰ শাসনকালত ইমৰানে চৰকাৰৰ ৰাজকোষৰ নীতি সলনি কৰি উপহাৰত লাভ কৰা যিকোনো সামগ্ৰীৰ আধামূল্য আদায় দি শাসকে নিজৰ সম্পদত পৰিণত কৰিব পাৰিব বুলি নতুন নিয়ম প্ৰৱৰ্তন কৰিছিল। এইদৰে ইমৰানে অবৈধভাৱে ১৫.৪ কোটিটকীয়া তিনিটা ঘড়ী মাত্ৰ ৩.৬ কোটি টকা ৰাজকোষত আদায় দি নিজৰ কৰি লৈছিল বুলি পাক সংবাদ মাধ্যমত প্ৰকাশ।



## দেশত ৩.৫৯ কোটি উপভোক্তাই এবছৰত এটাও ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয় নকৰিলে

**নিউজ ব্যুৰ', ইণ্ডোৰ, ৩০ জুন ঃ** দেশত ৰন্ধন গেছৰ মূল্যবৃদ্ধি অব্যাহত থকাৰ সময়তে চিলিণ্ডাৰৰ ক্ৰয়ৰ সন্দৰ্ভত এক চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিল। তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে লাভ কৰা পৰিসংখ্যা অনুসৰি দেশৰ ৰাজহুৱা খণ্ডৰ তিনিটা তৈল বিপণন প্ৰতিষ্ঠানৰ মুঠ ৩.৫৯ কোটি ঘৰুৱা ৰন্ধন গেছৰ গ্ৰাহকে বিগত ২০২১-২২ বিত্তীয় বৰ্ষত এটাও চিলিণ্ডাৰ ক্ৰয় কৰা নাছিল। ইফালে, দেশৰ ১.২৯ কোটি ৰন্ধন গেছৰ গ্ৰাহকে উক্ত বিত্তীয় বৰ্ষত মাত্ৰ এবাৰহে চিলিণ্ডাৰ ক্ৰয় কৰিছিল। ৰন্ধন গেছৰ অত্যধিক মূল্যবৃদ্ধিৰ ফলতে এইসকল উপভোক্তাই চিলিণ্ডাৰ ক্ৰয়ৰ পৰা বিৰত থকা বুলি ধাৰণা কৰা হৈছে।



## ৫৮ কমাণ্ডো, ইজৰাইলত প্ৰশিক্ষিত ২০ গাৰ্ডৰ নিৰাপত্তা বেহুত থাকে আম্বানী




**নিউজ ব্যুৰ', মুম্বাই, ৩০ জুন ঃ** ২০১৩ বৰ্ষত তদানীন্তন চৰকাৰে দেশৰ আগশাৰীৰ উদ্যোগপতি তথা ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ মুৰব্বী মুকেশ আম্বানী আৰু তেওঁৰ পৰিয়ালক জেড পৰ্যায়ৰ নিৰাপত্তা প্ৰদান কৰিছিল। অৱশ্যে পাছত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ শংকাৰ প্ৰতি লক্ষ্য ৰাখি আম্বানীৰ নিৰাপত্তা ব্যৱস্থা জেড প্লাছলৈ বৃদ্ধি কৰা হৈছিল। আম্বানীয়ে হৈছে ভাৰতৰ প্ৰথমজন উদ্যোগপতি যাক চৰকাৰে জেড নিৰাপত্তা প্ৰদান কৰিছে। তথ্য অনুসৰি, আম্বানী আৰু তেওঁৰ পৰিয়ালক নিৰাপত্তা প্ৰদানৰ বাবদ প্ৰতি মাহে ১৫-২০ লাখ টকা ব্যয় কৰা হয় আৰু এই ধন আম্বানীয়ে নিজে ব্যয় কৰি আহিছে। সাধাৰণতে এনে নিৰাপত্তাৰ ব্যয় চৰকাৰে বহন কৰে। কিন্তু আম্বানীয়ে তেওঁৰ নিৰাপত্তাৰ সমগ্ৰ ব্যয় নিজে বহন কৰে। আম্বানীৰ নিৰাপত্তা ব্যৱস্থাত এন এছ জি, চি আৰ পি এফ আৰু ব্যক্তিগত নিৰাপত্তা গাৰ্ডৰ ছয়ৰ পৰা সাতখন গাড়ী অন্তৰ্ভুক্ত কৰা হয়। আম্বানীৰ পৰিয়ালক নিৰাপত্তা প্ৰদানৰ বাবে ইজৰাইলৰ পৰা বিশেষভাৱে প্ৰশিক্ষিত ২০ জন ব্যক্তিগত ছিকিউৰিটি গাৰ্ডকো নিয়োজিত কৰা হৈছে। আম্বানীৰ নিৰাপত্তা বাহিনীয়ে ব্যৱহাৰ কৰা বাহনসমূহ হৈছে বুলেটপ্ৰুফ। আম্বানীয়ে সাধাৰণতে নিজৰ ২.৫ কোটিটকীয়া বুলেটপ্ৰুফ মাৰ্চিডিজ গাড়ীখনত ভ্ৰমণ কৰিবলৈ ভাল পায়। আম্বানীৰ স'তে নিৰাপত্তা প্ৰদানৰ স'তে থকা ছিকিউৰিটি গাৰ্ডেও মাৰ্চিডিজ, ৰেঞ্জ ৰ'ভাৰৰ দৰে বিলাসী গাড়ী ব্যৱহাৰ কৰে। আম্বানীৰ নিৰাপত্তাত নিয়োজিত হৈ আহিছে ৫৮ কমাণ্ডো আৰু ইজৰাইলত প্ৰশিক্ষিত ২০ জন ব্যক্তিগত নিৰাপত্তাৰক্ষী।

## চতুৰ্থ ঢৌৰ শংকা বৃদ্ধিৰে দৈনিক সংক্ৰমণ ১৮ হেজাৰলৈ বাঢ়িল

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ জুন ঃ** বৃহস্পতিবাৰে দেশত পুনৰ দৈনিক ক'ভিড সংক্ৰমণ যথেষ্ট বৃদ্ধি পালে। বিগত ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ১৮,৮১৯ জন লোক। তদুপৰি বিগত এদিনত দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা এক লাখ চাৰি হেজাৰ ৫৫৫ জনলৈ বৃদ্ধি পালে। ক'ভিডৰ সক্ৰিয় ৰোগীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বিশেষজ্ঞসকলে ভাৰতত কৰ'নাৰ চতুৰ্থ ঢৌৰ শংকা প্ৰকাশ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত পুনৰ ৩৯ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বিগত এদিনত কেৰালাত চাৰি হেজাৰৰ অধিক লোক এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হ'ল। মহাৰাষ্ট্ৰ, তামিলনাডুতো দৈনিক সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে।



## অভিনেত্ৰী স্বৰাক হত্যাৰ ভাবুকি, তদন্ত মুম্বাই আৰক্ষীৰ



**নিউজ ব্যুৰ', মুম্বাই, ৩০ জুন ঃ** বলিউডৰ অভিনেত্ৰী স্বৰা ভাস্কৰে আৰক্ষীক দিয়া অভিযোগ অনুসৰি কোনো অজ্ঞাত পৰিচয় লোকে তেওঁক পত্ৰৰ জৰিয়তে হত্যাৰ ভাবুকি দিছে। অভিনেত্ৰীগৰাকীয়ে এই সন্দৰ্ভত বৰ্চভা আৰক্ষী থানাত অভিযোগ দাখিল কৰিলে। স্বৰাৰ পৰা এই অভিযোগ লাভৰ পাছত মুম্বাই আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। কোনো অজ্ঞাত পৰিচয় লোকে স্বৰাৰ বাসগৃহলৈ এখন ভাবুকি পত্ৰ প্ৰেৰণ কৰিছিল আৰু এই পত্ৰত অভিনেত্ৰীগৰাকীক হত্যাৰ ভাবুকি দিয়া হৈছিল। দুদিন পূৰ্বে স্বৰাই এই সন্দৰ্ভত আৰক্ষীক অভিযোগ দিছিল। পত্ৰপ্ৰেৰকে পত্ৰত উল্লেখ কৰা মতে, দেশৰ যুৱ প্ৰজন্মই বীৰ চাভাৰকাৰক স্বৰাই কৰা অপমানক সহ্য নকৰে আৰু ইয়াৰ প্ৰতিশোধ ল'ব। উল্লেখ্য যে কিছুদিন পূৰ্বে স্বৰাৰ বিৰুদ্ধে চাভাৰকাৰক অপমান কৰাৰ অভিযোগ উত্থাপিত হৈছিল।

## কৰ্মসংস্থাপনৰ অভাৱত দেশত তিনি বছৰত ২৫ হেজাৰ যুৱক-যুৱতীয়ে কৰিলে আত্মহত্যা, নিজ দলৰ চৰকাৰক সমালোচনা বৰুণৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ জুন ঃ** বিজেপিৰ সাংসদ বৰুণ গান্ধীয়ে আকৌ এবাৰ কেন্দ্ৰৰ নিজ দলৰ চৰকাৰক নিবনুৱা সমস্যাক লৈ জবাবদিহি কৰিলে। বিজেপিৰ সাংসদজনে কয় যে ২০১৮ৰ পৰা ২০২০ বৰ্ষৰ সময়ছোৱাত ভাৰতত কৰ্মসংস্থাপনহীনতাত ভুগি ২৫ হেজাৰ যুৱক-যুৱতীয়ে আত্মহত্যা কৰিলে। এই পৰিসংখ্যা প্ৰকাশ কৰি বৰুণে যথাসম্ভৱ শীঘ্ৰে খালী থকা চৰকাৰী পদত নিযুক্তিৰ দাবী উত্থাপন কৰে। 'ভাৰতত সংস্থাপনৰ অভাৱৰ কাৰণত যুৱ প্ৰজন্মৰ মাজত আত্মহত্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। যুৱ প্ৰজন্মক সংস্থাপন প্ৰদান কৰাটো চৰকাৰৰ কৰ্তব্য আৰু শীঘ্ৰে খালী থকা পদত নিযুক্তিৰ ব্যৱস্থা কৰক।' টুইটাৰত নিজ দলৰ চৰকাৰক এইদৰে পৰামৰ্শ দিলে বিজেপিৰ সাংসদজনে।


## পুটিন মহিলা হোৱা হ'লে ইউক্ৰেইন যুদ্ধ নহ'লহেঁতেন ঃ জনছনৰ মন্তব্য

**নিউজ ব্যুৰ', লণ্ডন, ৩০ জুন ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে কয় যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন যদি এগৰাকী মহিলা হ'লহেঁতেন তেন্তে তেওঁ উন্মাদৰ দৰে বলপূৰ্বক যুদ্ধ আৰম্ভ নকৰিলেহেঁতেন। জি-৭ শীৰ্ষ সন্মিলনত অংশ লোৱাৰ পাছত জাৰ্মানীত স্থানীয় সংবাদ মাধ্যমৰ এক সাক্ষাৎকাৰত ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে ৰুছ-ইউক্ৰেইনৰ যুদ্ধৰ প্ৰসংগত মন্তব্য কৰি কয় যে এই যুদ্ধৰ এক মূল কাৰণ হৈছে পুটিনে নিজৰ শক্তি প্ৰদৰ্শন কৰিব বিচাৰিছে। জনছনে কয়, 'পুটিন যদি মহিলা হ'লহেঁতেন, তেন্তে মই ভাবো যে সেই মহিলাই এইদৰে উন্মাদৰ দৰে আৰু বলপূৰ্বকভাৱে ইউক্ৰেইনত আক্ৰমণ নকৰিলেহেঁতেন।'



## উদ্ধৱৰ পদত্যাগত অভিনেত্ৰী কংগনাৰ প্ৰতিক্ৰিয়া ঃ অহংকাৰৰ অৱশেষত পতন হ'ল

**নিউজ ব্যুৰ', মুম্বাই, ৩০ জুন ঃ** মহাৰাষ্ট্ৰৰ ৰাজনীতিত ব্যাপক চাঞ্চল্য অব্যাহত থকাৰ সময়তে মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিলে শিৱসেনাৰ মুৰব্বী উদ্ধৱ থাকৰেয়ে। মহাৰাষ্ট্ৰৰ এই ৰাজনৈতিক সংকটৰ মাজতে পদত্যাগী মুখ্যমন্ত্ৰী উদ্ধৱক পুনৰ কটাক্ষ কৰিলে বলিউডৰ বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌটে। অভিনেত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত ভিডিঅ' বাৰ্তা শ্বেয়াৰ কৰি উদ্ধৱ আৰু তেওঁৰ পতন হোৱা চৰকাৰক বাক্যবাণৰে আঘাত হানিলে। কংগনাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, '১৯৭৫ৰ পাছত এই সময় হৈছে ভাৰতৰ গণতন্ত্ৰৰ সবাতোকৈ গুৰুত্বপূৰ্ণ সময়। ১৯৭৫ত লোকনেতা জয়প্ৰকাশ নাৰায়ণৰ এক হুংকাৰত সিংহাসনৰ পতন ঘটিছিল। ২০২০ত মই কৈছিলো যে গণতন্ত্ৰত মোৰ বিশ্বাস আছে আৰু ক্ষমতাৰ অহংকাৰত ভুগি যি ব্যক্তিয়ে এই বিশ্বাস ভংগ কৰিব বিচাৰে, সেই ব্যক্তিৰ অহংকাৰৰ পতন ঘটাটো নিশ্চিত। এয়া কোনো ব্যক্তি বিশেষৰ শক্তি নহয়, এই শক্তি হৈছে সঁচা চৰিত্ৰৰ। দ্বিতীয়তে হনুমানজীক শিৱৰ ১২ সংখ্যক অৱতাৰ গণ্য কৰা হয়। যেতিয়া শিৱসেনাই হনুমান চালিচা নিষিদ্ধ কৰিলে তেন্তে তেওঁলোকক শিৱই ৰক্ষা কৰিব নোৱাৰে। যেতিয়া পাপ বৃদ্ধি পায়, তেতিয়া সৰ্বনাশ হয় আৰু ইয়াৰ পাছতে নতুন সৃষ্টি হয়।' উল্লেখ্য যে থাকৰে চৰকাৰৰ বিগত আঢ়ৈ বছৰীয়া শাসনকালত অভিনেত্ৰী কংগনাৰ স'তে একাধিক বিষয়ত সংঘাতৰ সৃষ্টি হৈছিল। থাকৰেৰ চৰকাৰৰ নিৰ্দেশত বৃহন মুম্বাই পৌৰ নিগমে কংগনাৰ মুম্বাইস্থিত কাৰ্যালয়ত বুলডজাৰৰে উচ্ছেদ অভিযান চলাইছিল। ইয়াৰ পাছতে অভিনেত্ৰীগৰাকীয়ে ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাত এই অভিযান স্থগিত ৰাখিবলৈ আদালতে নিৰ্দেশ দিছিল। সেই সময়তে কংগনাই উদ্ধৱক প্ৰত্যাহ্বান জনাই কৈছিল, 'আজি মোৰ ঘৰ ভাঙিলে, কাইলৈ তোৰ ঘৰ ভাঙিব। অহংকাৰৰ পতন নিশ্চিত।' হঠাতে উদ্ধৱ চৰকাৰৰ পতন ঘটাত সেয়েহে এতিয়া সামাজিক মাধ্যমত কংগনাৰ এই মন্তব্য বিশেষভাৱে চৰ্চিত হৈছে।



### তীব্ৰ বিৰোধিতা বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ

# কেঁচা চাহপাতৰ ওপৰত পাঁচ শতাংশ জিএছটি

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩০ জুন ঃ** কেঁচা চাহপাতৰ ওপৰত পাঁচ শতাংশ জিএছটি বলৱৎ কৰিবলৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত অনুষ্ঠিত জিএছটি সমিতিয়ে লোৱা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই। সন্থাৰ সম্পাদক ভাৰত কলিতাই আজি এই কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰি কয় যে অসমৰ ২৮খন জিলাৰ ৰাইজ বানত ককবকাই থকাৰ সময়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সমিতিৰ এটা অবিবেচকী সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমত এনেয়ে কেঁচা পাতৰ উৎপাদন হ্ৰাস পোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে এই সিদ্ধান্তই ক্ষুদ্ৰ চাহ খেতিয়কসকলক এইবাৰ দুৰ্যোগৰ মুখলৈ ঠেলি দিব বুলি কয়। এনে হঠকাৰী সিদ্ধান্ত বাতিল কৰিবৰ বাবে তেওঁ বিত্তমন্ত্ৰী সীতাৰমণৰ ওচৰত দাবী জনায়। বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতিজনে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক অসমৰ ক্ষেত্ৰত এই নীতি প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। অসমত যদিহে কেঁচা চাহপাতৰ ওপৰত ৫০ শতাংশ জিএছটি ল'বলৈ যায় তেন্তে অসমৰ অৰ্থনীতিলৈ এক বিশেষ অৱদান আগবঢ়াই অহা চাহ উদ্যোগলৈ বিপৰ্যয় নমাই অনাটো নিশ্চিত বুলি তেওঁ আশংকা প্ৰকাশ কৰে আৰু শীঘ্ৰে এনে সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। বিশ্বনাথ আঞ্চলিক সমিতি, সকোমঠা আঞ্চলিক সমিতি, পাভৈ আঞ্চলিক সমিতিয়েও ইয়াৰ তীব্ৰ বিৰোধিতা কৰে।

## আদিবাসীৰ আঠদফীয়া দাবীৰ সমৰ্থনত নতুন দিল্লীত ছেংগেল অভিযানৰ ধৰ্ণা



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৩০ জুন ঃ** ছাৰণা ধৰ্মক স্বীকৃতি দি কলম কোড প্ৰদানকে আদি কৰি আঠদফীয়া দাবীৰ সমৰ্থনত আজি আদিবাসী ছেংগেল অভিযানে দেশৰ ৰাজধানী নতুন দিল্লীৰ যন্তৰ-মন্তৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ ৰাষ্ট্ৰীয় অধ্যক্ষ তথা প্ৰাক্তন সাংসদ ছালখান মুৰ্মুৰ নেতৃত্বত দেশৰ বিভিন্ন ৰাজ্যত বসবাস কৰা আদিবাসীসকলৰ আঠদফীয়া দাবীক লৈ আয়োজিত উক্ত ধৰ্ণা কাৰ্যসূচীত প্ৰবল বৰষুণকো নেওচি দেশৰ পাঁচখন আদিবাসী অধ্যুষিত ৰাজ্য বিহাৰ, পশ্চিমবংগ, ওড়িছা, ঝাৰখণ্ড আৰু অসমৰ উপৰি প্ৰতিবেশী দেশ নেপাল আৰু বাংলাদেশৰ পৰাও ছেংগেল অভিযানৰ সহস্ৰাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ধৰ্ণাৰ অন্তত ছেংগেল অভিযানৰ ৰাষ্ট্ৰীয় নেতা মুৰ্মুৰ নেতৃত্বত অতি শীঘ্ৰে ছাৰণা ধৰ্মক মান্যতা প্ৰদান কৰি আগন্তুক দিনত হ'বলগীয়া লোকপিয়লৰ ধৰ্মৰ কলমত ছাৰণা ধৰ্মক লিপিবদ্ধ কৰাৰ দাবী জনাই ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰা হয়। তদুপৰি আজিৰ ধৰ্ণা কাৰ্যসূচীত অসমৰ আদিবাসীসকলক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ দাবীত অসমৰ ৰাজধানী গুৱাহাটীত শীঘ্ৰে এক বিশাল গণ সমাবেশৰ আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হয় বুলি সংগঠনটোৰ অসম ৰাজ্যিক সমিতিৰ সাধাৰণ সম্পাদক ডানিয়েল হেম্ব্ৰমে এক বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে।

### অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ অভিযোগ

## ডলু চাহ বাগিচাৰ তলাবন্ধৰ আঁৰত ৰাজ্য চৰকাৰ-মালিকৰ নিকৃষ্ট ষড়যন্ত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**তেজপুৰ, ৩০ জুন ঃ** ডলু চাহ বাগিচাৰ তলাবন্ধ প্ৰকৃততে ৰাজ্য চৰকাৰ আৰু চাহ বাগিচাৰ মালিক পক্ষৰ নিকৃষ্ট ষড়যন্ত্ৰৰ অংশ বুলি অভিযোগ উত্থাপন কৰিছে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই। আজি অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিবেক দাস আৰু সাধাৰণ সম্পাদক জিতেন তাঁতীয়ে এক বিজ্ঞপ্তিযোগে ডলু চাহ বাগিচাৰ তলাবন্ধ ঘোষণা কৰা কাৰ্যক অসম চৰকাৰ আৰু ডলু চাহ বাগিচাৰ মালিক পক্ষৰ নিকৃষ্ট ষড়যন্ত্ৰৰ অংশ বুলি অভিহিত কৰিছে। বিবৃতিত উল্লেখ কৰা অনুসৰি, ডলু চাহ বাগিচাৰ উচ্ছেদৰ ক্ষেত্ৰত ডলু চাহ বাগিচা কৰ্তৃপক্ষৰ কুটিল চক্ৰান্ত আৰু চৰকাৰী মিথ্যাচাৰৰ নগ্ন স্বৰূপ ফাদিল হোৱাৰ পাছত সমগ্ৰ অসমজুৰি চাহ শ্ৰমিকৰ মাজত অসন্তোষ বৃদ্ধি পাইছিল আৰু ক'বলৈ গ'লে চৰকাৰৰ বিশ্বাসযোগ্যতাৰ ওপৰতে প্ৰশ্ন উত্থাপন হৈছিল। বিজ্ঞপ্তিটোত লগতে কোৱা হয় যে চুক্তি মতে চাহ শ্ৰমিকক দিবলগীয়া বকেয়া ধনসমূহ চাহ শ্ৰমিকক আদায় নিদিয়াৰ বাবেও কৰ্তৃপক্ষক অজুহাতৰ প্ৰয়োজন আছিল। চাহ শ্ৰমিকসকলক দমন আৰু প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ বাবেই ষড়যন্ত্ৰমূলকভাৱে বাগিচাখনত তলাবন্ধ কৰা হৈছে বুলি সংগঠনটোৱে মন্তব্য কৰি এই তলাবন্ধ শীঘ্ৰে প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে। লগতে চুক্তি মতে, সকলো শ্ৰমিকক অনাদায় হৈ থকা ভৱিষ্যনিধি আৰু গ্ৰেচ্যুইটিৰ ধন আৰু নিয়মীয়া মজুৰি আদায় দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে সংগঠনটোৱে। চুক্তি স্বাক্ষৰকাৰী ইউনিয়নসমূহকো তলাবন্ধৰ বিৰুদ্ধে থিয় দিবলৈ আৰু চুক্তি কাৰ্যকৰী কৰাৰ বাবে প্ৰশাসনক বাধ্য কৰোৱাৰ ক্ষেত্ৰত হেঁচা দিবলৈ অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই আহ্বান জনাইছে।

## কলিয়াবৰত অসম সত্ৰ মহাসভাৰ সাধাৰণ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৩০ জুন ঃ** অসম সত্ৰ মহাসভাৰ দক্ষিণ-পশ্চিম মধ্য মণ্ডলৰ অন্তৰ্গত জিলাসমূহৰ সভাপতি-সম্পাদক প্ৰমুখ্যে বিষয়ববীয়াসকলৰ এখন সাধাৰণ সভা কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ আতিথ্যত কলিয়াবৰৰ গোনামৰা সত্ৰস্থিত কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ নাটঘৰত আজি দিনৰ ১১ বজাত অনুষ্ঠিত হৈ যায়। অসম সত্ৰ মহাসভাৰ অন্যতম উপ-সভাপতি তথা শ্ৰীশ্ৰী খৌৰামোচৰ সত্ৰৰ সত্ৰাধিকাৰ দুগ্ধদেৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক তথা শ্ৰীশ্ৰী কালশিলা সত্ৰৰ সত্ৰাধিকাৰ কুসুম কুমাৰ মহন্তই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি সত্ৰীয়া কলা সংস্কৃতি প্ৰচাৰ, প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰত সত্ৰ মহাসভাই গ্ৰহণ কৰি অহা কাৰ্যাৱলীসমূহৰ বহল ব্যাখ্যা দাঙি ধৰে। তেওঁ সাংগঠনিক দিশ শক্তিশালী কৰা আৰু জিলাসমূহৰ বিষয়ববীয়াসকলৰ মাজত সমন্বয় ৰক্ষাৰ ক্ষেত্ৰত মণ্ডলৰ সাধাৰণ সভাখন অতি প্ৰয়োজন বুলি মন্তব্য কৰে। তেওঁ পূৰ্ণাংগ সত্ৰসমূহে পঞ্চ সূত্ৰ মানি আগবাঢ়ি যোৱা উচিত বুলি গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰাৰ লগতে দক্ষিণ-পশ্চিম মধ্য মণ্ডলৰ অন্তৰ্গত জিলাসমূহৰ বিষয়ববীয়াসকলৰ দ্বিতীয়খন সাধাৰণ সভা অতি কম সময়ৰ ব্যৱধানত অনুষ্ঠিত কৰাৰ বাবে দক্ষিণ-পশ্চিম মধ্য মণ্ডলৰ দায়িত্বত থকা উপ-সভাপতি আৰু সম্পাদকক সভাত ধন্যবাদ জ্ঞাপন কৰে। সভাত অসম সত্ৰ মহাসভাৰ কোষাধ্যক্ষ ভুৱনেশ্বৰ মহন্ত, কাৰ্যনিৰ্বাহক সদস্য হৰিপ্ৰসাদ দাস উপস্থিত থকাৰ লগতে সন্মানীয় জিলা সভাপতি-সম্পাদক প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত থাকে। সভাৰ আঁত ধৰে অসম সত্ৰ মহাসভাৰ (দক্ষিণ-পশ্চিম মধ্য মণ্ডল) সম্পাদক তথা শ্ৰীশ্ৰী জগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীয়ে।

## বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণাৰ দাবীত আমিনগাঁৱত আছুৰ বিক্ষোভ



**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩০ জুন ঃ** অসমৰ অৰ্থনৈতিক ভেটি চূৰমাৰ কৰি পেলোৱা, অসমৰ বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্থায়ী সমাধান, অসমৰ বানপীড়িত জনসাধাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ পেকেজ প্ৰদানৰ লগতে বান-খহনীয়াত আক্ৰান্ত ৰাইজক পৰ্যাপ্ত সাহায্য প্ৰদান কৰি তথা পুনৰ সংস্থাপনৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত, আজি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই আমিনগাঁৱত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদস্থলীত প্ৰতিবাদকাৰীসকলে 'বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰক, বানপীড়িত লোকসকলৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বিশেষ পেকেজ ঘোষণা কৰক বানপানীত সৰ্বস্বান্ত হোৱা লোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰক, অসম চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায়' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। বিক্ষোভ কাৰ্যসূচীত উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাস আৰু কাৰ্যালয় সম্পাদক নিৰোদ কুমাৰ দাসে কয় যে অসমৰ অৰ্থনৈতিক ভেটি চূৰমাৰ কৰি পেলোৱা বানপানী আৰু খহনীয়া সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে সমাধান হ'বই লাগিব বুলি উল্লেখ কৰি অসমৰ সম্পদক ৰাষ্ট্ৰীয় সম্পদ হিচাপে গণ্য কৰা কেন্দ্ৰীয় চৰকাৰে অসমৰ এই বৃহৎ সমস্যাটোকো ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰিবই লাগিব। অসম চৰকাৰ তথা, অসমৰ সাংসদসকলেও এই বিষয়ত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰক বুলি মন্তব্য প্ৰদান কৰে। প্ৰতিবাদস্থলীত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি ভৱজ্যোতি ডেকা আৰু সাধাৰণ সম্পাদক পংকজ কলিতাই কয় যে অসমৰ বানপীড়িত লোকসকলৰ কাৰণে চৰকাৰে যেনেদৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল তেনেকুৱা পদক্ষেপ গ্ৰহণ কৰা নাই বুলি চৰকাৰক তীব্ৰ সমলোচনা কৰি বান-খহনীয়াত আক্ৰান্ত জনসাধাৰণক পৰ্যাপ্ত সাহায্য প্ৰদান কৰাৰ লগতে শিশু খাদ্য, চিকিৎসা সেৱা, পশুধনৰ খাদ্য আদি পৰ্যাপ্ত পৰিমাণৰ সাহায্য বিতৰণ হ'ব লাগিব বুলি উল্লেখ কৰি অতি শীঘ্ৰেই বানপানীত সৰ্বস্বান্ত হোৱা লোকক পুনৰ সংস্থাপনৰ ব্যৱস্থাৰ ল'ব লাগিব বুলি মন্তব্য প্ৰদান কৰে। আজিৰ এই কাৰ্যসূচীত উপস্থিত আছিল সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাস, প্ৰাক্তন উপদেষ্টা ৰুবুল চন্দ্ৰ দাস, লগতে জিলা ছাত্ৰ সন্থাৰ কে'বাগৰাকীও বিষয়ববীয়া, ৰঙিয়া মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জিতু ডেকা, সাধাৰণ সম্পাদক অৰুণ দাস উপস্থিত থাকে।

### দৰঙৰ দুই কীৰ্তিমানক সম্বৰ্ধনা

## ঘৰে ঘৰে সম্বৰ্ধনা দৰং গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ



**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩০ জুন ঃ** সদৌ অসম গৰিয়া- মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিৰ এটা সঁজাতী দলে সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত দৰঙলৈ সুনাম কঢ়িয়াই অনা ছিপাঝাৰৰ ট্ৰিনিতি জিনিয়ৰ কলেজৰ বিজ্ঞান শাখাৰ ছাত্ৰ তথা ৰাজ্যখনৰ ভিতৰতে প্ৰথম স্থান লাভ কৰা ধৃতিৰাজ বাস্তৱ কলিতা আৰু কলা শাখাত অষ্টম স্থান লাভ কৰা দীক্ষিতা চহৰীয়াৰ বাসগৃহলৈ গৈ জাতীয় গামোচা আৰু অভিনন্দন পত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএঞা, জিলা কাৰ্যকৰী সভাপতি আবু আয়ুব আনছাৰী আৰু জিলা সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোয়ে সুকীয়া সুকীয়াকৈ দুয়োগৰাকী কীৰ্তিমানৰ বাসগৃহলৈ গৈ পিতৃ-মাতৃ, ওচৰ-চুবুৰীয়া আৰু শুভাকাংক্ষী ৰাইজৰ উপস্থিতিত দুয়োগৰাকীকে সম্বৰ্ধনা জনায়।

সঁজাতী দলটোত জিলা উপ-সভাপতি মইনুল হক শইকীয়া, মিছবাহুল হুদা, জিলা সমিতিৰ আইন কোষৰ আহ্বায়ক হাফিজুল হক, বৰমপুৰ আঞ্চলিকৰ সভাপতি তৰাজুল হকে অংশগ্ৰহণ কৰাৰ উপৰি সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়ায়ো কাৰ্যসূচীত ভাগ লয়। ইপিনে, দৰঙৰ এখন আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় দলগাঁও চিলভাৰ ষ্টাৰ ইংলিছ হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত আটাইকেইটা বিষয়ত লেটাৰ নম্বৰৰে ডিষ্টিংচন লাভ কৰা ডানিছা আহমেদ আৰু ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত উৰ্ত্তীৰ্ণ হোৱা চাইমা চিৰিন, ডেকাৰগাঁও হাইস্কুলৰ পৰা পাঁচটা বিষয়ত লেটাৰ নম্বৰসহ ডিষ্টিংচন পোৱা নাইমা নাজমিন, সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দুটা বিষয়ত লেটাৰ নম্বৰসহ ষ্টাৰ লাভ কৰা মাচুম নাহিদ শইকীয়াকো পৰিষদৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএঞা, দৰং জিলা সমিতিৰ সভাপতি আমানুল্লাহ পাছু, কাৰ্যকৰী সভাপতি বাবুল মকচেদ আহমেদ, জিলা উপ- সভাপতি মইনুল হক শইকীয়া, দৰং জিলা সমিতিৰ সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, কেন্দ্ৰীয় জনগোষ্ঠীয় সম্পাদক ৰচিদ আহমেদ, জিলা সাংস্কৃতিক সম্পাদক আব্দুল ৰৌফ আহমেদ, মঙলদৈ নগৰ সমিতিৰ মীৰ চাহিল ইৰফান, দলগাঁও আঞ্চলিকৰ সভাপতি খবিৰুদ্দিন আহমেদ, সম্পাদক চাখিৰ ইমদাদ, ৰাজিবুৰ ৰহমান, ৰামহৰি আঞ্চলিকৰ সভাপতি দিলোৱাৰ হুছেইন, বাচেদ আলীয়ে কীৰ্তিমান কেইগৰাকীৰ গৃহলৈ গৈ সম্বৰ্ধনা জ্ঞাপন কৰে।

## সেনাবাহিনীত পূৰ্বৰ দৰে নিযুক্তি প্ৰদানৰ চৰকাৰক দাবী

**ছয়গাঁও, ৩০ জুন ঃ** কেন্দ্ৰীয় চৰকাৰৰ 'অগ্নিপথ আঁচনি'ৰ বিৰুদ্ধে আজি দক্ষিণ কামৰূপৰ ছয়গাঁও টাউনত থকা ৰাজীৱ ভৱনত যুৱ কংগ্ৰেছে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক আব্দুল ৰেজ্জাকে কেন্দ্ৰীয় চৰকাৰক শীঘ্ৰে অগ্নিপথ আঁচনি বাতিল কৰি সেনাবাহিনীত পূৰ্বৰ দৰে নিযুক্তি প্ৰদান কৰিবলৈ দাবী জনায়। চাৰি বছৰৰ বাবে দেশৰ সেনাবাহিনীত নিযুক্তি দিয়া প্ৰক্ৰিয়া কোনো কাৰণতে মানি ল'ব নোৱাৰি বুলি যুৱ কংগ্ৰেছৰ প্ৰতিনিধি ৰেজ্জাকে ব্যক্ত কৰে। আজিৰ সংবাদমেলত উপস্থিত আছিল অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক ৰেজ্জাক, কামৰূপ জিলা যুৱ কংগ্ৰেছৰ সভাপতি ত্ৰৈলোক্য লহকৰ, কাৰ্যকৰী সভাপতি নজমুল হক, সাধাৰণ সম্পাদক হজৰত আলী, ছয়গাঁও সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি মিৰ আখটাৰ আহমেদ, বনগাঁও যুৱ কংগ্ৰেছৰ সভাপতি কৌস্তভ চৌধুৰী, কামৰূপ জিলা কংগ্ৰেছৰ সম্পাদক নিবাৰণ চৌধুৰী, প্ৰাক্তন যুৱ কংগ্ৰেছী টাজু আহমেদ আদি। ৰেজ্জাকে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰি 'অগ্নিপথ আঁচনি'ৰ জৰিয়তে দেশৰ যুৱ প্ৰজন্মৰ ভৱিষ্যৎ ধ্বংস কৰিব ওলোৱা বুলি কয়।

## ঘগ্ৰাপাৰত বানত ৭১৮ হেক্টৰ কৃষিভূমিৰ ক্ষতিসাধন

### কৃষক সমাজলৈ কৃষি বিভাগৰ বীজ বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩০ জুন ঃ** নলবাৰী জিলাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৮১ খন গাঁও এইবেলি বানে সৰ্বস্তৰৰ লোকৰ বিস্তৰ ক্ষতিসাধন কৰিছে। বিশেষকৈ সংশ্লিষ্ট গাঁৱৰ কৃষক সমাজ বানৰ ফলত জুৰুলা হৈ পৰিছে। বানৰ পূৰ্বে অঞ্চলটোৰ কৃষকসকলে শালিধানৰ কঠীয়া সিঁচিছিল যদিও পানীত বুৰ যোৱাত সমস্ত কঠিয়াতলি বিনষ্ট হৈ পৰে। বানত জুৰুলা হোৱা কৃষকসকলক সকাহ দিবলৈ ইতিমধ্যে কৃষি বিভাগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখ্য যে ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুটা কৃষি উন্নয়ন চক্ৰৰ ৫৮,২১৪ জন লোকৰ প্ৰায় ৭১৮ হেক্টৰ কৃষিভূমি এইবাৰ বানত ক্ষতিগ্ৰস্ত হৈছে। বানৰ ফলত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে ঘগ্ৰাপাৰ কৃষি উন্নয়ন বিষয়া কাৰ্যালয়ে ইতিমধ্যে 'কমিউনিটি নাৰ্ছাৰী' শীৰ্ষক আঁচনিৰ লগতে আন আঁচনিৰ অধীনত মুঠ ৩০ কুইণ্টল বীজ বিতৰণ কৰি কঠিয়াতলি প্ৰস্তুতিৰ কাম আৰম্ভ কৰিছে। মুঠ ৭২খন গাঁও সন্নিবিষ্ট কৃষি উন্নয়ন কাৰ্যালয়টোৱে ইতিমধ্যে দিহজাৰী গাঁও পঞ্চায়তত পাঁচ কুইণ্টল, পূব বনভাগত আঠ কুইণ্টল, খাতিকুছিত তিনি কুইণ্টল, দতৰাত পাঁচ কুইণ্টল আৰু ঘগ্ৰাপাৰত ন কুইণ্টল উন্নতজাতৰ শালিধানৰ বীজ বিতৰণ কৰি কৃষক সমাজক সকাহ দিয়াৰ চেষ্টা অব্যাহত ৰাখিছে বুলি ঘগ্ৰাপাৰ কৃষি উন্নয়ন বিষয়া কাৰ্যালয়ৰ বিষয়া কবিতা কোঁৱৰে জানিবলৈ দিয়ে।

## হৰিণা পহুৰ পোৱালি উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩০ জুন ঃ** কামৰূপ জিলাৰ পছৰীয়াত আজি এটা হৰিণা পহুৰ পোৱালি উদ্ধাৰ হয়। স্থানীয় লোকে জানিবলৈ দিয়া মতে পছৰীয়া অঞ্চলৰ পাহাৰৰ দিশৰ পৰা পানীৰ মাজে মাজে নামি আহি হৰিণা পহুটোৱে এঘৰ মানুহৰ পকী বেৰত খুন্দা মাৰে। পাছত ৰাইজে পানীৰ মাজেৰে খেদি খেদি হৰিণা পোৱালিটোক ধৰি আনে। ৰাইজে আঘাতপ্ৰাপ্ত হৰিণা পোৱালিটোক কিছু সুস্থ কৰি বন বিভাগক গতাই দিয়ে। হাজোৰ বন বিভাগৰ লোকে ৰাইজৰ পৰা পোৱালিটো চমজি লৈ পশু চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি চিৰিয়াখানাত এৰি দিব বুলি জানিবলৈ দিয়ে।

## আজিৰে পৰা ব্ৰাহ্মণ গাঁৱত খোল-ঢোল বাদন আৰু ওজাপালিৰ প্ৰশিক্ষণ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৩০ জুন ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ চমুৱাগাঁৱত অৱস্থিত শংকৰদেৱ চিত্ৰ কলা বিদ্যালয়, হাতীচোঙৰ সৌজন্যত কাইলৈৰ পৰা ন জুলাইলৈ খোল আৰু ঢোলবাদনৰ লগতে ওজাপালিৰ প্ৰশিক্ষণৰ এক কৰ্মশালাৰ আয়োজন কৰা হৈছে। ব্ৰাহ্মণগাঁৱত অৱস্থিত পূব হাতীচোং সমূহীয়া ভৱনত প্ৰতিদিনে পুৱা ন বজাৰ পৰা বিয়লি দুই বজালৈকে অনুষ্ঠিত হ'বলগীয়া গ্ৰীষ্মকালীন কৰ্মশালাখনিত পৰাগ বৰা, পদ্ম কাকতি, খঞ্জনজ্যোতি বৰা, যুগলজ্যোতি দেবনাথ, ধ্ৰুৱজ্যোতি কাকতি আৰু দেৱ শইকীয়াই সমল ব্যক্তিৰূপে প্ৰশিক্ষণ প্ৰদান কৰিব। আনহাতে, এই চিত্ৰকলা বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ উদ্যোগতে চমুৱাগাঁৱত অৱস্থিত বিদ্যালয় প্ৰাংগণত অহা ১০-১৬ জুলাইলৈ চিত্ৰ, নৃত্য আৰু ঘোষা পৰিবেশনৰো প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। উক্ত প্ৰশিক্ষণ প্ৰতিদিনে পুৱা ন বজাৰ পৰা দুপৰীয়া ১২ বজালৈকে চলিব। ইপিনে, এই গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালাৰ সামৰণি অনুষ্ঠান অহা ১৭ জুলাইত অনুষ্ঠিত হ'ব বুলি আয়োজক সমিতিৰ সম্পাদক অজিত চন্দ্ৰ বৰা, সহকাৰী সম্পাদকদ্বয় সমীৰ হাজৰিকা আৰু চন্দনজ্যোতি বৰাই জনাইছে।

## এছডিআৰএফৰ অধীনত বিভাগবোৰে দাখিল কৰা আঁচনিসমূহ অনুমোদনৰ বাবে ডিডিএমএৰ বৈঠক

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৩০ জুন ঃ** ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি (এছডিআৰএফ)ৰ অধীনত অস্থায়ী পুনৰুদ্ধাৰৰ কামৰ বাবে বিভিন্ন বিভাগে দাখিল কৰা আঁচনিসমূহৰ অনুমোদন দিয়াৰ বাবে কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকাৰ অধ্যক্ষতাত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বুধবাৰে কোকৰাঝাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ডিডিএমএ)ৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৩০ নম্বৰ কোকৰাঝাৰ পূব (জনজাতি) বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰী, ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক জিৰণ বসুমতাৰী, ৩১ নম্বৰ চিদলী (জনজাতি) বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী, বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক চামচুল হুদা, জ্যেষ্ঠ বিষয়া, চক্ৰ বিষয়া আৰু শক্তি বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে।

জলসম্পদ, পিডব্লিউডি গ্ৰাম্য পথ, পশুপালন আৰু পশু চিকিৎসা, মীন, জলসিঞ্চন, হস্ততাঁত আৰু বস্ত্ৰ শিল্প, কৃষি, অসম শক্তি বিতৰণ নিগম লিমিটেড আদিকে ধৰি বিভাগসমূহে দাখিল কৰা প্ৰস্তাৱসমূহৰ লগতে ব্লক উন্নয়নৰ প্ৰস্তাৱ আৰু ৰাজহ চক্ৰৰ আৰজি প্ৰস্তাৱসমূহ সদনে অনুমোদন জনায় ৰাজ্য চৰকাৰৰ ওচৰত জমা দিয়াৰ বাবে। সদনে সাহায্য আৰু পুনৰ্বাসন কামৰ বাবে অধিক প্ৰস্তুতিৰ ব্যৱস্থাও পৰ্যালোচনা কৰে। কোকৰাঝাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (ডিডিএমএ) অধ্যক্ষা তথা কোকৰাঝাৰ জিলাৰ উপায়ুক্ত ডেকাই যোৱা বানপানীৰ চৌত প্ৰশাসন আৰু লাইন বিভাগৰ সকলো বিষয়াই কৰা আন্তৰিক প্ৰচেষ্টা আৰু কঠোৰ পৰিশ্ৰমৰ শলাগ লৈ সকলো বিষয়াক সজাগ হৈ থাকিবলৈ কয়।

### কুমাৰীকাটাত ২৬ নম্বৰ দৰংগাজুলি ব্লক বিপিএফৰ কৰ্মীসভা সম্পন্ন

## বিটিচিত পৰিৱৰ্তনৰ সপোন দেখুওৱা প্ৰমোদ বড়োৰ সকলো প্ৰতিশ্ৰুতি সম্প্ৰতি মিছা প্ৰতিপন্ন হৈছে

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩০ জুন ঃ** তামুলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৬ নম্বৰ দৰংগাজুলি ব্লক বিপিএফৰ এখন কৰ্মী সভা আজি কুমাৰীকাটাৰ সমীপৰ জামুগুৰী প্ৰাথমিক বিপিএফৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠত হয়। দৰংগাজুলী ব্লক বিপিএফৰ সভাপতি ফকৰুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মী সভাত পৰ্যবেক্ষকৰূপে উপস্থিত থাকি যুৱ বিপিএফ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক শৰৎ চন্দ্ৰ দাসে কয়, 'বিটিচিত এতিয়া প্ৰমোদ বড়োৰ নেতৃত্বত ইউপিপিএল বিজেপিৰ অপশাসন চলি আছে। কিয়নো পৰিৱৰ্তন আনিম বুলি মিছা প্ৰতিশ্ৰুতি দিয়া বড়োৰ সকলো প্ৰতিশ্ৰুতি সম্প্ৰতি মিছা প্ৰতিপন্ন হৈছে। বিটিচিত প্ৰমোদৰ আয়ুস আৰু বেছি দিন নাই বুলি যুৱ বিপিএফ কেন্দ্ৰীয় সম্পাদক শৰৎ চন্দ্ৰ দাসে পুনৰ কয়, 'বিটিচিত বিজেপি ইউপিপিএলৰ চৰকাৰ চলি থাকিলেও সেই চৰকাৰ যিকোনো মুহূৰ্ততে ভাঙি যাব পাৰে । বিটিচিত পৰিৱৰ্তন আনিম বুলি সম্পূৰ্ণ অবৈধভাৱে চৰকাৰ গঠন কৰা বড়োৱে আজিলৈ একোৱেই কৰিব পৰা নাই। বিপিএফৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদকজনে পুনৰ কয়, বিপিএফে সদায় মূল্যবোধৰ ৰাজনীতি কৰি আহিছে। আমি সময়ৰ আহ্বান মানি লৈ বিটিচিবাসীৰ মাজত সোমায় পৰিছো আমাৰ কৰ্মীসকলক পুনৰ সংঘবদ্ধভাৱে মাৰ বান্ধি ওলায় আহিবলৈ আহ্বান জনাইছো। বিটিচিত শান্তি প্ৰতিষ্ঠা হোৱা বুলি দম্ভালি মাৰি ফুৰা বড়োৱে নিশা ৰঙিয়াতহে টোপনি মাৰে বুলি কটাক্ষ কৰি বিপিএফৰ কেন্দ্ৰীয় সম্পাদকজনে কয় বিটিচিত পৰিৱৰ্তনৰ নামত কেৱল বিপিএফৰ দুৰ্নীতি দেখা পোৱা আৰু সততে হাগ্ৰামাক জেললৈ প্ৰেৰণ কৰিব খোজা বড়ো নিজেই জেললৈ যাবলৈ সাজু হৈ থাকক। কিয়নো শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা বিটিচিৰ উন্নয়নৰ বাবে অহা ২৭১ কোটি টকা কাম কৰিব নোৱাৰি ঘূৰাই পঠোৱা বড়োৰ নেতৃত্বতে সম্প্ৰতি বিটিচিত কোটিটকীয়া আঁঠুৱা কেলেংকাৰি সংঘটিত হৈছে। সভাত উপস্থিত থাকি তামুলপুৰ জিলা বিপিএফৰ উপ-সভাপতি চিনাকান্ত বসুমতাৰীয়ে কয়, হাগ্ৰামা মহিলাৰীয়ে বনোৱা ৰাস্তাৰে চাইৰেন বজাই ঘূৰি ফুৰা বড়োৰ প্ৰতি এতিয়া বিটিচিবাসীৰ মোহভংগ হৈছে। ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈ বিটিচিত চৰকাৰ গঠন কৰিবলৈ বিপিএফ চৰকাৰ গঠন কৰিবলৈ সক্ষম নহ'লেও ২০২৫ত বিটিচিত পুনৰ হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিপিএফে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব। বিটিচিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফৰ এতিয়াও বিটিচিত চৰকাৰ গঠন কৰিব পৰাকৈ এমচিএলএ আছে । বড়োৰ কাম-কাজত অসন্তুষ্ট ইউপিপিএল, বিজেপিৰ বহুকেইজন এমচিএলএ বিপিএফত চামিল হ'বলৈ সাজু হৈ আছে। দলটোক অধিক শক্তিশালী কৰি তুলিবলৈ বিপিএফ কৰ্মীসকলক দলৰ হৈ কাম কৰি থাকিবলৈ আহ্বান জনায় চিনাকান্ত বসুমতাৰীয়ে। সভাত বিপিএফৰ কেন্দ্ৰীয় উপ-সভাপতি গীতানন্দ নাৰ্জাৰীয়েও দলীয় কৰ্মীসকলক উদ্দেশি ভাষণ ৰাখে। দৰংগামেলা ব্লক বিপিএফৰ সাধাৰণ সম্পাদক কমল উজিৰে আঁত ধৰা



সভাখনত আজিৰ সভাত বিপিএফৰ সাংগঠনিক সম্পাদক খনিন্দ্ৰ নাথ দাস, তামুলপুৰ জিলা বিপিএফৰ সাংগঠনিক সম্পাদক অনিল কলিতা, দৰংগাজুলি ব্লক বিপিএফৰ উপ-সভানেত্ৰী হাচিনা বেগম, সম্পাদক নমল কলিতা, সম্পাদিকা ৰুমী দাস দৈমাৰীৰ লগতে দুই শতাধিক দলীয় কৰ্মকৰ্তা উপস্থিত থাকে। আজিৰ সভাতেই শুক্লেশ্বৰ ৰাভাক সভাপতি, অৱনি দাসক সাধাৰণ সম্পাদকৰূপে লৈ এক নম্বৰ দক্ষিণ কুমাৰীকাটা প্ৰাথমিক বিপিএফৰ সমিতি, ৰমজান আলীক সভাপতি আৰু লেবেন্দ্ৰ দৈমাৰীক সাধাৰণ সম্পাদকৰূপে লৈ এক নম্বৰ দক্ষিণ কুমাৰীকাটা প্ৰাথমিক যুৱ বিপিএফ সমিতিৰ লগতে ৰাধিকা দৈমাৰীৰ সভানেত্ৰী আৰু বিভা দাসক সাধাৰণ সম্পাদিকাৰূপে লৈ এক নম্বৰ দক্ষিণ কুমাৰীকাটা প্ৰাথমিক মহিলা বিপিএফ সমিতিখন গঠন কৰা হয়।

## ভৱানীপুৰৰ মেধিকুছিত বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ বন্যাৰ্তৰ মাজত খাদ্য সামগ্ৰী বিতৰণ

**বিশেষ সংবাদদাতা**

**পাঠশালা, ৩০ জুন ঃ** ৰাজ্যখনত হোৱা এইবাৰৰ বানপানীত সৰ্ববৃহৎ ধ্বংসলীলা চলোৱা ভৱানীপুৰ বিধানসভা সমষ্টিৰ মেধিকুছি অঞ্চলত বন্যাৰ্ত ৰাইজক সহায়ৰ বাবে আজি উপস্থিত হয় গুৱাহাটীৰ বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ বিষয়ববীয়াসকল। উল্লেখ্য যে গুৱাহাটীৰ বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ ন্যাসৰক্ষী সঞ্জয় গোস্বামী আৰু নন্দিতা শৰ্মাৰ পৃষ্ঠপোষকতাত ট্ৰাষ্টৰ মুখ্য সমন্বয়ক ধনজিৎ চৌধুৰী আৰু মিডিয়া কোষৰ উপদেষ্টা চন্দন শইকীয়াই মেধিকুছিৰ বন্যাৰ্ত ক্ষতিগ্ৰস্ত ৰাইজৰ মাজত বহু পৰিমাণে খাদ্য সামগ্ৰী বিতৰণ কৰে। মেধিকুছিৰ ৭০০ জন ক্ষতিগ্ৰস্ত লোকৰ মুঠ ১৫০টা পৰিয়ালৰ মাজত প্ৰতিটো পৰিয়ালক ১০ কিলোগ্ৰামকৈ চিৰা, তিনি কিলোগ্ৰামকৈ গুৰ, দুই লিটাৰকৈ গাখীৰ আৰু ছয় লিটাৰকৈ খোৱাপানী বিতৰণ কৰে। বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ হৈ মিডিয়া কোষৰ উপদেষ্টা শইকীয়াই মেধিকুছি গাঁৱৰ লগতে অসমৰ ভিন্ন প্ৰান্তত বানে ধ্বংসলীলা চলোৱাৰ প্ৰতি গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে চৰকাৰীভাৱে বানত ক্ষতিগ্ৰস্ত ৰাইজক উপযুক্ত আৰ্থিক সাহায্য প্ৰদানৰ বাবে সংবাদ মাধ্যমযোগে আহ্বান জনায়। অসমৰ ভিন্ন প্ৰান্তৰ বানাক্ৰান্ত ৰাইজৰ মাজত বিভা-হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ তৰফৰ পৰা খাদ্য সামগ্ৰী বিতৰণ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে বুলি ট্ৰাষ্টৰ মিডিয়া কোষৰ উপদেষ্টা শইকীয়াই সংবাদ মাধ্যমৰ আগত সদৰী কৰে।

# নলবাৰীৰ সৰিয়হতলীত তৃণমূল কংগ্ৰেছৰ বান সাহায্য প্ৰদান



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩০ জুন ঃ** তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ উদ্যোগত কালি বিয়লি নলবাৰী জিলাৰ সৰিয়হতলীত প্ৰায় শতাধিক লোকৰ মাজত বান সাহায্য প্ৰদান কৰে। দলটোৰ ৰাজ্যিক মহিলা সমিতিৰ প্ৰক্ষেপিত সভানেত্ৰী পাপৰি মালাকৰ, জিলা প্ৰক্ষেপিত সভাপতি উজ্বল দিপ্তী দত্ত, নেত্ৰী দিপালী দত্ত, ক্ষীৰোদা দাস, চানোৱাৰ আহমেদ, মিতুল আলী, ৰঞ্জিত তালুকদাৰসহ কে'বাজনো নেতা-নেত্ৰীৰ সহযোগত অঞ্চলটোৰ বান ক্ষতিগ্ৰস্ত ৰাইজৰ মাজত চাউল, দাইল আদি খাদ্য-সামগ্ৰী আৰু মমবাতি যোগান ধৰে। ৰাজ্যিক নেত্ৰী পাপৰি মালাকৰে সংবাদ মাধ্যমক কয় যে চৰকাৰে সাহায্যৰ নামত ভেঁকোভাওনা পাতিছে। নলবাৰী সমষ্টিৰ একাংশ ঠাইত এশগ্ৰাম মিঠাতেল, চাৰিকিলো চাউল, দাইল চাৰিশ গ্ৰাম, পশু খাদ্যৰ নামত এককিলো চাপৰ দিয়ে চৰকাৰে দায়িত্ব সামৰিছে। বান সাহায্যৰ নামত শাসক পক্ষৰ এচাম নেতা-পালিনেতাই বিষয়া-কৰ্মচাৰীৰ দ্বাৰা নিজে উদৰস্থ কৰা বুলি নেত্ৰীগৰাকীয়ে অভিযোগ তোলে।

# দেৰগাঁৱতো পলিথিন নিষিদ্ধ ঃ ব্যৱহাৰকাৰীয়ে ভৰিব লাগিব জৰিমনা

**দেৰগাঁও, ৩০ জুন ঃ** পৰিৱেশ প্ৰদূষণ ৰোধ কৰিবৰ বাবে ৰাজ্যজুৰি পলিথিনৰ বিৰুদ্ধে চৰকাৰ-প্ৰশাসনে সজাগতামূলক কাৰ্যসূচী গ্ৰহণৰ লগতে পলিথিন নিষিদ্ধ ঘোষণা কৰা হৈছে। বিষয় সন্দৰ্ভত কালি দেৰগাঁও পৌৰসভা সভাকক্ষত অনুষ্ঠিত এখন সভাত বিষয়টো সদৰী কৰি দেৰগাঁৱৰ পৌৰনেত্ৰী ৰূপাঞ্জলী বৰা হাজৰিকাই এই ক্ষেত্ৰত স্থানীয় সাংবাদিকসকলৰো সহযোগিতা কামনা কৰি ৰাইজক সজাগ কৰাৰ আহ্বান জনায়। স্বচ্ছ ভাৰত অভিযানৰ দেৰগাঁও পৌৰসভাৰ নগৰ প্ৰকল্প বিষয়া ইব্ৰাহীম আলীয়ে সভাত ভয়াৱহ প্ৰদূষণ সৃষ্টিকাৰী পলিথিন নিষিদ্ধকৰণৰ ক্ষেত্ৰত চৰকাৰী নীতি-নিৰ্দেশনাসমূহ ব্যাখ্যা কৰে। চৰকাৰী নিৰ্দেশনা অমান্য কৰিলে আইনগতভাৱে পাঁচশ টকাৰ পৰা পাঁচহেজাৰ টকা পৰ্যন্ত জৰিমনা বিহাৰ ব্যৱস্থা থকাৰ কথাও তেওঁ অৱগত কৰে। দেৰগাঁও পৌৰসভাৰ পৌৰপতিগৰাকীয়ে এই ক্ষেত্ৰত ৰাইজক সজাগ কৰিবলৈ মাইকযোগে ঘোষণা, প্ৰচাৰ পত্ৰিকা বিতৰণ, পোষ্টাৰিং কৰা আদি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দি সকলোকে এই আহ্বানৰ প্ৰতি সহযোগ আগবঢ়াবলৈ অনুৰোধ জনায়।

# দেৰগাঁৱত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দেৰগাঁও আঞ্চলিকৰ অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দেৰগাঁও, ৩০ জুন ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দেৰগাঁও আঞ্চলিক সমিতিৰ একবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনখন কালি দেৰগাঁও বাপুজী মন্দিৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে, পুৱা, পতাকা উত্তোলন কৰে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সমাজ কল্যাণ বিভাগৰ সম্পাদক ৰিন্টু দত্তই আৰু স্মৃতিতৰ্পণ অনুষ্ঠান মুকলি কৰে অধিৱেশনৰ অন্যতম আহ্বায়ক মৃণাল হাজৰিকাই। ইয়াৰ পাছত কেন্দ্ৰীয় সমিতিৰ সমাজ কল্যাণ বিভাগৰ সম্পাদক ৰিন্টু দত্তৰ সভাপতিত্বত প্ৰতিনিধি সভা আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা সভাত গোলাঘাট জিলাৰ পৰা প্ৰতিনিধিত্ব কৰি কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদকৰ দৰে গুৰু দায়িত্বত অধিস্থিত জিতুল ৰাজখোৱাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাৰ উদ্বোধক ৰাজখোৱাই ১৯৯৪তে যুৱ-ছাত্ৰ পৰিষদৰ সদস্য পদ গ্ৰহণ কৰি দেৰগাঁও আঞ্চলিক সমিতিৰ পৰা গৈ জিলা সমিতিৰ সভাপতি আৰু সম্পাদকৰূপে নিষ্ঠাৰে দায়িত্ব পালন কৰি বৰ্তমান কেন্দ্ৰীয় সমিতিৰ দায়িত্বত থকা দক্ষ সংগঠক ৰাজখোৱাই সম্বৰ্ধনা গ্ৰহণ কৰি দিয়া ভাষণত সতীৰ্থসকলৰ সহযোগ আৰু আন্তৰিকতাক কৃতজ্ঞতা জ্ঞাপন কৰে। এই সভাতে চলিত বৰ্ষত কৃতী শিক্ষকৰ বঁটা লাভ কৰা দেৰগাঁৱৰ এগৰাকী বিশিষ্ট লেখক, সমাজকৰ্মী তথা কমাৰগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ শিক্ষক বিচিত্ৰ ভূষণ কলিতাক উষ্ম সম্বৰ্ধনা জনায় যুৱ ছাত্ৰ পৰিষদে। সম্বৰ্ধনা গ্ৰহণ কৰি কলিতাই অসমত জাতীয় চেতনা প্ৰসাৰত জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে বাস্তৱ কাৰ্যসূচীৰে আগবাঢ়ি যোৱাৰ কামনা কৰে। পৰিষদৰ বিষয়ববীয়া মাধুৰ্য বৰাই আঁতধৰা সভাত পৰিষদৰ একালৰ নিষ্ঠাবান নেতা প্ৰবীণ কলিতা, বৰ্তমানৰ বিষয়ববীয়া মৃণাল হাজৰিকা, অৰবিন্দ বৰা, পৰিষদৰ জিলা সভাপতি আব্দুল হাচিম, সম্পাদক নিকুঞ্জ মেধি, প্ৰাণজ্যোতি ফুকন, উত্তম শইকীয়া, আছুৰ প্ৰাক্তন বিষয়ববীয়া মিলনজ্যোতি খাটনিয়াৰ, আছুৰ মহকুমা সমিতিৰ বিষয়ববীয়া চিৰঞ্জীৱ বৰা ছাত্ৰ প্ৰমুখ্যে ছাত্ৰনেতা, পৰিষদৰ বিষয়ববীয়াসকল আৰু প্ৰতিনিধিসকলে ভাগ লোৱা সভাত দেৰগাঁৱৰ কে'বাজনো স্থানীয় সংবাদকৰ্মীকো সম্বৰ্ধনা জনোৱা হয়। বিয়লি অনুষ্ঠিত এই বিষয় বাছনি সভাত দেৰগাঁও আঞ্চলিক সমিতিখন পিকু ৰাজখোৱাক সভাপতি, দীপাংকৰ হাজৰিকাক উপ-সভাপতি, পংকজ প্ৰতীম দত্তক সম্পাদক, দীপক বৰা আৰু প্ৰিয়ম বৰুৱাক যুটীয়া সম্পাদকৰূপে লৈ ২৮জনীয়া সমিতিখন গঠন কৰা হয়।

# ভৈৰৱ কলিতা ট্ৰাষ্টৰ বৰভাগত বন্যাৰ্তক সাহায্য প্ৰদান



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৩০ জুন ঃ** বৰভাগৰ ভৈৰৱ কলিতা ট্ৰাষ্ট'ৰ উদ্যোগত কালি বৰশিমলুৱাৰ বন্যাৰ্তক সাহায্য প্ৰদান কৰা হয়। উল্লেখ্য যে বৰভাগৰ আটাইতকৈ দ' ঠাই হিচাপে পৰিচিত বৰশিমলুৱা গাঁৱত যোৱা ২৬ জুন ট্ৰাষ্টৰ সদস্যসকলে উপস্থিত হৈ আঢ়ৈশ পৰিয়ালৰ মাজত সাহায্য প্ৰদান কৰা হয়। ভৈৰৱ কলিতা ট্ৰাষ্ট'ৰ হৈ অৰূপ কলিতাই বন্যাৰ্ত ৰাইজক চিৰা, গুৰ, বিস্কুট, গাখীৰ আৰু চাবোনৰ একোটাকৈ খাদ্যৰ পেকেট আগবঢ়ায়। ইতিমধ্যে, পাঁচহেজাৰ বন্যাৰ্তক সাহায্য প্ৰদানৰ লক্ষ্য কৰি লোৱা ভৈৰৱ কলিতা ট্ৰাষ্টে নখেতি, দ' ৰাইৎকুছি, আৰংগমৌ, দক্ষিণ নখেতি, কমাৰকুছিৰ এটা অংশ, বৰশিমলুৱা, বৰভাগ মহাবিদ্যালয়ৰ আশ্ৰয় শিবিৰকে ধৰি আঢ়ৈহেজাৰ বন্যাৰ্ত ৰাইজক ট্ৰাষ্টৰ তৰফৰ পৰা সাহায্য প্ৰদান কৰিছে। আনহাতে, কে'বাটাও স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰি বন্যাৰ্ত ৰাইজক বিনামূলীয়া স্বাস্থ্য সেৱা প্ৰদান কৰিছে।

# বোকাময় পথত যমৰ যাতনা ৰাইজৰ

## ■ কুৰুৱা উত্তৰ গুৱাহাটী ছিগা পথৰ বিকল্প পথ মুকলি

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ৩০ জুন ঃ** দৰং জিলাৰ কুৰুৱাবাসীলৈ অৱশেষত আশাৰ ৰেঙণি। কুৰুৱা আৰু উত্তৰ গুৱাহাটীৰ মাজৰ ভগা পথত সজা হ'ল অস্থায়ী বিকল্প। ১৯ জুনৰ প্ৰলয়ংকৰী বানে দৰং কুৰুৱা আৰু উত্তৰ গুৱাহাটীৰ মাজৰ পথছোৱা বানে উটুৱাই নিয়াত কামৰূপ আৰু দৰং জিলাৰ মাজৰ যাতায়াত ব্যাহত হৈ আছিল। পথ যাতায়াত ব্যাহত হোৱাত কুকুৰাবাসী এসপ্তাহ ধৰি জলবন্দী হৈ আছিল। নৰম দিনৰ অন্তত আজি জলসম্পদ বিভাগে এখন বাঁহৰ সাঁকো সাজি কুৰুৱা সংলগ্ন কৰিলে কামৰূপ জিলাৰ স'তে। কিন্তু দুৰ্দশাৰ যেন অন্ত নাই পশ্চিম দৰঙৰ কুৰুৱা অঞ্চলৰ। বোকাময় পথেৰে মৰণক শৰণ দি বিপদ সংকুল যাতায়াত কৰিছে কুৰুৱাবাসীয়ে। কুৰুৱাৰ আবাসীসকলৰ ঘৰৰ পৰা এতিয়াও এৰা নাই পানী। কিন্তু কুৰুৱা-উত্তৰ গুৱাহাটী পথ নিৰ্মাণ হ'বনে, সেয়া এক ডাঙৰ প্ৰশ্ন হিচাপে দেখা দিছে উভয় জিলাৰ লোকৰ মাজত। কিয়নো, ঠিকাদাৰে বিচাৰিলেও জলসম্পদ আৰু লোক নিৰ্মাণ বিভাগৰ পথ নিৰ্মাণৰ হেনো নাই সদিচ্ছা। স্থানীয় লোকৰ অভিযোগ, দুমাহৰ আগত কাম নকৰে হেনো কুৰুৱাৰ ভগা পথছোৱাৰ। যাৰ বাবে এই দুৰ্গতি কুৰুৱাৰ ৰাইজৰ। একাঁঠু বোকা গচকি উত্তৰ গুৱাহাটীৰ বিদ্যালয়ৰ পৰা ঘৰমুৱা হৈছে শিক্ষাৰ্থী। উল্লেখ্য যে কুৰুৱাত উন্নত শিক্ষা প্ৰতিষ্ঠানৰ অভাৱত কামৰূপৰ উত্তৰ গুৱাহাটীলৈ যাব লাগে শিক্ষাৰ্থী। এতিয়ালৈ ১০ হেজাৰৰো অধিক বসতি প্ৰধান গুৱাহাটীৰ গাতে লগা ঠাইখনত নাই এখন মহাবিদ্যালয় তথা নাই চিকিৎসালয়। ৰোগ নিৰাময়ৰ বাবে ১৫ কিলোমিটাৰ দূৰৈৰ উত্তৰ গুৱাহাটীলৈ দৌৰিব লাগে। স্থানীয় বিধায়ক পৰমানন্দ ৰাজবংশীয়ে বিপদ কালত সংগ নিদিয়াত ক্ষোভিত হৈছে ৰাইজ।

# সমাজকৰ্মী বেদাংগ বৰদলৈৰ মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৩০ জুন ঃ** যোৰহাটৰ বিশিষ্ট সমাজকৰ্মী, এনচিপি দলৰ প্ৰাক্তন ৰাজ্যিক সাধাৰণ সম্পাদক বেদাংগ বৰদলৈ (৫১)ৰ যোৱা নিশা প্ৰায় দুই বজাত আকস্মিক বিয়োগ ঘটে। তৰাজান দুই নম্বৰ সোণাৰী গাঁৱৰ নিৱাসী বেদাংগ বৰদলৈ নিশা হঠাৎ অসুস্থ হৈ পৰাত যোৰহাট মিছন হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। আকাশবাণী যোৰহাট কেন্দ্ৰত ঘোষক হিচাপে বহু বছৰ কাম কৰি থকাৰ পাছত শাৰীৰিক অসুস্থতাৰ বাবে বিগত কিছু দিন ঘৰতে আছিল। কিন্তু যোৱা নিশা হঠাৎ মৃত্যুক আঁকোৱালি লয় বিশিষ্ট সমাজকৰ্মীজনে। যোৰহাটৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত থকা বৰদলৈৰ মৃত্যুত যোৰহাটত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ অসম কৃষি বিশ্ববিদ্যালয় পুথিভঁৰাল বিভাগত কৰ্মৰত পত্নীসহ এগৰাকী কন্যা আৰু এজন পুত্ৰসহ ভালে সংখ্যক আত্মীয়ক ইহসংসাৰত এৰি গৈছে।



ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত দুই অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা সভা।

# মুদৈজানত গ্ৰীষ্মকালীন কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৩০ জুন ঃ** মুদৈজান ভৰলুৱা নামঘৰ পৰিচালনা সমিতিৰ সৌজন্যত মুদৈজান ভৰলুৱা নামঘৰত অহা তিনিৰ পৰা ৩০ জুলাইলৈকে বৰগীত, শংকৰী নৃত্য, খোলবাদ্য প্ৰশিক্ষণ কৰ্মশালা আয়োজন কৰিছে। চাৰি বছৰ বয়সৰ পৰা ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰিব পাৰিব। কৰ্মশালা পঞ্জীয়ন মাছুল এশ টকা। ইচ্ছুক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলে ৬০০১৬৫১২৪৪, ৯৩৬৫৭২৯৪৭৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# আজাৰাত পাঁচদিনীয়াকৈ শ্ৰীশ্ৰী মনসা পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৩০ জুন ঃ** মহানগৰীৰ পশ্চিম প্ৰান্তৰ আজাৰাৰ কেওটপাৰা শ্ৰীশ্ৰীমামনসা দেৱী মন্দিৰত এইবেলিও অহা ১৭ জুলাইৰ পৰা পাঁচদিনীয়াকৈ শ্ৰীশ্ৰী মনসা পূজাৰ আয়োজন কৰা হৈছে। ইতিমধ্যে পূজা সুচাৰুৰূপে পৰিচালনাৰ বাবে নিৰেন কুমাৰ দাসক সভাপতি, দিলীপ কুমাৰ দাস, প্ৰসন্ন দাসক উপ-সভাপতি, ৰত্নেশ্বৰ দাসক সাধাৰণ সম্পাদক, ধৰখোৱা দাস, অমূল্য দাস, পংকজ দাসক সহ-সম্পাদক আৰু কুঞ্জ ৰাম দাসক কোষাধ্যক্ষ হিচাপে লৈ কেওটপাৰা শ্ৰীশ্ৰী মা মনসা দেৱী পূজা সমিতিখন গঠন কৰা হৈছে।

# নগাঁৱত আন্তৰ্জাতিক নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ, অবৈধ সৰবৰাহ দিৱস পালন

বিশেষ সংবাদদাতা

**নগাঁও, ৩০ জুন ঃ** স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম বিকাশ পৰিষদৰ উদ্যোগত আৰু জিলা সমাজ কল্যাণ বিভাগ, জিলা মানসিক স্বাস্থ্য কাৰ্যক্ৰম, জন শিক্ষণ সংস্থান, ফালাহ গ্ৰুপ অফ ইনষ্টিটিউট, জিভিপি, নিচামুক্ত অভিযান আৰু চাইল্ডলাইন নগাঁৱৰ সহযোগত কালি নগাঁও চহৰৰ এলফিনষ্টন কমপ্লেক্সত এফ জি আই সভাগৃহত 'আন্তৰ্জাতিক নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ দিৱস'ৰ উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে জিলাখনৰ অতিৰিক্ত উপায়ুক্ত দেবাহুতি বৰা, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অৰূপজ্যোতি মহন্ত, জিলা সমাজ কল্যাণ বিষয়া ৰুবী কলিতা, বিশিষ্ট চিকিৎসক ক্ৰমে ডাঃ ভূপেন বৰা, ডাঃ জিয়াউদ্দিন আহমেদ, ডাঃ সত্য কুমাৰ দত্ত, গ্ৰাম বিকাশ পৰিষদৰ মুখ্য উপদেষ্টা চিৰাজ উদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া প্ৰমীলা কন্দলী, অধিবক্তা ইমামুল হক আনচাৰি, সমাজ সেৱিকা চিৰিন বেগম, ফালাহ গ্ৰুপ অফ ইনষ্টিটিউটৰ উপদেষ্টা ক্ৰমে নুৰুল আমিন আৰু আব্দুল মজিদ ফাৰুকী। সভাত উপস্থিতসকলে সমাজক নিচামুক্ত কৰাৰ বিভিন্ন পথ সমূহৰ বিষয়ে ব্যাখ্যা কৰে। বিশেষকৈ বক্তাসকলে যুৱক-যুৱতীসকলৰ ড্ৰাগছৰ প্ৰতি আসক্তিক লৈ চিন্তা প্ৰকাশ কৰি কয় যে এই যুঁজত আমি সকলোৱে জাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে একত্ৰিত হৈ আগবাঢ়িব লাগিব। নহ'লে যুৱ শক্তি অন্ধকাৰৰ দিশে গতি কৰিব। সভাত উপস্থিত থকা মানসিক চিকিৎসকদ্বয় জিয়াউদ্দিন আহমেদ আৰু সত্য কুমাৰ দত্তয়ে নিচাযুক্ত দ্ৰব্যৰ পৰা নিচামুক্ত হৈ থকাৰ উপায়, নিচাসক্ত ৰোগীৰ চিকিৎসা, পৰিয়াল তথা আত্মীয় কুটুমৰ ভূমিকা, বন্ধুবৰ্গৰ প্ৰভাৱ, সমাজৰ কৰণীয় আদি বিষয়ৰ ওপৰত আলোকপাত কৰে।

# বানাক্ৰান্ত অঞ্চলৰ কৃষকক ক্ষতিপূৰণ, বাট-পথ মেৰামতিৰ দাবীত কৃষক সন্থাৰ উপায়ুক্তক স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৩০ জুন ঃ** শেহতীয়াভাৱে কিছুদিন ধৰি চলি থকা ধাৰাসাৰ বৰষুণৰ ফলত বাগ্‌সা জিলাৰ মাজেৰে বৈ যোৱা দিৰিং পাগলাদিয়া, টিহু, কালদিয়া, পহুমাৰা আদি নদীৰ বাঢ়নী পানীয়ে কৃষি আৰু যাতায়াতৰ ব্যৱস্থাৰ বিস্তৰ ক্ষতি সাধন কৰিছে। ৰোপণ কৰিবলগীয়া কঠীয়া পানীয়ে নষ্ট কৰাৰ বিপৰীতে পুখুৰীৰ মাছ পানীয়ে উটুৱাই নিয়াত এতিয়া জীৱিকাৰ পথো ৰুদ্ধ হৈ পৰিছে কৃষক ৰাইজৰ। সেইদৰে বাগ্‌সা জিলাৰ সুৱণখাটা-নিকাছি পথ, ইতিহাসপ্ৰসিদ্ধ গোসাঁইকমল পথ, নিকাছি-ধনশ্ৰীপুৰ পথ বানপানীয়ে বিধ্বস্ত কৰাত যাতায়াতৰ নামত ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বিশেষকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ৰোগীসকলক চিকিৎসালয়লৈ নিয়াৰ বাবে ৰাইজ যথেষ্ট পৰিমাণে সমস্যাৰ সন্মুখীন হৈ আহিছে। সেয়ে আজি বাগ্‌সা আঞ্চলিক কৃষক সভাই এই সমস্যাসমূহ শীঘ্ৰে সমাধান কৰাৰ বাবে জিলা উপায়ুক্তক তিনিদফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। কৃষক সভাৰ সভাপতি কৃষ্ণ হালৈ আৰু সম্পাদক ৰুদ্ৰ ঢাকালে স্বাক্ষৰ কৰা স্মাৰকপত্ৰখনত বিশেষকৈ কৃষকৰ বিনষ্ট কৰা কঠীয়া আৰু পুখুৰীৰ পৰা বাঢ়নী পানীয়ে উলিয়াই নিয়া মাছৰ ক্ষতিপূৰণ দিয়া, বানপানীয়ে বিধ্বস্ত কৰা বাট পথ মেৰামতি কৰি যাতায়াত সুচল কৰি কালভাৰ্টৰ ঠাইত পকী দলং নিৰ্মাণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক নিৰপেক্ষ আৰু দুৰ্নীতিমুক্ত জৰীপেৰে উচিত সাহায্য বিতৰণত বৈষম্যৰ লগতে দুৰ্নীতি সংঘটিত হৈছে। সেয়ে বিষয়টোত অধিক গুৰুত্ব দি ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিবলৈ দাবী জনায়।

# বকোত বিলাতী সুৰাসহ এজনক আটক



অগ্ৰদূত বাৰ্তা

**বকো, ৩০ জুন ঃ** ৰাজ্যত দিনকদিনে বৃদ্ধি পাইছে মদ, ভাং, ড্ৰাগছৰ ৰমৰমীয়া বেহা। গোপনে মাদক দ্ৰব্যৰ বেহা চহৰে-নগৰে গাঁৱে-ভূঞে বিয়পি পৰিছে। সমান্তৰালভাৱে বৃহত্তৰ বকো অঞ্চলটোৰ মাদক দ্ৰব্যৰ ৰমৰমীয়া বেহা অব্যাহত আছে। ইয়াৰ মাজতে বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া খনিন্দ্ৰ নাথৰ নেতৃত্বত বকোৰ মন্দিৰা নিছিলামাৰীত নিশা সুৰাৰ বিৰুদ্ধে অভিযান চলোৱা হয়। অভিযানত আৰক্ষীয়ে বিভিন্ন ব্ৰেণ্ডৰ ১৪০ টা সুৰাৰ বটল জব্দ কৰা লগতে অবৈধ সুৰা ব্যৱসায়ী নাৰায়ণ সৰকাৰক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে দীৰ্ঘদিন ধৰি নাৰায়ণ সৰকাৰে চলাই আহিছিল অবৈধ সুৰাৰ ব্যৱসায়।

# পূৱ যোৰহাটত কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৩০ জুন ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ যোৰহাট জিলা সংস্কৃতি শাখাৰ উদ্যোগত আৰু পূৱ যোৰহাট আঞ্চলিক শাখাৰ আতিথ্যত ১৩ৰ পৰা ১৭ জুলাইলৈকে আৱাসিক গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ যোৰহাট জিলা শাখাৰ অন্তৰ্গত ১৬খন আঞ্চলিক শাখাৰ সংগীসকলক কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ জিলা শাখাৰ সংস্কৃতি শাখাৰ সম্পাদক সৌন্দৰ্য প্ৰকাশ হাজৰিকাই আহ্বান জনাইছে। আৱাসিক গ্ৰীষ্মকালীন কৰ্মশালাখন সম্পৰ্কত সংগীসকলক ৭০০২৯৪৮১৫৭ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# অসম আদৰ্শ বিদ্যালয় বৰপামলৈ বিশিষ্ট বিজ্ঞানীৰ কিতাপৰ টোপোলা উপহাৰ স্বৰূপে প্ৰদান

অগ্ৰদূত বাৰ্তা

**চতিয়া, ৩০ জুন ঃ** আলমাৰীৰ ভিতৰত কিতাপ সজাই থোৱাতকৈ কণ-কণ শিশুসকলে বিনামূলীয়াকৈ কিতাপ পঢ়িবলৈ পোৱাটোহে মূল কথা। বিদ্যালয়সমূহে কিতাপ পঢ়িবলৈ ছাত্ৰ-ছাত্ৰীৰ মাজত এক ধাউতিৰ সৃষ্টি কৰক, তেতিয়াহে শিশুৰ প্ৰকৃত মানসিক বিকাশ সম্ভৱ হ'ব। অসম সাহিত্য সভাৰ অধীনস্থ জাতীয় আদৰ্শ শিক্ষা সংসদৰ পঞ্জীয়নভুক্ত অসম আদৰ্শ বিদ্যালয় বৰপামৰ পুথিভঁৰাললৈ বিশিষ্ট বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামী আৰু বিশিষ্ট বিজ্ঞান লেখক ক্ষীৰধৰ বৰুৱাই কিতাপৰ টোপোলা উপহাৰ স্বৰূপে প্ৰদান কৰা সময়ত দীনেশ চন্দ্ৰ গোস্বামীয়ে এনেদৰে মন্তব্য আগবঢ়ায়। বিশিষ্ট বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে কালজয়ী সাহিত্যৰ অনুবাদৰ ছিৰিজ, বিজ্ঞানীৰ ৰসাল ল'ৰালিকাল আদিৰ দৰে এশখন বহুমূলীয়া শিশু উপযোগী বিজ্ঞানৰ কিতাপ অসম আদৰ্শ বিদ্যালয় বৰপামৰ বিজ্ঞান শিক্ষক ফিৰোজ খানক প্ৰদান কৰে। ঠিক সেইদৰে সঞ্চালক নৃপেন বৰদলৈৰ হাতত আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষাকেন্দ্ৰৰ জন্মদাতা ক্ষীৰধৰ বৰুৱাই ৫০খন তেওঁৰ দ্বাৰা ৰচিত হাতে-কামে বিজ্ঞান শিকো আহা, ৰসায়নৰ নানা ৰং, মহাকাশ অভিযান আদিৰ দৰে কিতাপৰ লগতে ৮০ দশকৰ প্ৰান্তিক আৰু বিজ্ঞান জেউতি আলোচনীৰ বান্ধোৱা কিতাপ প্ৰদান কৰি কয়, 'কিতাপ পঢ়াৰ এক সুকীয়া মাদকতা আছে, শিশুৰ মাজত নম'ফ'বিয়াৰ দৰে ম'বাইল ফোনৰ আসক্তি দূৰ কৰাৰ উপায় হ'ল শিশুক পাঠ্যক্ৰমৰ বাহিৰৰ কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহী কৰি তোলা। এই ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অভিভাৱকসকলেও সমানে চেষ্টা কৰিব লাগিব।' বিজ্ঞান জনপ্ৰিয়কৰণৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰা দুয়োগৰাকী ব্যক্তিৰ এই মহৎ পদক্ষেপক বিদ্বৎ মহলে ভূয়সী প্ৰশংসা কৰিছে।

# যোৰহাটৰ ঢেকৰগড়া উন্নয়ন খণ্ডত হাঁহ-কুকুৰা পালনৰ প্ৰশিক্ষণ



ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৩০ জুন ঃ** যোৰহাট জিলা প্ৰশাসন আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত কালি ঢেকৰগড়া উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত হাঁহ-কুকুৰা পালনৰ প্ৰশিক্ষণ প্ৰদান কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰে উন্নয়ন খণ্ডটোৰ খণ্ড বিষয়া বিহংগী ভাগৱতীয়ে। প্ৰথম দিনা স্থানীয় বহু সংখ্যক যুৱক-যুৱতীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। বাঘচোংস্থিত জিলা কুকুৰা ফাৰ্মৰ পৰিচালক ডাঃ ছাৰোৱাৰ ছাদেৰ, পুৰণিমাটি আৰু ঢেকৰগড়াৰ পশু চিকিৎসা বিষয়া ক্ৰমে ডাঃ জিৰেশ কমল দাস আৰু ডাঃ পদ্মাৱতী মাছিয়াই বৈজ্ঞানিক পদ্ধতিৰে হাঁহ-কুকুৰা পালন সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণত হাঁহ-কুকুৰাক দিবলগীয়া খাদ্য, বেমাৰৰ প্ৰতিষেধক, কেনে ঠাইত ৰখা উচিত আদি বিভিন্ন দিশসমূহ বহলাই বুজাই দিয়া হয়। উল্লেখ্য যে অহা ৩০ জুন আৰু এক জুলাইত হ'বলগীয়া প্ৰশিক্ষণ প্ৰদান কাৰ্যসূচীত ইচ্ছুকসকলক অংশগ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। প্ৰথমদিনাৰ প্ৰশিক্ষণ কাৰ্যসূচীত জিলা পশু চিকিৎসা বিষয়া ডাঃ ভূপেন দাস, বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ লগতে ঢেকৰগড়া উন্নয়ন খণ্ডৰ বহুকেইজন বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# উদয়পুৰৰ হত্যাকাণ্ডক দেশী জনগোষ্ঠীয় মঞ্চৰ তীব্ৰ গৰিহণা

অগ্ৰদূত বাৰ্তা

**চাপৰ, ৩০ জুন ঃ** ৰাজস্থানৰ উদয়পুৰত বিজেপিৰ নিলম্বিত ৰাষ্ট্ৰীয় মুখপাত্ৰ নূপুৰ শৰ্মাৰ সমৰ্থনত ফেচবুকত এটা পোষ্ট দিয়া বাবে কানহাইয়া লাল নামৰ দৰ্জী এজনক তেওঁৰ দোকানৰ ভিতৰতে চোকা অস্ত্ৰৰে শিৰশ্চেদ কৰি হত্যা কৰা কাৰ্যক দেশী জনগোষ্ঠীয় মঞ্চ, অসমে তীব্ৰ ভাষাৰে গৰিহণা দিছে। মঞ্চৰ সভাপতি শ্বেখ হেদায়েতুল্লাহ আৰু সাধাৰণ সম্পাদক ছহিদুল ইছলামে কালি সংবাদ মাধ্যমলৈ প্ৰেৰিত এক বিবৃতিযোগে এই কথা জানিবলৈ দিছে। সংগঠনটোৰ সভাপতি আৰু সাধাৰণ সম্পাদকে বিবৃতিটোত উল্লেখ কৰিছে যে সামান্য এটা ফেচবুক পোষ্টক কেন্দ্ৰ কৰি দুটা পাষণ্ডই চোকা অস্ত্ৰৰে কানহাইয়া লালৰ ডিঙি কাটি হত্যা কৰি তাৰ দৃশ্যাংশ সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ দৰে সন্ত্ৰাসী কাৰ্যকলাপত লিপ্ত হোৱাৰ লগতে দেশৰ প্ৰধানমন্ত্ৰীকো হত্যা কৰাৰ ভাবুকি দিয়া কাৰ্য এটা জঘন্য, অমানৱীয় আৰু অক্ষমনীয় অপৰাধ। সংগঠনটোৱে হত্যাকাৰী নৰপিশাচ দুটাক দৃষ্টান্তমূলক শাস্তিৰে ফাঁচী কাঠত ওলমাবলৈ দাবী উত্থাপন কৰিছে। পয়গম্বৰ হজৰত মহম্মদ (ছঃ)ৰ বিৰুদ্ধে মৰ্যাদা হানিকৰ বক্তব্য প্ৰদান কৰা বিতৰ্কিত নূপুৰ শৰ্মাৰ মন্তব্যৰ প্ৰতিক্ৰিয়া যেতিয়া একপ্ৰকাৰ শাম কাটিছে, মানুহ যেতিয়া স্বাভাৱিক অৱস্থালৈ উভতি আহিছে সেই সময়ত সামান্য এটি ফেচবুক পোষ্টক কেন্দ্ৰ কৰি ধৰ্মান্ধ তথা উগ্ৰ মুছলিম মানসিক ৰোগীৰ দ্বাৰা সংঘটিত এই জঘন্য কাৰ্যটোৱে সমাজত আকৌ অশান্তিৰ সৃষ্টি কৰিব বুলি আশংকা প্ৰকাশ কৰি দেশী জনগোষ্ঠীয় মঞ্চ, অসমে এই ঘটনাই উগ্ৰ-সাম্প্ৰদায়িক শক্তিসমূহক সাৰ পানী যোগাব বুলিও উল্লেখ কৰিছে। সংগঠনটোৱে এই নৃশংস হত্যাকাণ্ডৰ লগত জড়িত ব্যক্তিসকলক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰাৰ বাবে ৰাজস্থান চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাইছে।

# সৰুক্ষেত্ৰীত হাউলীৰ বাবা ৰামদেৱ সেৱা সমিতি ট্ৰাষ্টৰ বান সাহায্য বিতৰণ



অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ৩০ জুন ঃ** প্ৰলয়ংকৰী বানে মানুহৰ জীৱনলৈ অন্ধকাৰ নমাই অনা বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছি, ভক্তৰডবা আদি অঞ্চলত যোৱা ২৯ জুনত বান সাহায্য আগবঢ়ায় বাবা ৰামদেৱ সেৱা সমিতি ট্ৰাষ্ট আৰু লুনকৰণ-সৰোজ দেৱী শ্যামসুখ চেৰিটিবল ট্ৰাষ্টে। উক্ত ট্ৰাষ্টৰ হৈ জয় জয় কুমাৰ ছেমছুগা, বিনীত ছেমছুগা, শ্ৰীধৰ শৰ্মা, অলকেশ মালু, ওম প্ৰকাশ শৰ্মা, ধীৰাজ পুগোলিয়া আৰু ৰেকিবুল ইছলাম (ৰিংকু)য়ে কালি কয়াকুছি কনিষ্ঠ মহাবিদ্যালয়ত আশ্ৰয় লৈ থকা ১৫০ টা পৰিয়াল, কুৰিহাত আশ্ৰয় লৈ থকা ৪৭ টা পৰিয়াল, ভক্তৰডবাৰ হৰেন্দ্ৰ-চিত্ৰা কনিষ্ঠ মহাবিদ্যালয়ৰ ৪৩ টা, পশ্চিম পাকা আজাদ মেম'ৰিয়েল হাইস্কুলৰ ৪৫ টা পৰিয়াল, হৰেন্দ্ৰ-চিত্ৰা মহাবিদ্যালয়ৰ ৩০টা পৰিয়াল, আজাদ জাতীয় বিদ্যালয়ৰ ৯৪ টা আৰু ফুলগুৰি আশ্ৰমত ১৪টা, সুন্দৰদিয়া হাইস্কুল, বৰপেটা বিদ্যাপীঠ, পাটবাউসী হাইস্কুলত ১৫০ টা পৰিয়ালক বান সাহায্য প্ৰদান কৰে। এই বান সাহায্যৰ সময়ছোৱাত সন্থাৰ ফালৰ পৰা জয় কুমাৰ ছেমছুগা, শ্ৰীধৰ শৰ্মা, এলকেশ মালু, ওম প্ৰকাশ চৌতাল, শ্ৰীধৰ বুগলীয়া আদিৰ লগতে কয়াকুছি প্ৰেছ ক্লাবৰ সম্পাদক আফতাব হুছেইন, সপ্না মহিলা সমিতিৰ মমতাজ জাহান তালুকদাৰ আদিকে কৰি বহুতো ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বান সাহায্যৰ সময়ত প্ৰতিটো পৰিয়ালত পাঁচ কিলোগ্ৰামকৈ চাউল, এক কিলোগ্ৰামকৈ দাইল, এক কিলোগ্ৰামকৈ নিমখ আৰু পাঁচশ গ্ৰামকৈ মিঠাতেল প্ৰদান কৰে।

# নলবাৰীত পহিলা জুলাইত 'চিকিৎসক দিৱস'ৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩০ জুন ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনৰ মুক্তিযুঁজাৰু, ভাৰতৰত্ন খ্যাতনামা চিকিৎসক ডাঃ বিধান চন্দ্ৰ ৰয়ক সুঁৱৰি সমগ্ৰ ভাৰতত প্ৰতিবছৰে পহিলা জুলাইত 'চিকিৎসক দিৱস' পালন কৰি অহা হৈছে। এই উপলক্ষে ভাৰতীয় চিকিৎসক সন্থা নলবাৰী শাখাৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে উদযাপনৰ আয়োজন কৰা হৈছে। সিদিনা বিশিষ্ট প্ৰসূতি চিকিৎসক ডাঃ বিপিন চন্দ্ৰ তালুকদাৰে আগবঢ়োৱা আইএমএ হাউছৰ নৱনিৰ্মিত গেট উন্মোচন কৰা হ'ব। চিকিৎসক দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকিব অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, জিলা উপায়ুক্ত গীতিমনি ফুকন, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ উমেশ ফ্ৰাংচু। উল্লেখ্য যে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অচ্যুত চন্দ্ৰ বৈশ্য আৰু নলবাৰীৰ জ্যেষ্ঠ চিকিৎসক ডাঃ অৱনী কুমাৰ দাসক অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হ'ব। চিকিৎসক দিৱস উপলক্ষে নলবাৰী চিআৰইউৰ উদ্যোগত ল'ৰা-ছোৱালীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি নিশা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।






## ছাত্ৰ-ছাত্ৰীৰ ভাল অভ্যাস



# দশম শ্ৰেণী সমাজ বিজ্ঞান/ ইতিহাস

### অসমত ব্ৰিটিছ বিৰোধী জাগৰণ আৰু কৃষক বিদ্ৰোহ





## সানমিহলি কুইজ

## নৱম শ্ৰেণীৰ গণিত

(iv) $(y^2+\frac{3}{2})(y^2-\frac{3}{2})$

$=(y^2)^2+(\frac{3}{2}+(-\frac{3}{2}))y^2+\frac{3}{2}\times(-\frac{3}{2})$

(v) $(3-2x)(3-2x)$

$=(3)^2+(-2x)\times3+(-2x)(2x)$

$=9+0\times3-4x^2$

$=9-4x^2$

4\. উপযুক্ত অভেদ ব্যৱহাৰ কৰি তলৰ ৰাশিবোৰ বিস্তাৰ কৰা।

সমাধানঃ (i) $(x+2y+4z)^2$

$= x^2+(2y)^2+(4z)^2+2x.(2y)+2(2y)(4z)+2(4z)x$

$= x^2+4y^2+16z^2+4xy+16yz+8xz$

(ii) $(2x-y+z)^2$

$=(2x)^2+(-y)^2+z^2+2\times2x(-y)+2(-y)z+2\times z\times2x$

$=4x^2+y^2+z^2-4xy-2yz+4xz$

3\. উপযুক্ত অভেদ ব্যৱহাৰ কৰি উৎপাদক বিশ্লেষণ কৰা:

সমাধান: (i) $9x^2+6xy+y^2$

$=(3x)^2+2.3x.y+(y)^2$

$=(3x+y)^2$

(ii) $4y^2-4y+1$

$=(2y)^2-2.2y.1+(1)^2$

$=(2y-1)^2$

# উচ্চতৰ মাধ্যমিক শ্ৰেণী উত্তীৰ্ণৰ পাছত ক'ত কি পঢ়িব



## কেৰিয়াৰ

ড° বুলজিৎ বুঢ়াগোহাঁই



## ■ বিশ্বাসযোগ্য তদন্তৰ বাবে বিভাগীয় মন্ত্ৰীৰ প্ৰতি আহ্বান

# শোণিতপুৰত জনস্বাস্থ্য কাৰিকৰী বিভাগত অনিয়ম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩০ জুন ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগে ২০২০-২১ত জলজীৱন আঁচনিৰ অধীনত ৰাজ্যৰ অংগনৱাড়ী কেন্দ্ৰ আৰু প্ৰাথমিক বিদ্যালয়সমূহত বিশুদ্ধ খোৱাপানীৰ যোগানৰ ব্যৱস্থা কৰিছিল। কিন্তু বিভাগটোৰ তেজপুৰ সংমণ্ডলৰ অধীনত জিলাখনৰ চাৰিটা উন্নয়ন খণ্ড অঞ্চলত ৰূপায়িত এই আঁচনিত ব্যাপক অনিয়মৰ লগতে সম্প্ৰতি এনেবোৰ আঁচনিৰ বৃহৎ সংখ্যকেই বিকল হৈ পৰা বুলি অভিযোগ উঠিছে। সম্প্ৰতি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীহিচাপে জয়ন্তমল্ল বৰুৱাই দায়িত্ব গ্ৰহণ কৰাত জিলাখনত সংঘটিত এই অনিয়মৰ লগতে জলজীৱন আঁচনিৰে তেজপুৰত ৰূপায়িত এক কামৰ বিপৰীতে ইয়াৰে কোনো প্ৰকাৰে জড়িত নথকা এটা ঠিকাদাৰ প্ৰতিষ্ঠানে জালিয়াতিৰে কাম কৰাৰ এক প্ৰমাণপত্ৰ উলিয়াই নিয়া ঘটনাৰ ক্ষেত্ৰতো তদন্ত তথা ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে বহুসংখ্যক লোকে। অভিযোগ অনুসৰি, তেজপুৰ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অধীনত যোৱা সময়ছোৱাত শোণিতপুৰৰ গাভৰু, বালিপৰা, ৰঙাপৰা আৰু নদুৱাৰ উন্নয়ন খণ্ড অঞ্চলত প্ৰায় ডেৰহেজাৰৰ অধিক অংগনৱাড়ী আৰু প্ৰাথমিক বিদ্যালয়ত বিশুদ্ধ খোৱাপানী যোগানৰ আঁচনি ৰূপায়ণ কৰা হৈছিল। আঁচনিৰ গাইডলাইন অনুসৰি, একোটা কেন্দ্ৰ আৰু এখন বিদ্যালয়ত তিনিটাকৈ পানীৰ সংযোগ দিব লাগিছিল যদিও বাস্তৱত বহু বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰত তিনিটা সংযোগ দিয়া নহ'ল। তদুপৰি ব্যক্তিগত ভূমিত থকা অংগনৱাড়ী কেন্দ্ৰত এই আঁচনি ৰূপায়ণৰ অনুমতি নাছিল যদিও একমাত্ৰ ঠিকাদাৰ আৰু বিভাগীয় বিষয়া অভিযন্তাৰ লাভৰ বাবেই ব্যক্তিগত চৌহদত থকা অংগনৱাড়ী কেন্দ্ৰটো এই পানী যোগান আঁচনি ৰূপায়ণ কৰা হয়। উল্লেখ্য যে এনে একোটা আঁচনিৰ বিপৰীতে ডেৰ-দুই লাখ টকা আবন্টন দিয়া হৈছিল।

প্ৰণিধানযোগ্য যে এনেদৰে প্ৰায় ২৫ কোটি টকাৰ অধিক ব্যয় হৈছিল এই চাৰিটা উন্নয়ন খণ্ড অঞ্চলত। ইয়াৰে ভিতৰত প্ৰায় ৪০ শতাংশ অংগনৱাড়ী কেন্দ্ৰ আছে ব্যক্তিগত চৌহদত। সম্প্ৰতি এই আঁচনিসমূহৰ আধাতকৈ অধিক সংখ্যকৰ পৰা পানী নোলাই বুলি অভিযোগ উঠাৰ লগতে অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰিয়েই ঠিকাদাৰে বিল আদায় কৰাৰ বিপৰীতে যি সংযোগৰে পানী ওলাই তাৰে অধিকাংশৰে পানীত যথেষ্ট পৰিমাণৰ আইৰণ থকা বুলিও অভিযোগ উঠিছে। তদুপৰি এই কামৰ ঠিকা আবন্টনতো তেজপুৰ জনস্বাস্থ্য কৰিকৰী সংমণ্ডলত ব্যাপক স্বজনতোষণ হোৱাৰ লগতে সেই সময়ৰ সংমণ্ডলটোৰ একাংশৰ বিষয়া অভিযন্তাৰ অঙহী-বঙহীয়ে বহু আঁচনিৰ ঠিকা লাভ কৰে। এই অনিয়ম সংঘটিত হোৱাৰ বিপৰীতে তৃতীয় পক্ষৰ পৰ্যবেক্ষণো ৰহস্যজনকভাৱে সন্তোষজনক নহ'ল আৰু ইয়াৰ আঁৰতো ৰহস্য আছে বুলি অভিযোগ উঠিছে ইপিনে, শেহতীয়াকৈ তেজপুৰস্থিত জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ এজন অনিয়মীয়া কনীষ্ঠ অভিযন্তাই এটা ঠিকাদাৰ প্ৰতিষ্ঠানক কোনো কাম নকৰাকৈয়ে প্ৰায় এক কোটি ৬২ লাখ টকাৰ কাম তেজপুৰত সম্পূৰ্ণ কৰাই নহয়, সেই ধন আদায় পোৱা বুলি প্ৰমাণপত্ৰ দিয়া আৰু ইয়াৰ বাবে তেজপুৰস্থিত উত্তৰ অসম সংমণ্ডলৰ বিভাগীয় অতিৰিক্ত মুখ্য অভিযন্তাৰ স্বাক্ষৰ জাল কৰাৰ গুৰুতৰ ঘটনা পোহৰলৈ আহিছে। তথ্য অনুসৰি, তেজপুৰৰ ২০২১ৰ ২৬ ফেব্ৰুৱাৰীৰ ৱৰ্ক অ'ৰ্ডাৰৰ বিপৰীতে তেজপুৰৰ কুণ্ডাৰ বাৰীত জলজীৱন মিছনৰ অধীনত ৰূপায়িত প্ৰকল্পৰ ৬০ হেজাৰ লিটাৰৰ টেংকি তথা পাম্পহাউচকে ধৰি পকী পথ, দেৱাল আদি নিৰ্মাণৰ কাম যোৱা তিনি অক্টোবৰত সম্পূৰ্ণ কৰা আৰু ইয়াৰ বিপৰীতে এই কাম কৰা গুৱাহাটী মালিগাঁৱৰ সিং ইনফ্ৰা কনষ্ট্ৰাকচন নামৰ ফাৰ্মক এক কোটি ৬২ লাখ ৩৭ হেজাৰ টকা আদায় দিয়া বুলি এই ঠিকাদাৰ ফাৰ্মক যোৱা দুই ডিচেম্বৰত এখন প্ৰমাণপত্ৰ দাখিল কৰা হয়। কিন্তু ৰহস্যজনকভাৱে তেজপুৰ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ অধীনস্থ এই কামৰ প্ৰমাণপত্ৰ যিটো ঠিকাদাৰ ফাৰ্মক দিয়া হ'ল সেই ফাৰ্মে কুণ্ডাৰবাৰীৰতো বাদেই তেজপুৰত ক'তো কাম কৰা নাই আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কোনো কামেই তেজপুৰত আবন্টন পোৱা নাছিল। আঁচৰিতভাৱে এই জালিয়াতিৰ তথ্য পোহৰলৈ অহা সত্ত্বেও এইজন অনিয়মীয়া কণিষ্ঠ অভিযন্তা আৰু ঠিকাদাৰ ফাৰ্মখনৰ বিৰুদ্ধে কোনো ব্যৱস্থাই গ্ৰহণ নকৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তেজপুৰ সংমণ্ডলে বিষয়টো গাঁপ দিহে ৰাখিছে। এনে স্থলত এই সমগ্ৰ অনিয়মসমূহৰ বিৰুদ্ধে এক বিশ্বাসযোগ্য তদন্তৰ বাবে বিভাগীয় নৱনিযুক্ত মন্ত্ৰীক এক বিশ্বাসযোগ্য তদন্তৰ ব্যৱস্থা কৰিবলৈ ৰাইজে আহ্বান জনাইছে।




*বান খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা-পুনৰ সংস্থাপনৰ দাবীত নলবাৰীত আছুৰ প্ৰতিবাদ।*

## বকোৰ জে এন কলেজ আৰু ছমৰীয়া আঞ্চলিক কলেজৰ মাজত সাক্ষৰিত হয় এমঅ'ইউ চুক্তি

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ৩০ জুন ঃ** কামৰূপ জিলাৰ বকোৰ অগ্ৰণী দুই উচ্চ শিক্ষানুষ্ঠান জৱাহৰলাল নেহৰু মহাবিদ্যালয় আৰু ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ মাজত আজি সাক্ষৰিত হয় বুজাবুজি অৰ্থাৎ এমঅ'ইউ চুক্তি। বকো জে এন কলেজত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত এই চুক্তি সাক্ষৰিত হয়। উল্লেখ্য যে এই চুক্তিয়ে দুয়োখন মহাবিদ্যালয়ৰ শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিবলৈ সক্ষম হ'ব। এই চুক্তিৰ জৰিয়তে দুয়োখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী বিভিন্ন দিশত উপকৃত হ'ব বুলি জানিব পৰা গৈছে। ছাত্ৰী-ছাত্ৰীসকলৰ প্ৰয়োজনীয় কিতাপ-পত্ৰ তথা অন্যান্য সুবিধা দুয়োখন শিক্ষানুষ্ঠানত উপলব্ধ হ'ব। ইয়াৰ উপৰি দুয়োখন শিক্ষানুষ্ঠানৰ শিক্ষকে ইখনে আনখন মহাবিদ্যালয়ত পাঠদান কৰাৰ উপৰি গৱেষণামূলক উদ্ভাৱনৰ ক্ষেত্ৰতো সহায়ক হ'ব। এই চুক্তিত দুয়োখন মহাবিদ্যালয়ৰ অধ্যক্ষ তথা মুৰব্বী অধ্যাপকে সাক্ষৰ কৰে। শেষত দুয়োখন মহাবিদ্যালয়ৰ অধ্যক্ষই সাৰুৱা ভাষণ আগবঢ়ায়। অনুষ্ঠানটোৰ আঁত ধৰি জে এন কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° দীগন্ত কুমাৰ দাসে স্নাতক পৰ্যায়ৰ ছাত্ৰী-ছাত্ৰীৰ বুৰঞ্জীৰ অধ্যয়নত গুৰুত্বৰ ওপৰত আলোকপাত কৰে। শলাগৰ শৰাই আগবঢ়াই জে এন কলেজৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা কৰিশ্মা দাসে। অনুষ্ঠানত দুয়োখন মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক ক্ৰমে ড° তপন দত্ত, পি কে দেৱনাথ, কোৰ্ডিনেটৰ ড° ধীৰাজ কুমাৰ দাস, সহকাৰী কোৰ্ডিনেটৰ হবিবুৰ ৰহমান, ভাইটি পেগু, ইউচুব হুছেইন, ময়নুল হক চৌধুৰী, এম এ ৰহিম মোল্লাহ উপস্থিত থাকে।

## ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সাফল্য

# দুই ছাত্ৰী কৃষি উদ্যান শস্য বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ৩০ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল অনুসৰি গোৱালপাৰা জিলাৰ ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুগৰাকী ছাত্ৰীয়ে কৃষি আৰু উদ্যান শস্য বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি ৰংজুলিৰ লগতে গোৱালপাৰা জিলালৈ সুনাম কঢ়িয়াই আনিছে। ছাত্ৰী দুগৰাকী হ'ল ভাগ্যশ্ৰী ৰায় আৰু হৰিপ্ৰিয়া ৰাভা। দুয়ো উক্ত বিষয়ত ৯৯ শতাংশ নম্বৰ লাভ কৰে। ইয়াৰ উপৰি ভাগ্যশ্ৰী ৰায়ে অসমীয়াত ৭৪, ইংৰাজী ৬০, ৰাজনীতি বিজ্ঞানত ৮৩, ভূগোল ৮০, শিক্ষা বিষয়ত ৬৫ নম্বৰ লাভ কৰি সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইপিনে, হৰিপ্ৰিয়া ৰাভাই অসমীয়া ৮৫, ইংৰাজী ৫৪, শিক্ষাত ৮৩, ভূগোল ৭৩ আৰু ৰাজনীতি বিজ্ঞানত ৬৫ নম্বৰ লাভ কৰি সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তিনিটা শাখা থকা বিদ্যালয়খনৰ কলা শাখাত উত্তীৰ্ণ হয় ৬৮.৭৫ শতাংশ। মুঠ পৰীক্ষাৰ্থী আছিল ৯৬ গৰাকী।

ইয়াৰে প্ৰথম বিভাগত এগৰাকী আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ হয় আঠ, দ্বিতীয় বিভাগত ২৩ আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হয় ৩৩ গৰাকীয়ে, বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ এশ শতাংশ। মুঠ পৰীক্ষাৰ্থী ছয়গৰাকী। ইয়াৰে প্ৰথম বিভাগত এগৰাকী আৰু দ্বিতীয় বিভাগত পাঁচগৰাকী উত্তীৰ্ণ হয়। আনহাতে, ভকেচনেল শাখাত উত্তীৰ্ণৰ হাৰ এশ শতাংশ। মুঠ সাতগৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী পৰীক্ষাৰ্থী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়।

## সোণাপুৰত নাট কৰ্মশালাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ৩০ জুন ঃ** ইউএম প্ৰডাকচন আৰু সামাজিক সাংস্কৃতিক অনুষ্ঠান আঁৰ কাপোৰৰ যৌথ উদ্যোগত অহা পাঁচৰ পৰা৩০ জুলাইলৈ বলিউড অভিনেত্ৰী উৰ্মিলা মহন্ত আৰু অভিনেতা পৰিচালক ধীৰাজ কুমাৰৰ তত্ত্বাৱধানত সোণাপুৰৰ জ্ঞানজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত চেমনীয়াসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ উদ্দেশ্যে এটা নাট কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাত বলিউডত প্ৰতিষ্ঠিত, অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা বিজয়ী উৰ্মিলা মহন্ত, জ্যোতি নাৰায়ণ নাথ (ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক, অভিনেতা, পৰিচালক), মণিমালা দাস (ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক, পৰিচালক), মহেন্দ্ৰ দাস (বিশিষ্ট অভিনেতা, পৰিচালক), নৰ মহন্ত (অভিনেতা, পৰিচালক), ধীৰাজ কুমাৰ (অভিনেতা, পৰিচালক) আদি অসমৰ বিশিষ্ট নাট্যব্যক্তিত্বৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক লৈ বলিউডৰ অভিনেত্ৰী উৰ্মিলা মহন্তৰ পৰিচালনাত 'শ্যামন্ত হৰণ' নাটকখন মঞ্চস্থ কৰা হ'ব। শ্যামন্ত হৰণ নাটকখনৰ নাট্যকাৰ গিৰিধৰ মহন্ত। কৰ্মশালাত সপ্তম শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। ইতিমধ্যে ২০ জুনৰ পৰা প্ৰ-পত্ৰ দি থকা হৈছে। যোগদানৰ অন্তিম দিন তিনি জুলাই। কৰ্মশালাৰ সময় পুৱা ন বজাৰ পৰা দিনৰ ১-৩০ বজালৈ। পাঁচ জুলাইৰ পুৱা ১০ বজাত কৰ্মশালাৰ আৰম্ভণি আৰু শ্যামন্ত হৰণ নাটকখনৰ শুভ মহুৰত কৰা হ'ব। সেয়েহে কাৰ্যসূচীত শুভাকাংক্ষী ৰাইজৰ উপস্থিতি উদ্যোক্তাই কামনা কৰিছে। কৰ্মশালাৰ বিষয়ে সবিশেষ জানিবলৈ ৬০০০৪৭৯৮০০, ৭০৯৯৮৫২৩৩৫ আৰু ৯১০১৬-৫৬৩৯০ত যোগাযোগ কৰিব পাৰিব।

## ৰঙিয়াত একক ব্যৱহাৰযোগ্য প্লাষ্টিক নিষিদ্ধ

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ৩০ জুন ঃ** ৰঙিয়া মহকুমাত স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে অহা পহিলা জুলাইৰ পৰা একক ব্যৱহাৰযোগ্য প্লাষ্টিক জাতীয় সামগ্ৰীৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে । কালি ৰঙিয়াৰ মহকুমাধিপতি জাবীৰ ৰাহুল সুৰেশ আৰু পৌৰপতি অমৰেন্দ্ৰ লহকৰে যুটীয়াভাৱে এই ঘোষণা কৰে। এই উপলক্ষে কালি ৰঙিয়া চহৰত মহকুমা প্ৰশাসন আৰু ৰঙিয়া পৌৰসভাৰ উদ্যোগত এক সজাগতা সমদল উলিওৱা হয়। ৰঙিয়া পৌৰসভাৰ পৰা আৰম্ভ কৰা এই সজাগতা সমদল ৰঙিয়া চহৰৰ ছুপাৰ মাৰ্কেটত সামৰণি পৰে। সমদলত ৰঙিয়া মহকুমাৰ মহকুমাধিপতি জাভিৰ ৰাহুল সুৰেশ, পৌৰপতি অমৰেন্দ্ৰ লহকৰ, উপ-পৌৰপতি বিদ্যুৎ ডেকা, কাৰ্যবাহী বিষয়া চম্পক ডেকা, কাৰ্যবাহী অভিযন্তা বসন্ত ডেকা, নগৰ প্ৰকল্প বিষয়া নেহাৰ ছামাদ, জ্যোতিসহ পাৰিষদ তথা বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। এই সজাগতা কাৰ্যসূচীৰ অংশ হিচাপে ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকী তথা গ্ৰাহকসকলৰ মাজত সজাগতামূলক প্ৰচাৰ পত্ৰ বিতৰণ কৰা হয়। প্ৰচাৰ পত্ৰত উল্লেখ কৰা মতে, অহা পহিলা জুলাইৰ পৰা সকলো ধৰণৰ একক ব্যৱহাৰযোগ্য প্লাষ্টিক বিশেষকৈ প্লেট, কাপ, গিলাছ, চামুচ, প্লাষ্টিকৰ ষ্টিক থকা এয়াৰ বাড, বেলুনত লগোৱা প্লাষ্টিকৰ ষ্টিক, প্লাষ্টিকৰ পতাকা, কেণ্ডি, আইচক্ৰীম আদিৰ ষ্টীক, প্লাষ্টিকৰ সামগ্ৰী আদিৰ প্ৰস্তুতকৰণ, আমদানি, মজুতকৰণ, বিতৰণ, বিক্ৰী আৰু ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। সমদলৰ অন্তত মহকুমাধিপতি জাবীৰ ৰাহুল সুৰেশে কয় যে শেহতীয়াকৈ ৰঙিয়া নগৰত প্লাষ্টিকৰ আৱৰ্জনাৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানী ৰোধৰ লক্ষ্যৰে প্ৰশাসনে এনে এক ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ সকলো ধৰণৰ একক ব্যৱহাৰযোগ্য প্লাষ্টিকৰ সামগ্ৰী আদিৰ প্ৰস্তুতকৰণ, আমদানি, মজুতকৰণ, বিতৰণ, বিক্ৰী আৰু ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰিছে । অকল সেয়াই নহয় সৌন্দৰ্যবৰ্ধনৰ বাবে থাৰ্মকল ব্যৱহাৰো নিষিদ্ধ কৰা হৈছে। তদুপৰি মিঠাইৰ বাকচ, নিমন্ত্ৰণী পত্ৰ আৰু এশ মাইক্ৰণতকৈ কম ঘনত্বৰ প্লাষ্টিকৰ বেনাৰো নিষিদ্ধ কৰা হৈছে। তাৰ পৰিৱৰ্তে মাটি অথবা কাগজৰ কাপ, প্লেট, বাতি আৰু কাপোৰৰ মোনা ব্যৱহাৰ আৰু বিক্ৰীৰ ব্যৱস্থা কৰাৰ আহ্বান জনোৱা হৈছে। নিষেধাজ্ঞা অমান্য কৰা লোকক এহেজাৰ টকাৰ পৰা পাঁচহেজাৰ টকালৈ জৰিমনাৰ লগতে অনুজ্ঞা পত্ৰও বাতিল কৰা হ'ব বুলি প্ৰশাসনৰ তৰফৰ পৰা সকীয়াই দিয়া হৈছে । তেওঁ একক ব্যৱহাৰযোগ্য প্লাষ্টিক ব্যৱহাৰ নকৰিবলৈ ৰাইজলৈ আহ্বান জনাইছে।

## নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুলত যোগ সোপান বৰ্গ আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**ছয়গাঁও, ৩০ জুন ঃ** যোগ গুৰুকুল অসমৰ সৌজন্যত কালিৰে পৰা পলাশবাৰী সমষ্টিৰ নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুলত যোগ সোপান বৰ্গ আৰম্ভ কৰা হৈছে। নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুলৰ সভাপতি তথা সমাজকৰ্মী নয়ন মহন্তৰ সভাপতিত্বত অনুষ্ঠিত আৰম্ভণী অনুষ্ঠানত যোগ গুৰুকুল অসমৰ সভাপতি দিলীপ গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰে। ডাঃ হিমাংশু বুজৰ বৰুৱাই আঁত ধৰা কৰ্মশালাত ভাষণ প্ৰদান কৰে প্ৰধান শিক্ষক ধীৰেণ কুমাৰে। অহা দুই জুলাইলৈ চলিবলগীয়া কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অসমৰ যোগ শিক্ষক ভাস্কৰ হাজৰিকা, প্ৰবীণ দাস, যোগ শিক্ষয়িত্ৰী নিলু কৰিশ্মা দাসে। প্ৰথম দিনাই ৰাইজৰ সঁহাৰি লাভ কৰা অনুষ্ঠানত ১২০গৰাকী ছাত্ৰ-ছাত্ৰীক যোগ প্ৰশিক্ষণ দিয়ে। যোগ গুৰুকুল অসমৰ উপ-সভাপতি অনুপ মেধিৰ কল্যাণ মন্ত্ৰৰে কালিৰ কাৰ্যসূচী সামৰণি মাৰে।

## মহাৰজত জয়ন্তীৰ আয়-ব্যয়ৰ হিচাপ দাখিল সভা

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩০ জুন ঃ** চলিত বৰ্ষৰ যোৱা জানুৱাৰীত সামৰণি পৰা তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আয়-ব্যয়ৰ হিচাপ দাখিল আৰু অন্যান্য বিষয়সমূহৰ ওপৰত এখন ৰাজহুৱা সভা অহা এক জুলাইত দিনৰ এক এক বজাত বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। সভাত উদ্যাপন সমিতিৰ সকলো বিষয়ববীয়া, ৰাইজৰ উপস্থিতি মহাৰজত জয়ন্তীৰ উদ্যাপন সমিতিয়ে কামনা কৰিছে।

## ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ত শোকসভা

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩০ জুন ঃ** ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ পৰা জ্যেষ্ঠ সহায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০১৫ত অৱসৰ গ্ৰহণ কৰা দক্ষিণ সোণাৰি গাঁৱৰ নিৱাসী কুসুম লতা বৰদলৈৰ যোৱা ২৫ জুনত বিয়োগ ঘটাত মহাবিদ্যালয় প্ৰাংগণত যোৱা ২৭ জুনত এখন শোকসভা অনুষ্ঠিত হ?. মহাবিদ্যালয়ৰ উপাধ্যক্ষা জোনাকী দত্ত ভূঞাৰ পৌৰোহিত্যত অনুষ্ঠিত শোকসভাত ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ৰঙাই ভূঞা, কৰ্মচাৰী পিণাক পাণি মহন্ত প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী সমৱেত হৈ প্ৰতিষ্ঠাপক সহায়কগৰাকীৰ কৰ্মময় জীৱনৰ ওপৰত আলোকপাত কৰে। লগতে তেওঁৰ বিদেহ আত্মাৰ সদ্‌গতি কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা জনাই শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

## অগ্নিপথ বাতিল, বান সমস্যা সমাধান-মূল্যবৃদ্ধি ৰোধৰ দাবীত বিজনীত চিপিআই(এম)ৰ প্ৰতিবাদ




**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৩০ জুন ঃ** চিৰাং জিলাৰ বিজনী চহৰত কালি চিপিআইএমৰ বিজনী লোকেল কমিটীয়ে অসমৰ বানপানীৰ স্থায়ী সমাধান, গৰাখহনীয়া ৰোধকে ধৰি কে'বাটাও দাবীৰ সমৰ্থনত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে । চিৰাং জিলাৰ বিজনী চহৰত চিপিআইএমৰ এই কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তিত অগ্নিপথ আইনৰ বিৰোধিতা কৰে। কেন্দ্ৰীয় চৰকাৰৰ এই আইনখনৰ বিৰুদ্ধে সমগ্ৰ দেশত প্ৰতিবাদ সাব্যস্ত হোৱাৰ লগতে চিৰাং জিলাৰ বিজনীতো চিপিআই(এম)ৰ বিজনী লোকেল কমিটীৰ উদ্যোগত অগ্নিপথ আইন বাতিলৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিজনীৰ বল্লামগুৰি বাছ আস্থানৰ সমীপৰ চিপিআই(এম)ৰ কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত অগ্নিপথ আঁচনি আইন বাতিল কৰা, অসমত বানপানী সমস্যাৰ স্থায়ী সমাধান কৰা, বান খহনীয়া ৰোধ কৰা আৰু নিত্য ব্যৱহৃত সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবী উত্থাপন ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। প্ৰতিবাদী কাৰ্যসূচীত অখিল ভাৰত কৃষক সভা, ভাৰতৰ ছাত্ৰ ফেডাৰেছন আৰু ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেছনৰ নেতা-কৰ্মীয়ে সহযোগ কৰে।

## দুই নম্বৰৰ বাবেই স্থান লাভৰ পৰা বঞ্চিত বগুৱানৰ হিমাক্ষী দেৱী

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩০ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত গোৱালপাৰা চহৰৰ চি ভি ৰমণৰ ছাত্ৰী হিমাক্ষী দেৱীয়ে মাত্ৰ দুই নম্বৰৰ বাবেই স্থান লাভৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। অৱশ্যে গোৱালপাৰা জিলাৰ ভিতৰত বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে মেধাৱী ছাত্ৰীগৰাকীয়ে। গোৱালপাৰা জিলাৰ বগুৱানৰ মুৰালীঝাৰ গাঁৱৰ স্থায়ী বাসিন্দা তথা সহকাৰী শিক্ষক নেত্ৰ নাৰায়ণ নাথ আৰু গৃহিণী হীৰাময়ী দেৱীৰ জ্যেষ্ঠ কন্যা তথা চি ভি ৰমণ কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰী হিমাক্ষী দেৱীয়ে ইংৰাজীত ৯৪, অসমীয়াত ৯৮, পদাৰ্থ বিজ্ঞানত ৯৩, ৰসায়ন বিজ্ঞানত ৯৪ আৰু গণিতত ৯৩ মুঠ ৪৭২ (৯৪.৪ শতাংশ) নম্বৰ লাভ কৰি বিদ্যালয়খনৰ লগতে বগুৱান অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনে। উল্লেখ্য যে ২০২০ত বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত মেধাৱী ছাত্ৰীগৰাকীয়ে ৯৬.৮৩ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছিল। দুৰ্ভাগ্যজনক কথা যে মেট্ৰিকত মাত্ৰ তিনি নম্বৰৰ বাবে স্থান লাভৰ পৰা বঞ্চিত হোৱা মেধাৱী ছাত্ৰীগৰাকীয়ে এইবেলি উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাতো মাত্ৰ দুই নম্বৰৰ বাবেই স্থান লাভৰ পৰা বঞ্চিত হ'বলগীয়া হয়।



## পহিলা জুলাইত ধুবুৰী জিলা দিৱস

**অগ্ৰদূত বাৰ্তা**

**তামাৰহাট, ৩০ জুন ঃ** ১৯৮৩ৰ পহিলা জুলাইত গঠন হোৱা ধুবুৰী জিলাৰ প্ৰতিষ্ঠা দিৱস 'জিলা দিৱস' হিচাপে উদ্‌যাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে জিলা প্ৰশাসনে। অহা শুকুৰবাৰে ধুবুৰী টাউনত থকা আৰক্ষী নিৰেশৰ প্ৰেক্ষাগৃহত ধুবুৰীৰ স্থানীয় ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে দিনজোৱা কাৰ্যসূচীৰে জিলা দিৱস পালন কৰা হ'ব।

### ■ ৰাইজৰ সহযোগত জিলা প্ৰশাসনে সম্পূৰ্ণ কৰিছে প্ৰস্তুতি

সেইদিনা পুৱা ১১ বজাত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছতে ধুবুৰী জিলাৰ বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হ'ব আৰু ধুবুৰী জিলাৰ ইতিহাস আৰু ঐতিহ্যক সামৰি এখন আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। ইয়াত ধুবুৰীৰ ইতিহাস আৰু ঐতিহ্য সন্দৰ্ভত বিশেষ জ্ঞান থকা শংকৰ কুমাৰ বসুৱে বিশিষ্ট বক্তাৰূপে ভাষণ দিব। ইয়াৰ পাছতে অনুষ্ঠিত হ'ব চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা। বিয়লি চাৰি বজাৰ পৰা ধুবুৰীৰ বৰ্ণিল সংস্কৃতিৰ প্ৰদৰ্শনেৰে অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠানৰ। ইয়াৰ পাছতে দিনত অনুষ্ঠিত প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণ কৰা হ'ব।

আনহাতে, জিলা গঠনৰ ঐতিহাসিক আৰু আনন্দময় মুহূৰ্তক স্মৰণ কৰি সেইদিনা সন্ধিয়া সকলো চৰকাৰী কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ব্যক্তিগত আৱাসসমূহ পোহৰেৰে আলোকিত কৰি তুলিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। জিলা দিৱসৰ প্ৰতিটো কাৰ্যসূচীত ৰাইজৰ সক্ৰিয় অংশগ্ৰহণ কামনা কৰিছে জিলা উপায়ুক্ত অম্বামুথন এম পিয়ে।

## গোৰেশ্বৰত সাতদিনীয়া কেন্দ্ৰীয় নাট কৰ্মশালাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ৩০ জুন ঃ** অসম নাট্য সন্মিলন, গোৰেশ্বৰ শাখাৰ উদ্যোগত অহা ১০ জুলাইৰ পৰা সাতদিনীয়া নাট কৰ্মশালাৰ আয়োজন কৰা হৈছে। নাট্য সন্মিলন, গোৰেশ্বৰ শাখাৰ সভাপতি ৰবি কুমাৰ ডেকা আৰু সম্পাদক ধৰ্মকান্ত ৰাজবংশীয়ে জনোৱা অনুসৰি, অহা ১০ জুলাইৰ পৰা আৰম্ভ হ'ব লগা সাতদিনীয়া 'কেন্দ্ৰীয় নাট কৰ্মশালা' গোৰেশ্বৰ চহৰৰ মাজমজিয়াত অৱস্থিত গোৰেশ্বৰ আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ প্ৰাংগণত প্ৰথম মহলাত অনুষ্ঠিত হ'ব। নাট কৰ্মশালা সকলোৰে বাবে মুকলি থাকিব। পুৱা ১০ বজাৰ দিনৰ দুই বজালৈ চলিব লগা কৰ্মশালাত কোনো ধৰণৰ ভৰ্তি মাচুল নাথাকে। আনহাতে, অসম নাট্য সন্মিলনৰ অভিজ্ঞতা সম্পন্ন অভিনেতা, নাট সমালোচকৰ দ্বাৰা শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হ'ব বুলি জানিবলৈ দিছে উদ্যোক্তসকলে। কৰ্মশালাত অংশগ্ৰহণৰ বাবে বয়সৰ কোনো নিৰ্দিষ্ট সীমা নাথাকিব।' কেন্দ্ৰীয় নাট কৰ্মশালাত' অংশগ্ৰহণ কৰিব বিচৰাসকলক আগতীয়াকৈ নাট্য সন্মিলন গোৰেশ্বৰ শাখাৰ সহ সম্পাদকদ্বয় ক্ৰমে ভৱেশ ডেকা আৰু মুন সাহাৰ ফোন নম্বৰ ক্ৰমে ৯৫৭৭২৫২৩৫৭ আৰু ৮১৩৫৯৮৩৭৬০ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# আৰ্থিক দৈন্যক নেওচি বিজনীত জিলিকিল দুখীয়া ঘৰৰ দুই ছাত্ৰী

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৩০ জুন ঃ** সাফল্যৰ বাটত দৰিদ্ৰতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে তাকে প্ৰতিপন্ন কৰি চিৰাং জিলাৰ বিজনীত জিলিকি উঠিল অতি দৰিদ্ৰ পৰিয়ালৰ দুগৰাকী ছাত্ৰী। বিজনী চহৰস্থিত ব্যক্তিগত খণ্ডৰ কণিষ্ঠ মহাবিদ্যালয় 'নীড একাডেমী'ৰ পৰা দুয়োগৰাকী ছাত্ৰীয়ে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে দুয়োগৰাকী ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ বাবে ব্যক্তিগত খণ্ডৰ উক্ত বিদ্যালয়খনত বিনামূলীয়াকৈ অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিছিল। ইয়াৰে এগৰাকী হৈছে বিজনী মহকুমাৰ অতি ভিতৰুৱা অঞ্চল চাৰি নম্বৰ দক্ষিণ মাক্ৰা নিবাসী অতিন চন্দ্ৰ বৰ্মনৰ একমাত্ৰ জীয়ৰী বিনতা বৰ্মন। পিতৃয়ে গুৱাহাটীৰ এটা ছোৱালী হোষ্টেলৰ ৰান্ধনি হিচাপে কাম কৰাৰ লগতে মাতৃয়ে আনৰ ঘৰে ঘৰে মজুৰি কৰি পৰিয়াল পোহপাল দিয়া পৰিয়ালৰ একমাত্ৰ জীয়ৰী বিনতাৰ নাছিল কোনো ব্যক্তিগত টিউচন। মনত ভৱিষ্যতে অসামৰিক প্ৰশাসনিক বিষয়া হৈ সমাজৰ কাম কৰাৰ সপোন পুহি ৰখা মেধাৱী ছাত্ৰী বিনতাই সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফলত কলা শাখাত আটাইকেইটা বিষয়ত লেটাৰ লাভ কৰি ৮৮.৪ শতাংশ নম্বৰেৰে সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। কিন্তু মেধাৱী ছাত্ৰী বিনতাৰ সপোন পূৰণত সম্প্ৰতি হেঙাৰ হৈ থিয় দিছে আৰ্থিক দৈন্যই।



আনহাতে, বিজনী চহৰৰ নিকটৱৰ্তী পুৰাণ বিজনীৰ পিতৃহীন মেধাৱী ছাত্ৰী ৰুমী বেগমো সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফলত কলা শাখাত আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ ৮৭.৮ শতাংশ লৈ সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। এফালে দৰিদ্ৰতা আৰু আনফালে বিছনাত পৰি থকা ৰোগাক্ৰান্ত পিতৃৰ চিন্তাৰ মাজতো প্ৰৱল মেধা শক্তিৰ জৰিয়তে ছাত্ৰীগৰাকীয়ে এই কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছে। পৰিতাপৰ বিষয় তিনি বছৰতকৈও অধিক সময় শৰীৰ এটা অংশ বিকল হৈ শয্যাগত হৈ থাকি ফলাফল ঘোষণাৰ ১০ দিন আগত মৃত্যু হয় ৰুমীৰ শ্ৰমিক পিতৃৰ। যাৰ ফলত মেধাৱী কন্যাৰ সাফল্যত সুখৰ সমভাগী হোৱাৰ পৰা বঞ্চিত হ'ল পিতৃ। পৰিয়ালত দ্বিতীয় উপাৰ্জনকাৰী ব্যক্তি নথকাত মাতৃ ৰমিছা বেগমে দীৰ্ঘদিনৰ পাৰ আনৰ ঘৰত কাম কৰি পৰিয়াল পোহপাল দিয়াৰ উপৰি বহন কৰিছিল জীয়ৰীৰ পঢ়াৰ খৰচ। কেনেকৈ সেই স্থানলৈ আগুৱাই লৈ যাব তাকে লৈ চিন্তাত পৰিছে মাতৃ। সেয়ে কোনো সদাশয় লোকৰ পৰা সহায়ৰ আশা কৰিছে মাতৃয়ে।

## তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ত গণিত ক্লাবৰ লেব'ৰেটৰী উদ্বোধন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ৩০ জুন ঃ** তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী হোৱাকৈ বিদ্যালয়ৰ শিক্ষয়িত্ৰী অনামিকা গগৈৰ তত্ত্বাৱধানত গঢ়ি তোলা গণিত ক্লাবৰ লেব'ৰেটৰীটো উদ্বোধন কৰে দৰং মহাবিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ৰামচৰণ ডেকাই। বিদ্যালয়খনৰ অধ্যক্ষা ভাৰতী দাসে সভাপতিত্ব কৰা কালিৰ এই সভাত তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক ড° বিপুল কুমাৰ শৰ্মা, জিলা মধ্যাহ্ন ভোজন পৰিকল্পনা বিষয়া দিপু বৰুৱা, বিআৰপি অঞ্জন কুমাৰ ডেকা আৰু চিআৰচিচি গুলচন বেগম উপস্থিত থাকে। ক্লাবৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে ড° শৰ্মাই আৰু ছাত্ৰীসকলৰ লগত গণিতৰ খেল দেখুৱাই সকলোকে জ্ঞানৰ লগতে আনন্দ প্ৰদান কৰে। গণিত ক্লাবত গতানুগতিক শ্ৰেণীত শিকোৱা পাঠৰ বাহিৰেও কিছু হাতে কামে কৰি শিকিব পৰা গণিতৰ প্ৰতি অধিক গুৰুত্ব দিব লাগে বুলি উন্মোচনী ভাষণত ড° ডেকাই কয়। সভাত ছাত্ৰীসকলে অসম গণিত শিক্ষায়তনৰ প্ৰতিকী গীত পৰিবেশন কৰাৰ লগতে হাৰুণ অল ৰছিদে ৰচনা কৰা 'গণিত-২' কবিতাটো পাঠ কৰে বিদ্যালয়খনৰ ছাত্ৰী জোনালী দাসে। শিক্ষয়িত্ৰী অনামিকা গগৈয়ে আঁতধৰা সভাখনত শলাগৰ শৰাই আগবঢ়াই বিদ্যালয়ৰ গণিত ক্লাবৰ সম্পাদিকা বৰষা দাসে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন লাভ কৰা বিদ্যালয়খনৰ দুগৰাকী কৃতী ছাত্ৰী গাৰ্গী কলিতা আৰু স্নেহা আইচক এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়।

# শিৱসাগৰত ভাৰতীয় জনতা মজদুৰ সংঘৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩০ জুন ঃ** শিৱসাগৰ জিলাৰ নগৰৰ মাজমজিয়াৰ মিলন মন্দিৰৰ প্ৰেক্ষাগৃহত যোৱা ২৫ জুনত ভাৰতীয় জনতা মজদুৰ সংঘৰ অসম প্ৰদেশৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা এদিনীয়া কাৰ্যসূচীৰে সম্পন্ন হয়। অসমৰ প্ৰান্তৰৰ পৰা অহা প্ৰতিনিধি তথা জিলাৰ বিষয়ববীয়াসকলক লৈ অসম প্ৰদেশ ভাৰতীয় জনতা মজদুৰ সংঘৰ সভাপতি প্ৰাঞ্জল দাসৰ সভাপতিত্বত আৰম্ভ হয়। সভাত উপস্থিত থাকে ভাৰতীয় জনতা মজদুৰ সংঘৰ ৰাষ্ট্ৰীয় সভাপতি সন্ত প্ৰকাশ য়াতৱে চৰকাৰৰ স'তে শ্ৰমিকৰ স্বাৰ্থ ৰক্ষাৰ বাবে কৰি থকা প্ৰয়াসৰ বিষয়ে অৱগত কৰে। ইলেকট্ৰ'নিক মাধ্যমৰ সংবাদকৰ্মীসকলক শ্ৰমিক আইনৰ আওতালৈ আনি সাংবাদিক শ্ৰমিকৰ সুৰক্ষা বাবে প্ৰধানমন্ত্ৰীৰ লগত কৰা আলোচনাৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰে। ইয়াৰ লগতে ভাৰতীয় জনতা মজদুৰ সংঘৰ জোৰদাৰ প্ৰচেষ্টাত অংগনৱাড়ী আৰু আশাকৰ্মীসকলৰ সুৰক্ষা আৰু স্বাৰ্থৰক্ষাৰ বাবে ব্যক্তিগত বিদ্যালয়বোৰৰ শিক্ষকসকলৰ মজুৰিৰ নিম্নতম সীমা নিৰ্ধাৰণৰ বাবে মজদুৰ সংঘৰ প্ৰচেষ্টাক কেন্দ্ৰীয় চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰাৰ বিষয়ে অৱগত কৰে। সভাত যোৰহাট জিলাৰ সভাপতি গিৰীশ শইকীয়া, ডিব্ৰুগড়ৰ সভাপতি জয়ন্ত দত্ত, ৰাজ্যিক উপ-সভাপতি ক্ৰমে জ্যোতি প্ৰসাদ বৰা, বিকাশ বৰদলৈ, তিনিচুকীয়া জিলাৰ সাধাৰণ সম্পাদক কনক চাংমাইকে ধৰি বিভিন্নজনে বক্তব্য আগবঢ়ায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰাজ্যিক সম্পাদক প্ৰণয় প্ৰতিম ভূঞাই। সভা আগবঢ়ায় নিয়ে আন এজন ৰাজ্যিক সম্পাদক নোমল কোঁৱৰে। ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত লোৱা সাংগঠনিক প্ৰস্তাৱ নতুনকৈ নিযুক্তি দিয়া জিলা সভাপতিসকলে অতি কমদিনৰ ভিতৰত পূৰ্ণাংগ জিলা সমিতি গঠন কৰা, জুলাইৰ ভিতৰত জিলা কাৰ্যনিৰ্বাহক সভাসমূহ আয়োজন, আগন্তুক তিনি মাহত ১০ হেজাৰ সদস্য ভৰ্তিৰ লক্ষ্য, ব্যক্তিগত খণ্ডৰ স্কুল-কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক একেলগ কৰি ভাৰতীয় জনতা মজদুৰ সংঘৰ এটি ইউনিয়ন গঠনৰ লক্ষ্য। জীৱিকা সখী আৰু অংগনৱাড়ী কৰ্মীসকলৰ কাৰণে আগন্তুক সময়ত মজদুৰ সংঘই কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

বিধ্বস্ত যাতায়াত ব্যৱস্থা সুচল কৰি তোলাৰ দাবী ৰাইজৰ

# এখন বাঁহৰ সংযোগী সাঁকোৰে চলিছে কামপুৰ-বৰক'লা পথৰ যাতায়াত



**বিশেষ সংবাদদাতা**

**নগাঁও, ৩০ জুন ঃ** দুটাকৈ প্ৰলয়ংকৰী বানে তচনচ কৰাৰ পাছত এতিয়া সকলোতে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে কামপুৰবাসীৰ মাজত। মূলত ঃ কামপুৰৰ যাতায়াত ব্যৱস্থা বিধ্বস্ত হৈ পৰাত কামপুৰৰ অঞ্চলত মানুহে যমৰ যাতনা ভুগিছে। সম্প্ৰতি কামপুৰ-কঠিয়াতলি পথ, কামপুৰ বৈঠালাংছ' পথ, কামপুৰ-ৰহা পথ আৰু কামপুৰ-বৰক'লা পথেৰে যাতায়াত বন্ধ হৈ পৰিছে। ফলত যাতায়াতৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজে জীয়াতু ভুগিব লগা হৈছে। ইতিমধ্যে এই পথকেইটাৰে গধুৰ যানবাহনৰ যাতায়াত বন্ধ হোৱাত অঞ্চলটোত ইন্ধন জাতীয় সামগ্ৰীৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনি হোৱা সম্ভাৱনাই দেখা দিছে। কামপুৰ বৰক'লা পথটোৰ নগাঁও সদৰ আৰু বঢ়মপুৰ সমষ্টিৰ সীমামূৰীয়া বৰক'লা দলঙৰ কাষত এটা অংশ খহি বৰ্তমানেও পানী বৈ থকাত ব্যাপক সমস্যাৰ সৃষ্টি হৈছে। উল্লেখ্য যে নগাঁও জিলাৰ কামপুৰকে ধৰি পশ্চিম কাৰ্বি আংলং জিলাৰ লগত সংযোগ থকা এই পথছোৱা খহাই নিয়াত ব্যাপক সমস্যাৰ সৃষ্টি হৈছে কামপুৰ অঞ্চলত। বছৰৰ প্ৰথমটো বানত এই ঠাইখিনি খহাই নিয়াৰ পাছত গড়কাপ্টানী বিভাগে মেৰামতি কৰিছিল যদিও দ্বিতীয়টো বানে পুনৰ খহাই নিয়ে। যাৰ বাবে যাতায়াত বন্ধ হৈ পৰে পথটোৰে। অৱশ্যে কেইজনমান যুৱকে এখন বাঁহৰ চাং দি দুচকীয়া বাহন পাৰ হ'ব পৰাকৈ ব্যৱস্থা কৰিছে। বান বিধ্বস্ত এই অঞ্চলটো যাতায়াত ব্যৱস্থা সুচল কৰিবৰ বাবে অঞ্চলবাসীয়ে চৰকাৰক দাবী জনাইছে।

# কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা উপেন মিনা ফাউণ্ডেছনৰ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩০ জুন ঃ** নলবাৰীৰ নিকটৱৰ্তী শান্তিপুৰত গঢ়ি উঠা উপেন মিনা ফাউণ্ডেছন-এ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ শান্তিপুৰ আৰু ইয়াৰ দাঁতি-কাষৰীয়া গাঁৱৰ ৩৫ গৰাকী শিক্ষাৰ্থীক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে অৱগত হৈ শিক্ষাৰ্থীসকলক সকলো প্ৰকাৰে সহায় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। ইয়াৰ আগতেও এই ফাউণ্ডেছনে বিভিন্ন শৈক্ষিক অনুষ্ঠান, খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ আৰু যুৱচামক খেলৰ যোগেদি নিজৰ প্ৰতিভা বিকাশত সহায় কৰাৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াই আহিছে।

# কাৰাকুছিত বান সাহায্য প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**সৰ্থেবাৰী, ৩০ জুন ঃ** আবুল শ্বেইখ ফাউণ্ডেছন আৰু কাৰাকুছি গাঁৱৰ কিছু প্ৰবাসী ব্যক্তিৰ যৌথ উদ্যোগত যোৱা ২৭ জুনত সৰ্থেবাৰীৰ সমীপৱৰ্তী কাৰাকুছি গাঁৱত বান সাহায্য প্ৰদান কৰা হয়। সাম্প্ৰতিক বানত বেয়াকৈ ক্ষতিগ্ৰস্ত গাঁওখনৰ ৩৩০টা পৰিয়ালৰ মাজত সাহায্য সামগ্ৰী হিচাপে চেনি, দাইল, মিঠাতেল, চাহপাত, আলু, হালধিগুড়ি, চাবোন, কাপোৰ ধোৱা পাউদাৰ, বিস্কুট আদি প্ৰদান কৰা হয়। উল্লেখ্য যে শেহতীয়াকৈ বানত সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কাৰাকুছি গাঁওখন বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। কৃষি আৰু কাঁহ শিল্পকে জীৱিকাৰ প্ৰধান বৃত্তি হিচাপে লৈ পেট প্ৰৱৰ্তন কৰা গওঁা ৰাইজ এইবেলি বানপানীত বেয়াকৈ জুৰুলা হৈছে। বানপানীৰ ফলত বিগত কে'বাদিনো ধৰি কঁহাৰ শালসমূহ বন্ধ থকাত কাঁহ শিল্পীসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। বানবিধ্বস্ত লোকসকলক চৰকাৰী সাহায্যৰ নামত কেইমুঠিমান চাউল আৰু দাইল যোগান ধৰা হৈছে যদিও জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় নিত্য ব্যৱহাৰ্য আন আন সামগ্ৰীৰ অভাৱত ৰাইজৰ অৱস্থা তথৈবচ হৈ পৰিছে। এনে সময়তে গাঁওখনৰ শুভ চিন্তক কিছু প্ৰবাসী ব্যক্তি আৰু আবুল শ্বেইখ ফাউণ্ডেছনৰ নামৰ দাঁতব্য সংস্থাটোৱে স্বেচ্ছাই ৰাইজলৈ সহায়ৰ হাত আগবঢ়াবলৈ অহাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

# দশম স্থান প্ৰাপক প্ৰিয়াংশু দাসক চৰাইদেউ জিলা প্ৰশাসনৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩০ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাত সোণাৰিৰ কমাৰ্চ কলেজৰ পৰা বাণিজ্য শাখাত অসমৰ ভিতৰতে দশম স্থান দখল কৰি চৰাইদেউ জিলালৈ গৌৰৱ কঢ়িয়াই অনা প্ৰিয়াংশু দাসক কালি চৰাইদেউ জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু উপায়ুক্ত পল বৰুৱাই কৃতী ছাত্ৰজনক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্তদ্বয় জাবেদ আৰমান আৰু মৌচুমী চেতিয়া, সহকাৰী আয়ুক্ত জাহ্নৱী গোস্বামী, মাহমৰা, সাপেখাতী আৰু সোণাৰিৰ ৰাজহ চক্ৰ বিষয়াসকল ক্ৰমে ইণ্ডিকা গগৈ, ডাঃ অনামিকা গগৈ আৰু চৈতালী ৰাণী দত্ত, সোণাৰি পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগ, সোণাৰিৰ কমাৰ্চ কলেজৰ অধ্যক্ষ ড° বিপুল দে আৰু সমাজকৰ্মী মণ্টু কোঁৱৰৰ লগতে ভালেসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# গোৱালপাৰাৰ বিভিন্ন ঠাইত ড্ৰাগছ বিৰোধী সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩০ জুন ঃ** আন্তৰ্জাতিক নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে গোৱালপাৰাত আৰক্ষীয়ে যোৱা ২৬ জুনত সমদল উলিয়ায়। গোৱালপাৰা চহৰৰ বাপুজীনগৰস্থিত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা উলিওৱা সমদলত গোৱালপাৰাৰ আৰক্ষী অধীক্ষক ৰাকেশ ৰেড্ডী, অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকা, উপ-আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মা, আৰক্ষী বেটেলিয়নৰ ব্ৰেণ্ড পাৰ্টি, প্ৰিফেচ অৱ লাইফ ফাউণ্ডেছনৰ বিষয়ববীয়াসকল আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। বেনাৰৰ লগতে হাতে হাতে ড্ৰাগছ বিৰোধী প'ষ্টাৰ লৈ প্ৰায় তিনি কিলোমিটাৰ সমদলেৰে গৈ চহৰৰ বিঅ'চিত সামৰণি মৰা হয়। সজাগতামূলক সমদলৰ জৰিয়তে জিলা আৰক্ষী অধীক্ষক ৰেড্ডীয়ে কয় যে ইয়াৰ আগলৈ আমি ৰঙাগঢ়াৰ ফায়াৰিং ৰেঞ্জত এক কোটি টকা ড্ৰাগছ জ্বলাই দিছো। সজাগতামূলক সমদলৰ জৰিয়তে সমাজত এটা বাৰ্তা প্ৰেৰণ কৰিব বিচাৰিছো যাতে গোৱালপাৰা জিলাখন নিচামুক্ত তথা ড্ৰাগছমুক্ত জিলা হিচাপে গঢ়ি তুলিব পাৰো।তদুপৰি ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থাকিব বুলি উল্লেখ কৰে। ইপিনে গোৱালপাৰা জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগত চহৰৰ নিউ মাৰ্কেটত ড্ৰাগছৰ বিৰুদ্ধে সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। তদুপৰি গোৱালপাৰা চহৰৰ বলদমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত ড্ৰাগছৰ বিৰুদ্ধে এক সজাগতা সভা অনুষ্ঠিত কৰা হয়। গোৱালপাৰা আইন মহাবিদ্যালয়ৰ আমন্ত্ৰিত প্ৰবক্তা আজিদুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত সজাগতা সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত মানসিক ৰোগৰ চিকিৎসক ডাঃ হৃষিকেশ কলিতা আৰু ইণ্টিগ্ৰেটেড ডেভেলপমেণ্ট এছ'চিয়েছনৰ অধ্যক্ষ সঞ্জয় হাজৰিকা আৰু জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধিবক্তা শ্বৰীফা ইয়াছমিন, জিলা আইন সেৱা প্ৰাধিকাৰীৰ কৰ্মচাৰী মৃদুলা ৰাভা, চফিয়ৰ ৰহমান, দৰথি কলিতা, আৰু অৰ্দ্ধ আইনী স্বেচ্ছাসেৱক নিৰ্মল সূত্ৰধৰ।

**আৰক্ষী বিভাগৰ সজাগতামূলক সমদল**



*বানৰ কবলৰ পৰা মুক্ত হোৱা নাই নাহৰকটীয়াৰ বিভিন্ন বাট-পথ।*

# ৮১ শতাংশৰে জিলিকিল কৰ্দৈগুৰি কনিষ্ঠ মহাবিদ্যালয়

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ৩০ জুন ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত তালাপ-কৰ্দৈগুৰি অঞ্চলটো হৈছে জিলাখনৰ ভিতৰতে এটা পিছপৰা অঞ্চল। বান-খহনীয়াত আক্ৰান্ত হৈ থকা অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান হৈছে 'কৰ্দৈগুৰি কনিষ্ঠ মহাবিদ্যালয়'। ২০০৯ত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনে আৰম্ভণিৰ পৰাই ভাল ফল দেখুৱাই আহিবলৈ সক্ষম হৈছে। সদ্য ঘোষিত হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত কৰ্দৈগুৰি কনিষ্ঠ মহাবিদ্যালয়খনে ৮১ শতাংশ উত্তীৰ্ণৰে জিলিকি উঠিল ৰাজ্যত। মহাবিদ্যালয়খনৰ পৰা চলিত বৰ্ষত ৩৩ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে প্ৰথম বিভাগত দুগৰাকী, দ্বিতীয় বিভাগত ১৩ আৰু তৃতীয় বিভাগত ১১ গৰাকীয়ে উত্তীৰ্ণ হয়। পিছপৰা, দৰিদ্ৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা মহাবিদ্যালয়খনৰ ফলাফলক লৈ সন্তোষ প্ৰকাশ কৰিছে অঞ্চলটোৰ সচেতন মহলে। আনহাতে, অঞ্চলটোৰ শদিয়া বিধানসভা সমষ্টিৰ গাখীৰভেটি গাঁও পঞ্চায়তৰ অন্তৰ্গত ধূলিজান-মিচিমিকটা গাঁৱত পৰা চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত (কলা, বিজ্ঞান, বাণিজ্য) এশ শতাংশ উত্তীৰ্ণ হয়। গাঁওখনৰ পৰা প্ৰথম বিভাগত পাঁচ আৰু তৃতীয় বিভাগত পাঁচগৰাকী উত্তীৰ্ণ হয়। গাঁওখনৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰ বতৰাই গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

# মূল্যবৃদ্ধি ৰোধৰ দাবীত মুখ্যমন্ত্ৰীলৈ চিপিএমৰ স্মাৰকপত্ৰ প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩০ জুন ঃ** নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবীত ভাৰতীয় কমিউনিষ্ট পাৰ্টি শুৱালকুছি আঞ্চলিক সমিতিয়ে আজি শুৱালকুছি খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত পেট্ৰ'ল-ডিজেল ৰন্ধন গেছৰ মূল্যবৃদ্ধি ৰোধ কৰা, মাটিৰ পট্টা প্ৰদান কৰা, খালী পদসমূহ শীঘ্ৰে পূৰণ, এনেৰেগাৰ দৈনিক মজুৰি ৬০০ টকালৈ বৃদ্ধি, অসমৰ বানপানীৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি দি স্থায়ী সমাধান কৰা, শুৱালকুছি তাঁতশিল্পৰ প্ৰয়োজনীয় কেঁচা সামগ্ৰী ৫০ শতাংশ ৰেহাই মূল্যত যোগান ধৰা, উৎপাদিত বস্ত্ৰ উপযুক্ত দামত চৰকাৰে ক্ৰয় কৰা আৰু হস্ততাঁত বস্ত্ৰ শিল্প সংৰক্ষণ আইন ১৯৮৫ক শীঘ্ৰে বলৱৎ কৰা দাবী সম্বলিত স্মাৰকপত্ৰ খণ্ড উন্নয়ন বিষয়া অৰ্চনা দাসৰ হাতত অৰ্পণ কৰে। আনহাতে, চিপিএমৰ আঞ্চলিক সমিতিৰ সম্পাদক ভূপেন ৰাজবংশীৰ নেতৃত্বত শুদ্ধ জৰীপৰ অভাৱত সূতা ভঁৰালৰ পৰা লাভ কৰা সূতা প্ৰকৃত হিতাধিকাৰীৰ পৰিৱৰ্তে ধনী শ্ৰেণী উপকৃত হোৱা দিশৰ ওপৰত আলোচনা কৰা হয়। সূতা ভঁৰালৰ পৰা লাভ কৰা ভুৰ্তকী পোনপটীয়াকৈ দুখীয়া শিপিনীৰ বেংক একাউণ্টত জমা কৰাৰ পৰামৰ্শ আগবঢ়ায় সঁজাতী দলটোৱে। হস্ততাঁত বস্ত্ৰ শিল্প সংৰক্ষণ আইন ১৯৮৫ বলৱৎ কৰাৰ বিষয়টো বিষয়াগৰাকীক দৃষ্টি নিক্ষেপ কৰে।

# নলবাৰীত ন-পুৰণি শিল্পীৰ উদ্যোগত গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩০ জুন ঃ** নলবাৰীৰ ন-পুৰণি শিল্পীৰ উদ্যোগত অহা ১৪ৰ পৰা ৩০ জুলাইলৈ গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে ন-পুৰণি শিল্পী, নলবাৰীয়ে ২০০৮ৰ পৰা বিভিন্ন সময়ত নাট কৰ্মশালা, নাট প্ৰযোজনা আৰু নাট সমাৰোহৰ আয়োজন কৰি আহিছে। নলবাৰী জিলাৰ শিশু আৰু কিশোৰসকলৰ মানসিক, বৌদ্ধিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ লক্ষ্য আগত ৰাখি আৰু সুস্থ নাটকীয় বাতাবৰণ সৃষ্টি আৰু ন প্ৰতিভা জন্ম দিয়াৰ উদ্দেশ্য আগত ৰাখি ন-পুৰণি, শিল্পী, নলবাৰীয়ে বিভিন্ন কাম-কাজ কৰি আহিছে। ঠিক সেই উদ্দেশ্য আগত ৰাখিয়ে অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাখনৰ আয়োজন কৰা হৈছে। কৰ্মশালাত প্ৰশিক্ষক হিচাপে স্থানীয় নাট বিশেষজ্ঞৰ উপৰি বিশেষভাৱে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ কে'বাগৰাকী স্নাতকৰ লগতে অসমৰ আগশাৰীৰ বিশিষ্ট নাট্যকৰ্মী আৰু পৰিচালক উপস্থিত থাকিব। ন-পুৰণি শিল্পী, নলবাৰীৰ সম্পাদক ধ্ৰুৱ বৰ্মনে জানিব দিয়া মতে, নলবাৰীৰ মহাবিদ্যালয়ত পুৱা ১০ বজাৰ পৰা দিনৰ ১-৩০ বজালৈ অনুষ্ঠিত হ'বলগীয়া নাট কৰ্মশালা দুটা শাখাত অনুষ্ঠিত কৰাৰ লগতে ভৰ্তি মাচুল মাত্ৰ সাতশ টকা নিৰ্ধাৰণ কৰিছে। প্ৰতি বছৰে আয়োজন কৰাৰ দৰে কৰ্মশালাৰ অন্তত প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা অভিনীত নাটৰ এটি নাট্য সন্ধিয়া স্থানীয় মন্দিৰত অনুষ্ঠিত কৰা হ'ব। শিবিৰত সমূহ ৰাইজৰ সহায়-সহযোগিতা উদ্যোক্তাসকলে কামনা কৰাৰ লগতে ইচ্ছুক প্ৰশিক্ষাৰ্থীক ৯১০১৩৮২৭৬৮/৮৭২৪৯৯২৯২২ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# হাজোৰ বামুন্দীত আছুৰ গ্ৰীষ্মকালীন পাঠদান আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩০ জুন ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা নীতিৰ আধাৰত প্ৰত্যেক বছৰৰ দৰে এই বছৰো পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বামুন্দী শাখা ছাত্ৰ সন্থাৰ সহযোগত যোৱা ২৭ জুনৰ পৰা আৰম্ভ কৰা হয় গ্ৰীষ্মকালীন পাঠদান কাৰ্যসূচী। বামুন্দী হাইস্কুলত ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ অনুষ্ঠিত ১০ দিনীয়া এই গ্ৰীষ্মকালীন পাঠদান কাৰ্যসূচী আৰম্ভ কৰে কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত কমল বৰুৱাই। অনুষ্ঠান উদ্বোধন কৰি বৰুৱাই ছাত্ৰ সন্থাৰ এনে পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰি ছাত্ৰ সন্থাৰ এনেকুৱা পদক্ষেপে অনাগত দিনত ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ দিশ নিৰ্ণয় কৰিব বুলি মন্তব্য কৰে। ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰ সন্থাৰ কাৰ্যসূচীত পাঠদানৰ সুবিধা গ্ৰহণ কৰি ভৱিষ্যতত একোগৰাকী সুনাগৰিক হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। অনুষ্ঠানত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতাই কয় যে ছাত্ৰ সন্থা অসমৰ জাগ্ৰত প্ৰহৰী। ছাত্ৰ সন্থা সদায়েই ছাত্ৰ-ছাত্ৰীৰ ওচৰত দায়বদ্ধ। বৰ্তমান সময়ত একাংশ নৱ প্ৰজন্মই নিচাযুক্ত দ্ৰব্য সেৱন কৰা আৰম্ভ কৰিছে বুলি উল্লেখ কৰি এয়া সমাজখনৰ কাৰণে এক অশনি সংকেত। এখন নিচামুক্ত সমাজ গঢ়িবলৈ হ'লে ছাত্ৰ অৱস্থাৰ পৰাই প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব বুলি উল্লেখ কৰে ছাত্ৰ নেতাজনে।

কাৰ্যসূচীত উপস্থিত থাকে কামৰূপ জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক সুৰজিত কলিতা, শিক্ষাবিদ সূৰ্যকান্ত কলিতা, বামুন্দী হাইস্কুলৰ পৰিচালনা কমিটীৰ সভাপতি মনোৰঞ্জন শৰ্মা, প্ৰধান শিক্ষাক বিপুল কুমাৰ বৰা, বামুন্দী ৰাইজ, গয়ৰহৰ সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ কলিতা, আছু নেতা মানৱ ঠাকুৰীয়া, ধনজিত কুমাৰ নাথৰ লগতে ভালে সংখ্যক আছু কৰ্মী।

# এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত হাজোৰ তিনি শিক্ষানুষ্ঠানৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩০ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰাখিছে তীৰ্থনগৰী হাজোৰ তিনি শিক্ষানুষ্ঠানে।

**বামুন্দী কনিষ্ঠ মহাবিদ্যালয় ঃ** বামুন্দী কনিষ্ঠ মহাবিদ্যালয়ৰ কলা শাখাৰ পৰা এইবেলি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ শিক্ষাৰ্থীৰ এগৰাকীয়ে ষ্টাৰ নম্বৰসহ ১৯গৰাকীয়ে প্ৰথম বিভাগত, ৪৯ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ছগৰাকীয়ে তৃতীয় বিভাগ লাভ কৰি তৃতীয় বছৰৰ বাবে এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অক্ষুণ্ণ ৰাখিছে।

**বৰস্নৈ শংকৰ আজান জুনিয়ৰ একাডেমী ঃ** বৰস্নৈ শংকৰ আজান জুনিয়ৰ একাডেমীৰ কলা শাখাৰ মুঠ ২৬ গৰাকী শিক্ষাৰ্থীৰ এগৰাকী ষ্টাৰসহ মুঠ ১২গৰাকী প্ৰথম, ১৩ গৰাকী দ্বিতীয় আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণৰে এশ শতাংশৰ ধাৰা অব্যাহত ৰাখিছে।

**দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয় ঃ** দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাৰ মুঠ ৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত দেৱব্ৰত কলিতাই সপ্তম স্থান দখল কৰি গৌৰৱ কঢ়িয়াই অনাৰ বিপৰীতে ৪৭ গৰাকী প্ৰথম আৰু এগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰাখি গৌৰৱ কঢ়িয়াই আনিছে তীৰ্থনগৰী হাজোলৈ।

# দুটা পথ, এটা বয়ন প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ৩০ জুন ঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ আবন্টিত ধনেৰে নিৰ্মাণ কৰা দুটা পথ আৰু এটা মুগা বয়ন শিপিনী কেন্দ্ৰ আজি উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য হিতেশ ৰাভা পাটগিৰিয়ে। প্ৰথমতে, দৰংগিৰি-টিলাপাৰাত নিৰ্মাণ কৰা এটি পকী পথ উদ্বোধন কৰা হয়। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ২০২০-২১ বিত্তীয় বৰ্ষৰ আবন্টিত পুঁজিৰ ১১ লাখ ৮৮ হেজাৰ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পকী পথটি টিলাপাৰা গাঁওবাসীৰ উপস্থিতিত উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ৰাভা পাটগিৰিয়ে। ইয়াৰ পাছতে ছেণ্ডগ্ৰেভেলেৰে নিৰ্মাণ কৰা নেহৰু বজাৰৰ পৰা বৌমাৰী হৈ শালপাৰালৈ যোৱা ১.৩০ কিলোমিটাৰ পথৰ উদ্বোধন কৰা হয়। ৰাভা হাছং পৰিষদৰ ২০২০-২১ বিত্তীয় বৰ্ষৰ আবন্টিত পুঁজিৰ ১৩ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পথটি উদ্বোধন কৰে কাৰ্যবাহী সদস্য পাটগিৰিয়ে। আনহাতে, তেওঁ আমজোঙাৰ মনুপাৰাত প্ৰায় আঠ লাভ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মুগা বয়ন শিপিনী কেন্দ্ৰ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত পৰিষদৰ সাধাৰণ সদস্য সহদেৱ ৰাভা, ৰংজুলি আঞ্চলিক ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি লোহিত ৰাভা, মনুপাৰা মহিলা সমিতিৰ সভানেত্ৰী, সম্পাদিকাৰ লগতে গাঁওখনৰ পুৰুষ-মহিলাসকল উপস্থিত থাকে।

# ধৰ্মপ্ৰাণ কণ্ঠিৰাম শইকীয়াৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাবাট, ৩০ জুন ঃ** বৰহোলা নাঙলকুৰি গাঁৱৰ নিবাসী তথা ধৰ্মপ্ৰাণ লোক বিশিষ্ট সমাজসেৱক কণ্ঠিৰাম শইকীয়াৰ বুধবাৰে পুৱা পাঁচ বজাত বাৰ্ধক্যজনিত কাৰণত ৯৬ বছৰ বয়সত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত শইকীয়াই আঠগৰাকী জী, জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়ক এৰি গৈছে। উল্লেখ্য যে জীৱন কালত শইকীয়াই স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত থকাৰ লগতে এসময়ত আঠখেলীয়া নামঘৰৰ নামাচাৰ্যৰূপেও দায়িত্ব পালন কৰিছিল। শইকীয়াৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# লক্ষীবাৰীত গ্ৰীষ্মকালীন নৃত্য কৰ্মশালাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৩০ জুন ঃ** গোলাঘাট জিলাৰ লক্ষীবাৰী অঞ্চলৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান হেঙুল সমন্বয় কলাভূমিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত জিলা ভিত্তিত অহা তিনিৰ পৰা ১৭ জুলাইলৈ স্থানীয় শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চৰ প্ৰাংগণত গ্ৰীষ্মকালীন এক নৃত্য কৰ্মশালাৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে কলাভূমিৰ মুখ্য উদ্যোক্তা প্ৰণৱজ্যোতি শইকীয়াই জনোৱা মতে, উক্ত কৰ্মশালাত সত্ৰীয়া নৃত্য আৰু সৃষ্টিশীল নৃত্যৰ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ আগবঢ়োৱা হ'ব। প্ৰ-পত্ৰ পূৰণৰ অন্তিম তাৰিখ ৩০ জুন। সবিশেষ, জানিবলৈ হ'লে ৯৭০৭০৩৬৫৮৬ আৰু ৯৬৭৮০১৪৭৫৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

ভাওৰাগুৰীৰ সমীপৱৰ্তী কমলসিং উপ-স্বাস্থ্য কেন্দ্ৰ ঘেৰাও কৰি ৰাইজৰ প্ৰতিবাদ

# চিকিৎসকৰ গাফিলতিৰ বাবে ৰোগীৰ মৃত্যুৰ অভিযোগ ৰাইজৰ



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ৩০ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰীৰ সমীপৱৰ্তী কমলসিং উপ-স্বাস্থ্য কেন্দ্ৰত ৰাইজৰ প্ৰতিবাদ। ৰোগীৰ মৃত্যুক লৈ ৰাইজে ঘেৰাও কৰে স্বাস্থ্য কেন্দ্ৰটো। প্ৰাপ্ত বাতৰি মতে, চিকিৎসালয়খনৰ পৰা প্ৰায় ৩০০ মিটাৰ নিলগৰ নতুনপাৰা গাঁৱৰ নিবাসী তথা কচুগাঁও মণ্ডল বিজেপিৰ সদস্য সুজিৎ দাস (৩০) নামৰ যুৱকজন উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱাত সংকটজনক অৱস্থাত নিশা প্ৰায় ১২.৩০ মান বজাত ৰোগীজনক কমলসিং উপ-স্বাস্থ্য কেন্দ্ৰলৈ লৈ আহে যদিও চিকিৎসকক লগ নাপায় ৰোগীৰ আত্মীয়ই। কোৱাৰ্টৰত চিকিৎসজনক মাতাৰ কাৰণে যায় যদিও কোৱাৰ্টাৰৰ দুৱাৰ বন্ধ থকাৰ বাবে চিঞৰি চিঞৰি মতাৰ পাছতো চিকিৎসকজন টোপনিৰ পৰা নুঠাৰ অভিযোগ উত্থাপন কৰে ৰাইজে। পাছত এম্বুলেন্সক খবৰ দিয়াত গোসাঁইগাঁৱৰ পৰা এম্বুলেন্স অহাত কোকৰাঝাৰলৈ লৈ যোৱাৰ সময়তে মাজবাটতে ৰোগীজনৰ মৃত্যু হয়। আজি ৰাইজে উক্ত ঘটনাৰ প্ৰতিবাদত কমলসিং উপ-স্বাস্থ্য কেন্দ্ৰ ঘেৰাও কৰি চিকিৎসকজনৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পাছত ভাওৰাগুৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। মৃত লোকজনৰ আত্মীয়ই চিকিৎসকজনক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ চৰকাৰৰ লগতে প্ৰশাসনক দাবী জনায়। ইপিনে, কমলসিং উপ-স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক বিলিয়ন বসুমতাৰীয়ে ৰাইজৰ অভিযোগসমূহ নস্যাৎ কৰে। উক্ত ঘটনাকলৈ তীব্ৰ চাঞ্চল্য বিৰাজ কৰিছে সমগ্ৰ অঞ্চলটোত।

# গ্ৰীষ্মকালীন নাট্য কৰ্মশালাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ৩০ জুন ঃ** অসমৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান আধ্যাত্মিক যুৱ সন্মিলন, অসম (আয়ুস)ৰ উদ্যোগত দিখৌমুখ মিলিত শিল্পী সমাজ আৰু স্থানীয় ৰাইজৰ সহযোগত অহা তিনি জুলাইৰ পৰা এক গ্ৰীষ্মকালীন নাট্য কৰ্মশালাৰ আয়োজন কৰা হৈছে। স্থানীয় দিখৌমুখ মিলিত শিল্প সমাজৰ প্ৰেক্ষাগৃহত তিনি জুলাইৰ পৰা ২৩ জুলাইলৈ অনুষ্ঠিত হ'ব লগা ২০ দিনীয়া কৰ্মশালাখন উদ্বোধন কৰিব বিশিষ্ট শিক্ষাবিদ লোক সংস্কৃতিৰ গৱেষক, নাট্যকাৰ তথা ভাৰতীয় সংগীত নাটক একাডেমীৰ সাধাৰণ পৰিষদৰ সদস্য ড° অনিল শইকীয়াই। অসমৰ কে'বাজনো আগশাৰীৰ নাট্যকৰ্মী উপস্থিত থাকিব লগা নাট্য কৰ্মশালাখনত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত শিল্পীয়ে প্ৰশিক্ষণ প্ৰদান কৰিব। শিশু আৰু কিশোৰসকলৰ মাজত অনুষ্ঠিত হ'ব লগা এই কৰ্মশালাখনত যোগদান কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে। প্ৰশিক্ষাৰ্থীসকলক ৯৪৩৫০৫৭২৯৪ নম্বৰত যোগাযোগ কৰিবলৈ আয়ুসৰ কেন্দ্ৰীয় সম্পাদক জিতু দত্তই আহ্বান জনাইছে।

অসম দাপোণ
গুৱাহাটী, ১ জুলাই, শুকুৰবাৰ, ২০২২ পৃষ্ঠা ১৪

## সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত খহিছে পাহাৰ

# জীয়াঢল নদীৰ বানে জীয়াতু ভোগাইছে বহুকেইখন গাঁৱক



অগ্ৰদূত বাৰ্তা

**গোগামুখ, ৩০ জুন ঃ** বৰ্তমানে দিনত উজনি অসমত প্ৰায়ে বাতৰি শিৰোনামা দখল কৰি আহিছে ঘাতকৰূপী সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পই, মুষলধাৰ বৰষুণৰ ফলত নামনি অংশৰ জনসাধাৰণৰ মাজত বৃদ্ধি পাইছে ভয়, যিকোনো মুহূৰ্ততে প্লাৱিত হ'ব পাৰে ধেমাজি, লখিমপুৰ কিয়নো অৰুণাচলত সৰ্বাধিক বৰষুণৰ ফলত বৃদ্ধি পাইছে সোৱণশিৰি নদীৰ জলপৃষ্ঠ মূল ড্ৰেইনৰ ওপৰেৰে বাগৰিছে পানী, খহিপৰিছে থুনুকা শিলেৰে গঠিত পাহাৰ। বৰ্তমান চলিত মূল সুৰংগ পথৰ সন্মুখত থকা পাহাৰখন খহি পৰিছে, সুৰংগ পথত কাম কৰিবৰ বাবে শ্ৰমিকসকল অহা-যোৱা কৰা পথটো। স'তে অসমৰ পাহাৰখন খহি পৰিছে। পাহাৰৰ দুটাকৈ স্থানত খহি পৰিছে পাহাৰতো। আনহাতে, মুষলধাৰ বৰষুণৰ ফলত দিনকদিনে উফন্দি উঠিছে জীয়াঢলৰ পানী। জীয়াঢলৰ বানে ঘৰৰ চালেৰে পানী কাটিছে বহুকেইখন গাঁও, উটি গৈছে পশুধন, নাজল-নাথল অৱস্থা জীৱকুলৰ। আনহাতে, আশ্ৰয় শিবিৰত ঘটিছে খাদ্যৰ হাহাকাৰ। বানে ধুই নিছে ধেমাজিৰ গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ৰতুৱা, ফুলবাৰী, চুতীয়াকাৰী, বেতনিহুলা, বেৰভঙা। উক্ত ৰাইজৰ বহু হেক্টৰ কৃষিভূমি পানীৰ তলত থকাৰ বাবে কৃষকৰ পানীত হাঁহ নচৰা অৱস্থা। কুমতিয়া নদীৰ পানীয়ে বুৰাই পেলাইছে বেৰভঙা চুতীয়াকাৰী পথ, পথৰ ওপৰত চাৰিৰ পৰা পাছ ফুট পৰ্যন্ত পানী, যাতায়াত সম্পূৰ্ণৰূপে বন্ধ ৰখা হৈছে। আনহাতে, পৰ্যাপ্ত সহায় নোপোৱাত চৰকাৰ তথা প্ৰশাসনৰ ওপৰত ক্ষোভ বানত জীয়াতু ভোগা পৰিয়ালৰ।

## গোসাঁইগাঁৱৰ কুৰ্শাকাটিত নৈত পৰি সন্ধানহীন এজন লোক

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৩০ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰী আৰক্ষী চকীৰ কুৰ্শাকাটিত গুৰুফেলা নদীৰ পানীত পৰি এজন লোক যোৱা নিশাৰ পৰা সন্ধানহীন হৈ আছে। লোকজন কমলসিং গাঁৱৰ বাসিন্দা জহৰলাল ব্ৰহ্ম (৫৫) বুলি স্থানীয় লোকে জনাইছে। কালি সন্ধিয়াৰ ভাগত গুৰুফেলা নদী সাঁতুৰি পাৰ হওতে উক্ত ঘটনাটো সংঘটিত হয় বুলি স্থানীয় লোকৰ বক্তব্য। খবৰ পাই ভাওৰাগুৰী আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু এছডিআৰএফ বাহিনীৰ সহযোগত সন্ধান অভিযান আৰম্ভ কৰে যদিও এতিয়ালৈকে লোকজনৰ কোনো শুংসূত্ৰ পোৱা নাই। আজিও এছডিআৰএফ বাহিনীয়ে সন্ধান অভিযান অব্যাহত ৰাখিছে, কিন্তু নদীৰ পানীত ডুব যোৱা লোকজনৰ সন্ধান পোৱা নাই।

# গোগামুখৰ ৩২ ৰাজহ গাঁৱত প্লাৱন

## প্ৰকাণ্ড গছ পৰি দুফাল কৰিলে সামাজিক বনানীকৰণৰ কাৰ্যালয়

**ধেমাজি, ৩০ জুন ঃ** অসম আৰু অৰুণাচল প্ৰদেশত হৈ থকা মুষলধাৰ বৰষুণৰ ফলত সোৱণশিৰি, জীয়াধল, কুমটীয়া, ন-নদী আদি নৈ-উপনৈসমূহ উফন্দি উঠিছে। গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ৩২ খন ৰাজহ গাঁৱলৈ জীয়াধল-কুমটীয়া, ন-নদীৰ পানীত বুৰ গৈছে। ইয়াৰে গোবিন্দপুৰ, বৈজয়ন্তীপুৰ, কদমগুৰি, বামচেনিয়া, দক্ষিণ নলবাৰী, ৰূপহী কুকুৰাচৰা, মিংমাং সৰিয়নি, ঔগুৰি, টাইগাৰগুৰি, বেতবাৰী, জৰাই, গড়পৰা, মাজৰবাৰী, কৌপাতনি, মইনা পৰা, হিলৈমাৰীখাট, চেনিয়া দেউৰী, গৰৈমাৰী, আমগুৰি, বেৰভঙা, দুই নম্বৰ চেলাজান, এক নম্বৰ চেলাজান, এক নম্বৰ চুতীয়াকাৰী, চুতীয়াকাৰী,বৰগুৰি, ন-পাম বেৰভঙা, ৰতুৱা, এক নম্বৰ বেতনিহোলা, বৰদৈ বঙালী, পতিতভূমি দৰ্কাস্ত আৰু ২১ নম্বৰ এফ চি গ্ৰান্ট গাঁওসমূহ সম্পূৰ্ণৰূপে বাঢ়নী পানীয়ে বুৰাই পেলাইছে। গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ পৰা বানাক্ৰান্তক খাদ্য সামগ্ৰী যোগান দি আছে যদিও বানাক্ৰান্ত গাঁওসমূহত শিশুখাদ্য আৰু পশুখাদ্যৰ সমস্যাই দেখা দিছে। ইপিনে, গোগামুখ নগৰৰ মাজমজিয়াত ভয়াৱহ কৃত্ৰিম বানে দেখা দিছে। কৃত্ৰিম বানৰ ফলত গোগামুখ-লখিমপুৰ পথৰ কাষত থকা বন বিভাগৰ সামাজিক বনানীকৰণ কাৰ্যালয়ৰ ভূমিত থকা এটা প্ৰকাণ্ড ইউকেলিপ্তাছ গছ পৰি সামাজিক বনানীকৰণৰ কাৰ্যালয় গৃহটো সম্পূৰ্ণৰূপে দুফাল কৰি দিয়ে। এই দুৰ্ঘটনাত দৈৱক্ৰমে কোনো লোক হতাহত নহ'ল। আনপিনে, আজি গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ৩২ খন ৰাজহ গাঁৱত তিনিদিনৰ বাবে প্ৰশাসনে খাদ্য সামগ্ৰী বিতৰণ কৰিছে।

## ■ শিলঘাট-ধিং মথাউৰিলৈ চৰম ভাবুকি

# বান-খহনীয়াত ত্ৰস্তমান ধিঙৰ মোৱামাৰী অঞ্চলৰ ৰাইজ

বিশেষ সংবাদদাতা

**নগাঁও, ৩০ জুন ঃ** নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত মোৱামাৰী অঞ্চলত শিলঘাট-ধিং মথাউৰিৰ নিচেই কাষতে ব্ৰহ্মপুত্ৰৰ খহনীয়াই বিধ্বংসী ৰূপ ধাৰণ কৰিছে। উল্লেখ্য যে ব্ৰহ্মপুত্ৰৰ পৰা মাত্ৰ ৩০ মিটাৰ নিলগত অৱস্থিত শিলঘাট-ধিং মথাউৰিটো। গৰাখহনীয়া যদি এনেদৰেই অব্যাহত থাকে তেতিয়া খহনীয়াত মথাউৰি ভাঙি যোৱাৰ সম্ভাৱনাই অধিক। যাৰ ফলত শংকিত হৈ পৰিছে মোৱামাৰী অঞ্চলৰ ৰাইজ। মথাউৰিটো ভাঙিলে ধিং, মৈৰাবাৰীৰ শ শ গাঁও ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে বুৰাই পেলাব। লগতে ধিং চহৰৰ প্ৰতিও নামি আহিব চৰম ভাবুকি। ইমানৰ পাছতো কাণসাৰ নাই নগাঁও প্ৰশাসন, নগাঁও জলসম্পদ বিভাগৰ লগতে



জনপ্ৰতিনিধিৰ। এই পৰ্যন্ত খহনীয়া আক্ৰান্ত অঞ্চলটোৰ পৰিস্থিতিৰ বুজ ল'বলৈ অহা নাই স্থানীয় বিধায়ক আমিনুল ইছলাম আৰু সাংসদ গৌৰৱ গগৈ। এই অভিযোগ ৰাইজৰ। উল্লেখ্য যে ব্ৰহ্মপুত্ৰৰ বিধ্বংসী খহনীয়াত ইতিমধ্যে মোৱামাৰী অঞ্চলৰ অৰ্ধশতাধিক পৰিয়াল গৃহহীন হোৱাৰ লগতে শ শ বিঘা কৃষি ভূমি নদীত জাহ গৈছে।

## ৭৬,৩৪৫ গৰাকী লোকক ক'ভিড- ১৯ৰ প্ৰতিষেধক প্ৰদানেৰে ডিব্ৰুগড়ত সমাপ্ত হৰ ঘৰ দস্তক ২.০

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩০ জুন ঃ** সমগ্ৰ অসমৰ লগতে ডিব্ৰুগড় জিলাত যোৱা ছয় জুনৰ পৰা ১০০ ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰাৰ লক্ষ্যৰে আৰম্ভ হোৱা হৰ ঘৰ দস্তক ২.০ৰ সমাপ্ত হয়। উল্লেখ্য যে এই অভিযানৰ সময়ত ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে প্ৰতিষেধক কেন্দ্ৰ, বিদ্যালয়ৰ লগতে মানুহৰ ঘৰে ঘৰে গৈ এই অভিযানৰ জৰিয়তে বিনামূলীয়াকৈ ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰা হয়। জিলা টিকাকৰণ বিষয়া ডাঃ বিশ্বজিত বৰুৱাই জানিবলৈ দিয়া অনুসৰি, এই অভিযানৰ সময়ত জিলাখনৰ ৭৬,৩৪৫ গৰাকী লোকক ক'ভিড-১৯ৰ প্ৰতিষেধক পালি প্ৰদান কৰা হয়। উল্লেখ্য যে সমগ্ৰ অসমৰ ভিতৰতে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে হৰ ঘৰ দস্তক ২.০ সময়ত সৰ্বাধিক ক'ভিড- ১৯ৰ প্ৰতিষেধক প্ৰদান কৰে। ইয়াৰে ভিতৰত ১৮ ঊৰ্দ্ধৰ ২,৬২৮ প্ৰথম পালি, ২০,০৩০ জন লোকক দ্বিতীয় পালি আৰু ১৯,৯৭৬ ব্যক্তিক সতৰ্কতা ক'ভিড-১৯ৰ প্ৰতিষেধক পালিৰ প্ৰদান কৰা হয়। তদুপৰি ১৫পৰা ১৮ বছৰ বয়সৰ ভিতৰত ৬,৫৭২ গৰাকীক প্ৰথম, ৩,৬৯৭ গৰাকীক দ্বিতীয় পালি ক'ভিড-১৯ৰ প্ৰতিষেধক পালি লগতে ১২১ পৰা ১৫ বছৰৰ ভিতৰত ১৩,৯৩৬ গৰাকীক প্ৰথম আৰু ৯,৫০৬ গৰাকীক দ্বিতীয় পালি ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰা হয় । উল্লেখ্য যে ১২ বছৰ ঊৰ্দ্ধৰ প্ৰতিগৰাকী ব্যক্তিক ক'ভিড-১৯ৰ প্ৰথম আৰু দ্বিতীয় পালি বৰ্তমান সময়ত বিনামূলীয়াকৈ প্ৰদান কৰা হয় আছে। সতৰ্কতাসূচক ক'ভিড-১৯ৰ প্ৰতিষেধক স্বাস্থ্যকৰ্মী, আগশাৰীৰ কৰ্মী আৰু ৬০ ঊৰ্দ্ধৰ ব্যক্তিসকলে বিনামূলীয়াকৈ লাভ কৰিব আৰু। অন্য শাখাৰ ব্যক্তিসকলৰ সতৰ্কতাসূচক ক'ভিড-১৯ৰ প্ৰতিষেধক অৰ্থাৎ তৃতীয় পালি ক'ভেক্সিন আৰু ক'ভিশ্বিল্ড ব্যক্তিগত চিকিৎসালয়ত চৰকাৰী নিৰ্দেশনা অনুসৰি নিৰ্দিষ্ট কৰা মূল্যত ল'ব পাৰিব। ডিব্ৰুগড় জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ৰাজীৱ কুমাৰ বৰুৱাই ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান অভিযান আগন্তুক দিনত অভ্যস্ত থাকিব বুলি জনাই সকলো ৰাইজক ক'ভিড- ১৯ৰ বিৰোধী এই যুদ্ধত ক'ভিড-১৯ৰ প্ৰতিষেধক গ্ৰহণ কৰি যুদ্ধৰ অংশীদাৰ হৈ ক'ভিড-১৯ক সকলোৱে মিলি পৰাজিত কৰিবলৈ আহ্বান জনায়।

## যোৰহাটৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান, সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ৩০ জুন ঃ** বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে উন্নয়নৰ নামত যিমানেই ঢাক-ঢোল নবজাওক কিয়, আজি বছৰ বছৰ ধৰি সাংস্কৃতিক ৰাজধানী তথা শৈক্ষিক নগৰী যোৰহাটবাসীক যান্ত্ৰণা ভোগাই অহা বহুকেইটা সমস্যা সমস্যা হৈয়েই ৰ'ল, কাৰ্যতঃ ফুটুকাৰ ফেনত পৰিণত হৈছে চৰকাৰৰ উন্নয়নৰ শ্ল'গান। কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যোৰহাট জিলা সমিতিয়ে । সমিতিৰ সভাপতি চন্দ্ৰকমল শইকীয়া আৰু সাধাৰণ সম্পাদক পৰাগজ্যোতি দত্তই বিবৃতিত অভিযোগ উত্থাপন কৰি কয় যে যোৰহাটবাসীৰ মূল আৰু দীৰ্ঘদিনীয়া সমস্যাৰ ভিতৰত নগৰৰ জাবৰ নিষ্কাসনৰ সমস্যা সমস্যা হৈয়েই ৰ'ল অঞ্চলবাসীৰ স্বাস্থ্যৰ ক্ষতি কৰি অহাৰ পৰিপ্ৰেক্ষিতত দীৰ্ঘদিনে স্থানান্তৰৰ দাবী জনাই অহাৰ পাছতো গড়মূৰস্থিত ডাম্পিং গ্ৰাউণ্ড আজিও স্থানান্তৰ ন'হল, নগৰৰ যান-জঁট সমস্যা সমাধানৰ উৎস হ'ব বুলি ভবা বহুমহলীয়া পাৰ্কিং আস্থান আধৰুৱা অৱস্থাতে অৱহেলিত হৈ পৰি ৰ'ল। বৃহত্তৰ উত্তৰ-পশ্চিম যোৰহাটবাসীয়ে নিদ্ৰাহীনতাত দিন কটাই অহা নিমাতীঘাটৰ খহনীয়া সমস্যা সমাধানৰ বাবে শ শ কোটি টকা আবন্টন হৈ অহা সত্বেও বিভাগীয় ঠিকাদাৰ-অভিযন্তাৰ লুণ্ঠনৰাজৰ বাবেই সেই সমস্যাও সমস্যা হৈ ৰ'ল। তদুপৰি ন-আলি উৰণীয়া সেতুৰ নিৰ্মাণৰ লেহেমীয়া গতি তথা কাষৰ পথৰ দুৰৱস্থা, চাৰিলেনযুক্ত পথৰ বাবে মাটি অনা-নিয়া কৰি বিধ্বস্ত কৰা জগন্নাথ বৰুৱা পথৰ বাইপাছৰ পৰা-ককিলামুখ পৰ্যন্ত গ্ৰাম্য অংশৰ দুৰৱস্থা আৰু জগন্নাথ বৰুৱা পথৰ নগৰৰ অংশৰ দুয়োকাষে পদপথৰ কাষত বহা বিভিন্ন ব্যৱসায়ীসকলৰ পৰাও জনসাধাৰণে সমস্যাৰ সন্মুখীন হৈ আহিবলগীয়া হৈছে যদিও সংশ্লিষ্ট কোনো এটা কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। সেয়েহে যোৰহাটবাসীয়ে সন্মুখীন হৈ অহা এই দীৰ্ঘদিনীয়া সমস্যাসমূহৰ ক্ষেত্ৰত সৰৱ হৈ সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যোৰহাট জিলা সমিতিয়ে আজি যোৰহাট জিলা উপায়ুক্তক এখনি ছয়দফীয়া স্মাৰকপত্ৰ প্ৰদান কৰি সমস্যাসমূহ সমাধানৰ দাবী জনায়, যদিহে উল্লেখিত সমস্যাসমূহ সমাধানত প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষৰ সদিচ্ছা তথা আন্তৰিকতা দেখা পোৱা নাযায়, তেন্তে আন্দোলনাৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ পৰিষদ বাধ্য হ'ব বুলি স্পষ্ট কৰি দিয়ে।




ৰাজ্যৰ বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা, অন্যান্য দাবীত কামৰূপ আছুৰ বিক্ষোভ কাৰ্যসূচী?

## অনিৰ্দিষ্ট কাললৈ যোৰহাট-মাজুলীৰ ফেৰী সেৱা বন্ধ

# নিমাতীত ব্ৰহ্মপুত্ৰৰ জলৰাশি বিপদসীমাৰ ওপৰেৰে বৈছে

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৩০ জুন ঃ** সমগ্ৰ অসমত প্ৰৱল বৰষুণৰ ফলত কৃত্ৰিম বানত জুৰুলা হৈ থকা সময়তে কালিৰে পৰা ব্ৰহ্মপুত্ৰৰ জলৰাশি ভয়ানকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। যোৱা দুদিন ধৰি উজনি অসমকে ধৰি অৰুণাচলৰ দাঁতি-কাষৰীয়া অঞ্চলত প্ৰৱল বৰষুণ ফলত ব্ৰহ্মপুত্ৰ নদীত জলপৃষ্ঠ বৃদ্ধি পাবলৈ লৈছে। কালি ৰাতিৰে পৰা যোৰহাট নিমাতীঘাটতো জলপৃষ্ঠ বিপদসীমাৰ যথেষ্ট ওপৰেৰে ববলৈ লোৱাত যোৰহাট জিলা প্ৰশাসনৰ অতিৰিক্ত উপায়ুক্তই নিমাতীঘাট পৰিভ্ৰমণ কৰি অনিৰ্দিষ্ট দিনলৈ ফেৰী সেৱা বন্ধ কৰি দিছে। যিহেতুকে ব্ৰহ্মপুত্ৰ প্ৰৱল সোঁতত পাহাৰৰ পৰা খহি অহা বৃহৎ কাঠৰ কুণ্ডাই ফেৰী দুৰ্ঘটনা সংঘটিত কৰা আশংকা কৰিয়ে এই সিদ্ধান্ত লয়। আই ডব্লিউ টি অভিযন্তা অসীম বৰুৱাই জনোৱা মতে, নিমাতীঘাটত বিপদসীমাৰ এক মিটাৰ ওপৰেৰে বৈ আছে আৰু ৰাতিলৈ জলপৃষ্ঠ বৃদ্ধি হোৱাসম্ভাৱনা আছে। আনহাতে, নিমাতী দাঁতি-কাষৰীয়া অঞ্চলৰ ৰাইজে নিমাতী বৰ মথাউৰিক লৈ চিন্তিত হৈ পৰিছে।

## তেজপুৰত আছুৰ বিক্ষোভ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৩০ জুন ঃ** ৰাজ্যৰ বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা, এই সমস্যাৰ স্থায়ী সমাধান কৰা, বানাক্ৰান্তসকলক পৰ্যাপ্ত সাহায্য প্ৰদানৰ লগতে বানত ক্ষতিগ্ৰস্তসকলক পুনৰ সংস্থাপনৰ দাবীত আজি সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি পালন কৰা বিক্ষোভ কাৰ্যসূচী তেজপুৰতো ৰূপায়ণ কৰে। শোণিতপুৰ জিলা ছাত্ৰ সন্থাই জিলাখনৰ ১০ টা আঞ্চলিকৰ বিষয়ববীয়াসকলৰ অংশগ্ৰহণৰে তেজপুৰৰ আদালত চাৰিআলিৰ সমীপত ৰূপায়ণ কৰা এই বিক্ষোভ কাৰ্যসূচীত আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক নিতুল বৰা আৰু আছুৰ শোণিতপুৰ জিলা সভাপতি অভিজিৎ নাথ উপস্থিত থাকে। আছুৰ সাংগঠনিক সম্পাদক বৰাই ৰাজ্যৰ বানাক্ৰান্তসকলৰ দুৰ্দশাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দোষাৰোপ কৰি কয় যে মুখ্যমন্ত্ৰীৰ অদূৰদৰ্শিতাৰ বাবেই বৰ্তমান ৰাজ্যৰ বানাক্ৰান্তই ককবকাই থাকিবলগীয়া হৈছে। আনহাতে, জিলা আছুৰ সভাপতি নাথে চৰকাৰৰ বান সমস্যা সমাধানৰ প্ৰতি সদিচ্ছা নথকাৰ অভিযোগ কৰি কয় যে চৰকাৰে এই সমস্যা জীয়াই থকাটো বিচাৰে নিৰ্বাচনী ইছ্যু হিচাপে। প্ৰতিটো নিৰ্বাচনৰ পূৰ্বে বান-খহনীয়া সমস্যা সমাধানৰ আশ্বাস দিয়াৰ বিষয়ে উল্লেখ কৰি নাথে আৰু কয় যে আন ৰাজ্যত এই সমস্যা হ'লে বৃহৎ পৰিমাণৰ ধন সাহায্য হিচাপে আবন্টন দিয়া কেন্দ্ৰীয় চাকাৰে অসমৰ বাবে আৰ্থিক সাহায্য আন ৰাজ্যৰ দৰে আগনবঢ়োৱাত ক্ষোভ ব্যক্ত কৰে।

## হাইস্কুল শিক্ষান্ত-উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ আদিবাসী ছাত্ৰ-ছাত্ৰীক বীৰছা কমাণ্ড' ফ'ৰ্চৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩০ জুন ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ চিখ্ৰী কটেজত ২৮ জুনৰ বিয়লি হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কে'বাগৰাকীও আদিবাসী ছাত্ৰ-ছাত্ৰীক বিৰছা কমাণ্ড' ফ'ৰ্চৰ বাঁহবাৰী শাখাৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। বাঁহবাৰীৰ ফাতেমাদ চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পাউল ছোৰাঞ্চীৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাত বিৰছা কমাণ্ড' ফ'ৰ্চৰ মুখ্য সেনাধ্যক্ষ সুভাষ তিৰ্কীয়ে কয়, 'বাঁহবাৰী অঞ্চলৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কে'বাগৰাকীও আদিবাসী ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে উৎসাহ যোগোৱাৰ উদ্দেশ্যে আদিবাসী ফুলাম গামোচা আৰু একোখনকৈ মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আদিবাসী ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতাৰ মাজেৰে আগবাঢ়ি যাবলৈ সক্ষম হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে তেওঁলোকৰ শিক্ষাৰ লগতে পিছপৰা আদিবাসী জাতিটোক আগবঢ়াই নিবলৈ সাজু হৈছে।' সভাৰ জৰিয়তে তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। উল্লেখ্য যে আগন্তুক হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত বাঁহবাৰী অঞ্চলৰ পৰা যিসকল আদিবাসী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগসহ ভাল ফলাফল দেখুৱাবলৈ সক্ষম হ'ব, সেইসকলক সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক মানছুখ ছানখাড়িকাই ১০ হেজাৰ টকাৰ আৰ্থিক অনুদান আগবঢ়াব বুলি জানিব দিয়ে।

## টিহুত বান সমস্যা সন্দৰ্ভত চি পি আইৰ স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**টিহু, ৩০ জুন ঃ** চিপিআই(এম)ৰ টিহু আঞ্চলিক সমিতি আৰু নামবৰভাগ আঞ্চলিক সমিতিয়ে যৌথভাৱে টিহু অঞ্চলৰ বান সমস্যা সন্দৰ্ভত এখন পাঁচদফীয়া স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। চি টি আই (এম)ৰ টিহু আঞ্চলিক সমিতিৰ সম্পাদক কৰুণা কলিতা আৰু নামবৰভাগ আঞ্চলিক সমিতিৰ সম্পাদক পুৰুষোত্তম শৰ্মাই স্বাক্ষৰ কৰা স্মাৰকপত্ৰখনত বানাক্ৰান্ত ৰাইজক পৰ্যাপ্ত পৰিমাণে সাহায্য প্ৰদান, বানাক্ৰান্ত কৃষকক পুনৰ খেতি কৰিবলৈ কঠীয়াৰ যোগান, বান বিধ্বস্ত অঞ্চলৰ পশুধনৰ বাবে খাদ্যৰ যোগান, বানত বিধ্বস্ত হোৱা ঘৰ আৰু পুখুৰীৰ বাবে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰক, বানত বিধ্বস্ত বাট-পথ শীঘ্ৰে মেৰামতিৰ ব্যৱস্থা কৰক আদি দাবী সন্নিবিষ্ট কৰি টিহুৰ ৰাজহ চক্ৰ বিষয়া অৰূপ চৌধুৰীৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে।

## ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ দুই শিক্ষকৰ বিদায় সম্বৰ্ধনা

### প্ৰদীপ কুমাৰ শৰ্মাৰ কবিতাপুথি 'ঘগ্ৰাৰ পাৰে পাৰে' উন্মোচন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩০ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ স্ত্ৰী শিক্ষা শৈক্ষিক উত্তৰণৰ বাটকটীয়া স্বৰূপ ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ দুজন শিক্ষকক কালি বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়।বিদ্যালয়খনৰ উদ্যোগত আয়োজিত বিদায় সভাখনত সভাপতিত্ব কৰে প্ৰধান শিক্ষক মনহৰি কলিতাই। সভাৰ আৰম্ভণিতে ছাত্ৰীসকলে গুৰু বন্দনা পৰিবেশন কৰে। উক্ত সভাত বিদ্যালয়খনৰ সদ্য বিদায়ী সহকাৰী শিক্ষক প্ৰদীপ কুমাৰ শৰ্মা আৰু সহকাৰী শিক্ষয়িত্ৰী ৰাণু মজুমদাৰক একোখনকৈ গামোচা, জাপি, জাপ বটা, ছাতি, সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰে বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰী একতা সভাই বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক অমূল্য কলিতা আৰু সহকাৰী শিক্ষক প্ৰণৱ কুমাৰ লহকৰে আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি সমগ্ৰ শিক্ষাৰ ৰাজ্যিক সমল ব্যক্তি তথা শিক্ষাবিদ গিৰীন্দ্ৰ কাশ্যপে ভাষণত অৱসৰপ্ৰাপ্ত শিক্ষক দুয়োজনৰ অতীত-বৰ্তমান আৰু শিক্ষা জীৱনৰ ইতিহাস সোঁৱৰে। শিক্ষাবিদজনে লগতে কয় যে এজন ভাল শিক্ষক সমাজৰ আলোকস্তম্ভ বুলি মন্তব্য কৰে। সভাত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দ্বিজেন ডেকা, উপ-সভাপতি দীনেশ শৰ্মা, সমাজকৰ্মী মদন কলিতা, শিক্ষক দিবাকৰ শৰ্মা আৰু আব্দুল জলিল, বিভা দেৱী আদিয়ে প্ৰদীপ শৰ্মা আৰু ৰাণু মজুমদাৰৰ শিক্ষকতা কৰ্মজীৱনৰ ওপৰত আলোকপাত কৰে। উক্ত সভাত সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক শৰ্মাৰ কবিতা পুথি ঘগ্ৰাৰ পাৰে পাৰে উন্মোচন কৰা হয়। বিদায়ী ভাষণত অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক শৰ্মাই চৰকাৰ-অভিভাৱক আৰু শিক্ষকৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত শেহতীয়াকৈ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহ উজলি উঠা বুলি মন্তব্য কৰে। লগতে তেওঁ শিক্ষক-কৰ্মচাৰীয়ে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ যোগেদি বিদ্যালয়খনক উজলাই তুলিবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। সভাখনত বিদায়ী শিক্ষয়িত্ৰী মজুমদাৰেও কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰি আবেগিক হৈ পৰে।

## সোণতলীত ড্ৰাগছসহ ব্যৱসায়ী আটক

অগ্ৰদূত বাৰ্তা

**সোণতলী, ৩০ জুন ঃ** নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্যৰ আৰক্ষী বাহিনীৰ ধাৰাবাহিক অভিযানেও যেন নাকী লগাব বৰা নাই ড্ৰাগছ ব্যৱসায়ীক। যাৰ বাবে বকো সমষ্টিৰ সোণতলীৰ চৰাঞ্চলত এতিয়াও অব্যাহত আছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। যোৱা নিশাৰ ভাগত আৰক্ষীৰ অভিযানত আটক হয় আন এজন ড্ৰাগছ ব্যৱসায়ী। আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰখাৰ সময়তে বকো আৰু সোণতলী আৰক্ষীৰ যুটীয়া অভিযানত আটক কৰে ড্ৰাগছ ব্যৱসায়ীজন। আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি বুধবাৰে নিশা সোণতলী বজাৰৰ পৰা আটক কৰে ড্ৰাগছ ব্যৱসায়ী এজনক। আটকাধীন ড্ৰাগছ ব্যৱসায়ীজন সোণতলীৰ কাছাৰী পাম গাঁৱৰ সমেজউদ্দিনৰ পুত্ৰ ছাত্তাৰ আলী। ধৃত আলীৰ পৰা আৰক্ষীয়ে আঠটা ড্ৰাগছভৰ্তি কণ্টেইনাৰ জব্দ কৰে। জব্দকৃত ড্ৰাগছখিনিৰ ওজন ১,১৫০ গ্ৰাম। ড্ৰাগছসহ ব্যৱসায়ীজন সম্প্ৰতি আৰক্ষীৰ জিম্মাত আছে।

## শীঘ্ৰে সমস্যা সমাধানৰ দাবীত পৌৰপতিলৈ ৰাইজৰ অভিযোগ পত্ৰ

# কৃত্ৰিম বানপানীত বিধ্বস্ত নাহৰকটীয়া পৌৰসভাৰ অন্তৰ্গত আলুপট্টি

**নাহৰকটীয়া, ৩০ জুন ঃ** নাহৰকটীয়া পৌৰসভাৰ অন্তৰ্গত এক নম্বৰ ৱাৰ্ডৰ অধীনৰ আলুপত্তি অঞ্চলৰ এক দীৰ্ঘদিনীয়া সমস্যা হৈছে কৃত্ৰিম বানৰ সমস্যা। দুটা দশক ধৰি আলুপত্তিৰ ৰাইজে এই সমস্যাসমূহ নাহৰকটীয়া পৌৰসভাক সময়ে সময়ে দৃষ্টিগোচৰ কৰাই আহিছে। কিন্তু ইয়াৰ পূৰ্বৰ পৌৰসভাখনে এই অঞ্চলত কিছু প্ৰচেষ্টা হাতত লৈছিল যদিও এই সমস্যা সমাধান কৰিবলৈ সফল হোৱা নাই পৌৰসভা। সেয়েহে ৰাইজে এই দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান বিচাৰি আলুপত্তি অঞ্চলত বসবাস কৰা সমূহ ৰাইজৰ স্বাক্ষৰ সম্বলিত এখন অভিযোগপত্ৰ আজি পৌৰপতি পম্পী সাহাৰ হাতত প্ৰদান কৰে। এই অভিযোগ পত্ৰৰ লগত ৰাইজে কৃত্ৰিম বানপানীত অঞ্চলটো ক্ষতিগ্ৰস্ত হোৱাৰ প্ৰমাণস্বৰূপে কে'বাখনো ফটোও গাঁঠি দিয়ে। কিন্তু অতি পৰিতাপৰ বিষয়টো হৈছে পৌৰপতিজনে এই বিষয়টো সমাধানৰ উদ্দেশ্যে ৰাইজক সঁহাৰি জনোৱাৰ বিপৰীতে দায়সৰা মন্তব্য দি বিষয়টোৰ পৰা ফালৰি কাটিবলৈহে চেষ্টা কৰে বুলি ৰাইজে অভিযোগ কৰিছে। ৰাইজে সংবাদমাধ্যমৰ ওচৰত অভিযোগ কৰামতে পৌৰপতিজনে নলা-নৰ্দমাৰ কোনো প্ৰজেক্ট অহা নাই তথা এইবিলাক গড়কাপ্তানী বিভাগৰহে কাম বুলি কৈ ৰাইজক আভুৱাভাঁৰিছে। উল্লেখ্য যে নাহৰকটীয়া আলুপত্তিস্থিত আৰ কে জিতানি হিন্দী স্কুললৈ অহা- যোৱা কৰা একমাত্ৰ পথটোৱেই হৈছে এই আলুপত্তিৰ পথটো। এই পথটো এজাক বৰষুণতে কৃত্ৰিম বানৰ কবলত পৰাৰ ফলত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈ আহিছে। ইয়াৰ উপৰি আলুপত্তিৰ বাসিন্দা ৰাইজৰ ঘৰৰ ভিতৰলৈকে কৃত্ৰিম বানপানী সোমাই অঞ্চলটোত বসবাস কৰাৰ পৰিৱেশ নোহোৱা হৈছে। এই পানী শুকোৱাৰ পাছতো পানীৰ ফলত সৃষ্টি হোৱা কদৰ্যময় পৰিৱেশৰ ফলত বিভিন্ন ধৰণৰ বেমাৰ-আজাৰে লগ লৈ অঞ্চলটোৰ জনস্বাস্থ্যৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। তেনেস্থলত পৌৰপতিজনৰ দায়সৰা মন্তব্যই ৰাইজৰ মাজত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা দেখা গৈছে। পৌৰসভাৰ কৰ সংগ্ৰহৰ সময়ত বিভাগটোৱে ঘৰে ঘৰে গৈ কৰ থিকেই সংগ্ৰহ কৰে কিন্তু ৰাইজৰ সমস্যাসমূহ সমাধানৰ প্ৰতিশ্ৰুতি দি নিৰ্বাচনৰ পূৰ্বে ৰাইজৰ আগত ভোট ভিক্ষা কৰে আৰু নিৰ্বাচনত জয়ী হোৱাৰ পাছত ৰাইজৰ সমস্যাসমূহ সমাধান কৰাৰ বিপৰীতে অন্য বিভাগলৈ দোষ থেলি গা-এৰা দিয়া কাৰ্যক সাধাৰণভাৱে ল'ব পৰা নাই অঞ্চলটোৰ ৰাইজে। এতিয়া পৌৰসভাখনৰ পদেন সদস্য তথা নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে এইসমূহ বিষয়ৰ ওপৰত গুৰুত্ব দি সমস্যাসমূহ সমাধানৰ কল্পে কি ব্যৱস্থা হাতত লয় সেয়াহে লক্ষ্যণীয় হ'ব।

## চেলেংহাটত ৰেলপথত মৃতদেহ উদ্ধাৰ

**চেলেংহাট, ৩০ জুন ঃ** যোৰহাট জিলাৰ চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত লুখুৰাখন গাঁৱৰ ৰেলপথত আজি এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চেলেংহাট ৰেল ষ্টেছনৰ পৰা প্ৰায় ১.৫ কিলোমিটাৰ উজনিলৈ লুখুৰাখন গাঁৱত উজনিমুৱা 'ৰাজধানী এক্সপ্ৰেছ' যাত্ৰীবাহী ৰেলৰ খুন্দাত লোকজন নিহত হোৱাৰ সন্দেহ কৰা হৈছে। ঘটনাস্থলীত মৰিয়নিস্থ ৰেলৱে আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। শেহতীয়াভাৱে মৃত লোকজন চেলেংহাটৰ ডালিম চাহ বাগিচাৰ বৰলাইনৰ বিশ্বজিৎ কৰ্মকাৰ বুলি চিনাক্ত হৈছে। অৱশ্যে কি পৰিস্থিতিত লোকজনৰ মৃত্যু হ'ল সেই বিষয়ত এতিয়াও আৰক্ষীয়ে নিশ্চিত হোৱা নাই।



অসম চৰকাৰ
ছাত্ৰ-ছাত্ৰী হিচাপে আপোনাৰ কঠোৰ পৰিশ্ৰমৰ ফলস্বৰূপে আপুনি লাভ কৰা সফলতাৰ বাবে আজিৰ এই শুভক্ষণত আমি আপোনাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। বিগত বছৰসমূহত আপুনি যি অধ্যৱসায় আৰু উৎসৰ্গাৰ মনোভাৱেৰে অধ্যয়ন কৰিছিল সেয়া আপোনাৰ সামৰ্থ্য আৰু সফলতাত প্ৰতিফলিত হৈছে।
অসমৰ মাননীয় ৰাজ্যপাল
অধ্যাপক জগদীশ মুখীয়ে
২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰিব।
অধ্যাপক জগদীশ মুখী
অসমৰ মাননীয় ৰাজ্যপাল
এই সম্বৰ্ধনা অনুষ্ঠান ২ জুলাই, ২০২২ তাৰিখে পুৱা ১১.৩০ বজাত ৰাজভৱনৰ দৰবাৰ হলত অনুষ্ঠিত হ'ব।
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us @diprassam
dipr.assam.gov.in
জনসংযোগ/ডি/৬৫৪৬/২২




অসম চৰকাৰ
পৰিৱেশ আৰু বন বিভাগ, অসম
Forest Department, Govt. of Assam
৭৩সংখ্যক বন মহোৎসৱ ২০২২
১-৭ জুলাই
“আমি যেতিয়া এটা গছপুলি ৰোপণ কৰোঁ, বহনক্ষম ভৱিষ্যতৰ অৰ্থে এটি আশা ৰোপণ কৰোঁ”
ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম
গছপুলি ৰোপণৰ বাবে পুলিসমূহ বন বিভাগৰ বাগানৰ পৰা সংগ্ৰহ কৰিব পাৰিব
জনসংযোগ/ডি/৬৫৬৩/২২